মধ্যকালীন নিৰ্বাচনৰ কথা ৰাজ্যপাল মহোদয়ে উল্লেখ কৰিছে। এই মধ্যকালীন নিৰ্বাচনে দেশৰ গোৰতৰ ৰাজনৈতিক অস্থিৰতাৰ মাজত অনুষ্ঠিত হৈছে। যদিও সুস্থ পৰিবেশৰ দ্বাৰা দেশত বলিষ্ঠ প্ৰতিষ্ঠা আৰু সমাজবাদৰ পক্ষে এই বিপুল সমৰ্থনৰ ফলস্বৰূপে সকলো প্ৰকাৰ বৈষম্য দূৰীভূত হব, দাৰিদ্ৰ মোচন হব, শ্ৰমিক আৰু কৃষকক সামাজিক নিৰাপত্তা সুদৃঢ় হব এই বিশ্বাসেৰে ভাৰতৰ প্ৰিয় নেতৃ প্ৰধান মন্ত্ৰী শ্ৰীমতী ইন্দিৰা গান্ধীক অভিনন্দন জনাইছো। বেঙ্ক ৰাষ্ট্ৰীয় কৰণৰ ফলস্বৰূপে আমাৰ গ্ৰাম্য অঞ্চল আৰু নগৰৰ অনা অৰ্থ নৈতিক নিৰনুবাজনৰ আত্ম সংস্থান আৰু স্বাৱলম্বনমুখী ব্যবস্থা দ্ৰুত গতিত হাতত লোৱাৰ এক বিশেষ দায়িত্ব কৰ্ত্তব্য হৈ পৰিছে। আমাৰ ৰাজ্যত কিছুমান বৰ্ড আছে, যিবিলাক উৎপাদন ক্ষমতা থকা চেনি, খাদী বৰ্ড, হেন্দলুম, Apex weavers Society Ltd ইত্যাদি। এই বড বোৰ প্ৰতিস্থা কৰা হৈছিল যাতে এই বিলাকৰদ্বাৰা বিনিয়োগ ব্যবস্থাৰ সুচল আৰু সুবিধাজনক হব উৎপাদন বৃদ্ধি পাব। কিন্তু পুজিৰ অভাৱত এই বড বোৰৰ পৰা আসানুৰূপ ফল পোৱা নাই। গতিকে এই বোৰ্ড বোৰ পুণৰ গঠন কৰি ৰাষ্ট্ৰীয়কৰণ বেঙ্কৰ পৰা পুজি পোৱাৰ ব্যৱস্থা কৰিব লাগে। দ্বিতীয়তে কোন কোন ক্ষেত্ৰত এই বৰ্ড বোৰ আত্মকেন্দ্ৰীক হৈ আছে। সেই কাৰণে নতুন ৰূপ দি আগবাঢ়ি যাবলৈ সক্ষম হব পৰা নাই। গতিকে বৰ্ড বোৰ পুনৰ গঠন কৰি জিলা সমূহত শক্তিশালি কমিটি গঠন কৰিব লাগে, জিলা শ্ৰেনীৰ finece production আদি জিলাৰ অনুমোদন মতে সুবিধা

উলিয়াই নিবনুৱা সমস্যা সমাধন কৰাত সহায় কৰিব পাৰে। মই ভাবো প্ৰতি জিলাত উৎপাদন মূলক শাস-প্ৰতিস্থা হব লাগে বিশেষকৈ তাত শিল্পত বহুত শিপিনিৰ বিনিয়োগ সুবিধা হব। এই শিল্পৰ সম্প্ৰসাৰণ নহোৱা বাবে মৃত প্ৰায় হৈ পৰিছে। মই আশা কৰো বেঙ্ক ৰাষ্ট্ৰিয়কৰণৰ দ্বাৰা এই শিল্পবোৰ সঞ্জিবীত হৈ উঠিব আৰু নিজৰ উৎকৰ্ষ সাধনৰ লগতে বিনিয়োগ সুবিধা কৰিব।

এতিয়া শিক্ষা সম্পৰ্কে দুষাৰমান কথা কব খুজিছো। সেইটো হৈছে আমাৰ ছাসকলৰ পৰা পোৱা কিছুমান অসুবিধাৰকথা। মাননীয় ৰাজ্যপাল দাঙৰীয়াই প্ৰাথমিক শিক্ষা স্তৰৰ সম্প্ৰসাৰণ কৰাৰ কথা উল্লেখ কৰিছে আৰু সাধাৰণ শিক্ষাৰ মানো উন্নত কৰাৰ কথা কৈছে আৰু কামো হাতত লোৱা দেখিবলৈ পাইছো। এই Board of Secondary Education' টো বোধকৰো অসম, মনিপুৰ, ত্ৰিপুৰা, নাগালেণ্ড, আদি গোটেই ৰাজ্যবিলাক লৈ আঞ্চলিক ভিত্তিত গঠিত হৈছে। এই ব'ৰ্ডৰ যি সকল উচ্চ পৰ্য্যায়ৰ সদস্য তেওঁলকে আমাৰ গাওঁঅঞ্চলৰ যি সকল ছাত্ৰৰ অভিভাৱক, তেখেত সকলৰ মাজত এটা ভাল শিক্ষাৰ পৰিবেশ গঢ়ি তুলিব পৰা নাই। আজি আমি দেখিছো যে, হঠাৎ আমাৰ কিছুমান স্কুলৰ স্বীকৃতি বাতিল কৰি দিছে। ফলত তাৰ ছাত্ৰবিলাক নতুন স্কুলত ভৰ্ত্তি হবৈ Seat পৰীক্ষা দিবলগা হয়। এই Seat পৰীক্ষাও ইমান টানকৈ ধৰা হৈছে বহুত ছাত্ৰই স্কুলত Seat ই নাপালে। এই প্ৰসঙ্গত শিক্ষক সকলক প্ৰশ্ন কৰাত কলে যে, "আমাৰ স্বক্ৰীতি বাতিল কৰিছে সেইকাৰণে ভাল ল'বা ছোৱালীকেহে ভৰ্ত্তি কৰা হব"। মই চৰকাৰৰ পৰা জানিববিচাছো যে, কিয় হঠাতে এই স্বীকৃতি বাতিল কৰা হ'ল।

আজি যদি স্কুলবিলাকৰ শিক্ষাৰ মান ভাল হোৱা নাই তেতিয়াহলে চৰকাৰে এই স্কুল বিলাক পৰিদৰ্শন কৰি warning দিছিলনে ?

**Shri Kamakhya Prasad Tripathi** :— এইটো ব্যৱস্থা বহুত দিনৰ পৰা চলি আছে।

Shrimati Lili Sen Gupta :— এইটো হঠাৎ কৰিছে। আজি কোনো কোনো জিলাৰ ১০।২০ খন স্কুল কোনো আগজাননী নিদিয়াকৈয়ে স্বীকৃতি বাতিল কৰা হৈছে। মই এইটো অশুদ্ধ নিয়ম বুলি কৈছো। ব'ৰ্ডৰ যি সকল সদস্য আছে তেওঁলোকে মিটিংত বহিলেই কাম নহব। গাৱঁ-বিলাকৰ স্কুলবিলাকৰ পাৰিপাৰ্শ্বিক কি অৱস্থা বা কি কাৰণে অসুবিধা হৈছে সেইবিলাক চাবৰ কাৰণে ব'ৰ্ডৰ সদস্যসকল যোৱাটো উচিত। সেই কাৰনে এইকথাটো যেন চৰকাৰে বিবেচনা কৰি চায়।

তাৰ পিচত মই পাঠ্যপুথি সম্পৰ্কে অলপ কব খুজিছো। প্ৰত্যেক বছৰেই আমাৰ নিম্ন স্তৰৰ পৰা উচ্চ পৰ্য্যায়লৈকে পাঠ্য-পুথি পৰিবৰ্ত্তন হয়। কিন্তু এই পৰিবৰ্ত্তনৰ ক্ষেত্ৰত নতুন তালিকা স্কুল বিলাকে পাওতে দুমাহ তিনিমাহ পলম হয়। ফলত class ২।৩ মাহ আৰম্ভ হয়।

ফলত ছাত্ৰসললৰ পাচত বহুত অসুবিধা হয়। সেই কাৰণে পাঠ্যপুথি পৰিবৰ্ত্তণ হোৱাৰ লগে লগে জিলাসমূহত তালিকা পঠাব লাগে কিন্তু প্ৰত্যেক বছৰেই পাঠ্যপুথি পৰিবৰ্ত্তণ নহলে এজন ছাত্ৰৰ পৰা আনজন ছাত্ৰই লব পাৰে। ফলত বহুত ছাত্ৰৰ সুবিধা হয়। আজি চৰকাৰৰ আমাৰ ছাত্ৰ সকলক যি বৃত্তি দিয়া হয় তাতো বৈষমতা থকা দেখা যায়। যেনেকৈ আজি কিছুমান পিছপৰা ঠাইৰ মানুহে বা ছাত্ৰ-ছাত্ৰীয়ে ইয়াৰ নিয়ম-কানুন নাজানে আনকি দৰ্খাষ্টও কৰিব নোৱাৰে। এই বিলাক লৰা-ছোৱালী যে যি খিনি বৃত্তি পাব লাগিছিল সেইখিনি চৰকাৰে দিয়া স্বত্তেও (তেওঁলোকে) নাপায়। এইখিনি যেন চৰকাৰে আন্তৰিকতা সহকাৰে বিবেচনা কৰে। এইক্ষেত্ৰত মই চৰকাৰৰ দৃষ্টি আকৰ্ষন কৰিলো। এই দৰ্খাষ্ট বিলাক যদি সময়মতে নাপায় এইবিলাক পাবৰকাৰনে যত্ন কৰা উচিত।

তাৰ পাচত, আমাৰ যি বিলাক Polytechnic আৰু Technical School আছে সেইবিলাকৰ বিষয়ে দুষাৰমান কথা কব খুজিছো। আজি এই স্কুল বিলাকত শিক্ষা লবৰ কাৰনে বহুত অসুবিধা আছে। কিন্তু এই স্কুলত শিক্ষা লবৰ কাৰনে মানুহৰো আগ্ৰহ আছে। কাৰণ ইয়াত শিক্ষা ললে নিয়োগ পোৱাৰ সুবিধা আছে। তথাপিতো ইয়াত ছাত্ৰৰ সংখ্যা কমি গৈছে। এই ছাত্ৰ সংখ্যা কমি যোৱাৰ কাৰনো আছে। কাৰন,

গৰীৱ শ্ৰেনীৰ লোকে ইয়াত যি ফিজ আদি দিবলাগে তাৰ কাৰনেই পঢ়িব নোৱাৰে। আজি পিচপৰা বা অনুসূচীত সম্প্ৰদায়ৰ ছাত্ৰৰ কাৰণে চৰকাৰৰ পৰা যি সুবিধা দিয়া হয় তাক সময়মতে পোৱা নহয়। আজি যদি চৰকাৰৰ পৰা সুবিধা খিনি ঠিকমতে পায় তেতিয়াহলে চৰকাৰে ছাত্ৰক স্কুল বিলাকত Seat ই দিব নোৱাৰিব। সেই কাৰণে মই চৰকাৰক অনুৰোধ কৰিছো যেন এই বিষয়ত চৰকাৰে চকু দিয়ে।

( সময়ৰ সংকেত )

মই মাত্ৰ বাননিয়ন্ত্ৰনৰ কথা কৈয়েই শেষ কৰিম। বাননিয়ন্ত্ৰনৰ কথা কোৱাৰ আগতে মই এটা কথা কব খুজিছো। আমাৰ ৰাজ্যপালডাঙৰীয়াই কৈছে যে, "ছাত্ৰ সকলৰ, যুৱকসকৰ মনোভাৱৰ অৱস্থা দেখি মোৰ চৰকাৰ অলপ চিন্তিত হৈছে।" মই দৃষ্টান্ত হিচাবে আমাৰ ডিব্ৰুগড়ৰ কথা উল্লেখ কৰিব খুজিছো। আজি ডিব্ৰুগড়ত এটা District Library নহল, এটা Stadium নহল। আজি ৰাইজে এইবিলাক কৰিছে, কিন্তু চৰকাৰৰ পৰা কোনো সাহায্য পোৱা নাই। আমাক এই প্ৰসঙ্গত যুৱক সকলে বাৰে বাৰে ধৰে। এইটোৰ প্ৰতি সহানুভূতি সহকাৰে চাব লাগে।

আমাৰ অসমত বাননিয়ন্ত্ৰনৰ কাৰণে ব্ৰহ্মপুত্ৰ কমিচন হৈছে। এই কথাত আমি ভাল পাইছো। এইক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে টকা পইচাৰ সহায় আগবঢ়াব। এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰ আমাৰ ধন্যবাদৰ পাত্ৰ। মই মোৰ সমষ্টিৰ কথাই নকও। মই ডিব্ৰুগড়ত দেখিছো যে, কেইবাখনো বাগিছাত আগৰ প্ৰস্তাৱ বাদদি নতুনকৈ Allignment কৰাৰ কাৰনে বাদ পৰি গৈছে। ইয়াত প্ৰায় ৫ হাজাৰ একৰ মাটিত চাহ খেতি আছে। কমিচনৰ ভিতৰত এই বাগান কেইখন নোসোমালে অসমৰ বহুত ক্ষতিসাধন হব। সেই কাৰনে এই কথাটোৰ প্ৰতি চেষ্ট হবলৈ মই বাননিয়ন্ত্ৰন বিভাগৰ মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো। এই খিনি কথা কবলৈ সময় দিয়াৰ কাৰণে উপাধ্যক্ষ ডাঙৰীয়াক ধন্যবাদ জনালো।

Shri Bhubaneswar B rman :— মাননীয় উপাধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণটো গতানুগতিক ভাৱে উত্থাপিত হৈছে আৰু তাত আমাৰ গৰীব জনসাধাৰণৰ কোনো কথাকে প্ৰতিফলিত হোৱা নাই। বিশেষকৈ আমাৰ শিক্ষা ক্ষেত্ৰত চৰকাৰৰ যি ব্যৰ্থতা আৰু চৰকাৰৰ যে স্পষ্ট কোনো নীতি নাই সেই কথা মই উল্লেখ কৰিব বিচাৰিছো। আজি ৰাজ্যপালৰ

ভাষণত প্ৰাথমিক শিক্ষাত অধিক গুৰুত্ব দিয়া বুলি কৈছে; কিন্তু এই কথাটো সত্য নহয়। আজি প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰতেই আমি আটাইতকৈ বেচি অৱহেলা দেখিছো। গাৱৰ যি সকল লৰাই প্ৰাথমিক স্কুলত পঢ়িছে সেই প্ৰাথমিক স্কুলৰ অৱস্থা যদি আমাৰ শাসনত অধিষ্ঠিত থকা দলৰ অন্ততঃ মন্ত্ৰী মহোদয় সকলেও দেখিলেহেতেঁন তেতিয়াহলে বুজিলেহেতেঁন; কি অৱস্থাত আজি ল'ৰা-ছোৱালী বিলাকে পঢ়িছে। আজি Town চহৰৰ স্কুলত পাংখা দিছে আৰু আৰামত গাড়ীৰে অহা যোৱা কৰে। তেওঁ-লোকে এই বিলাক অসুবিধা ভোগ কৰিব নালাগে। কিন্তু গাৱৰ ল'ৰা-ছোৱালীয়ে কি দুখ কষ্টত পঢ়িছে— আপোনালোকে অনুভৱ কৰিব নোৱাৰে।

আজি গাওঁ বিলাকত যিবিলাক স্কুল আছে, সেই বিলাকৰ জৰাজীৰ্ণ যিটো অৱস্থা, বহাৰ কাৰণে যিবোৰ অসুবিধা আৰু প্ৰায় শতকৰা ৯০ জন ল'ৰা-ছোৱালীয়ে মাটিত বহিব লাগে, ঘৰৰ পৰা ঢাবিনিব লাগে, বৰষুণ হলে জাপি নিব লাগে, ছাতি নিব লাগে আৰু কাষতে কিতাপ পত্ৰৰ ওপৰিও এখন বস্তা বাহিৰৰ কাৰণে লৈ যাব লাগে। গতিকে স্বাধীন দেশ এখনত এই অৱস্থাত ভাৰতবৰ্ষৰ নাগৰিক গঢ়াৰ যিটো দায়িত্ব সেইটো চৰকাৰৰ আছে। এই দায়িত্ব প্ৰাথমিক স্কুলতেই বেছি বুলি মই ভাবো আৰু এই ক্ষেত্ৰত যি বিলাক নীতি গ্ৰহণ কৰা হৈছে, সেই অনুপাতে গাৱঁৰ স্কুলবিলাক উন্নত কৰাৰ কাৰণে বা অসুবিধা বিলাক দূৰ কৰিবৰ কাৰণে চৰকাৰে বিশেষ ব্যৱস্থা হাতত লব লাগে। গতিকে ৰাজ্যপাল ডাঙৰীয়া এই ক্ষেত্ৰত যিটো কথা কৈছে সেইটো এটা আবণ্টন কথা আৰু এইটো কথা সত্য নহয়। আনহাতে অসমত কিমান ভেন্‌চাৰ প্ৰাইমাৰী স্কুল স্বীকৃতি নোপোৱাকৈ আছে। সেই বিলাক স্বীকৃতি দিয়াৰ কাৰণেচৰকৰৰা ফালৰ পৰা ব্যৱস্থা কৰা নাই।

উপাধ্যক্ষ মহোদয়, আপুনি নিশ্চয় জানে যে আমাৰ গাৱঁত থকা স্কুল বিলাকত এজন শিক্ষকেই তিনি চাৰিটা শ্ৰেণী পঢ়াব লাগে। 'ক' আৰু 'খ' শ্ৰেণীৰ সৰু ল'ৰা-ছোৱালী বিলাকৰ কাজিয়া পেচালতেই শিক্ষকজন বেচিভাগ ব্যস্ত থাকিব লাগে। ওপৰৰ শ্ৰেণীক শিক্ষা দিবৰ বাবে সময়ে নুকুলায়। মই কেইবাৰাবো বিধান সভাত দাবী কৰি আহিছো। অন্ততঃ

প্ৰাথমিক স্কুল বিলাকত অধিক শিক্ষক দিয়াৰ ব্যৱস্থা কৰিব লাগে আৰু প্ৰাথমিক স্কুলৰ শিক্ষাত বেছি গুৰুত্ব দিব লাগে। যদি চৰকাৰে প্ৰাথমিক স্তৰত গুৰুত্ব নিদি হাই স্কুলৰ ক্ষেত্ৰত গুৰুত্ব দিয়ে। তেনেহলে ওলোটা নীতিহে গ্ৰহণ কৰা হব। সেই কাৰণে প্ৰাথমিক স্কুলৰ ক্ষেত্ৰত বৈষম্য-মূলক ভাব দূৰ কৰি শিক্ষাৰ সম্প্ৰসাৰণৰ কাৰণে স্পিষ্টনীতি গ্ৰহণ কৰিব লাগে। আন হাতেদি শিক্ষক নিয়োগৰ ক্ষেত্ৰত কিমান যে বেমেজালি আছে সেই কথা কেইবাবাৰো আলোচনা কৰা হৈছে। এই ক্ষেত্ৰত ক্ষিপ্ৰ আৰু নীতিগত ব্যৱস্থা গ্ৰহণ নকৰাৰ ফলত খুউব খাম-খেয়ালী হৈ আছে। শিক্ষক নিয়োগৰ ক্ষেত্ৰত Teacher Training দি সেই Training পাচ কৰাৰ পিচত নিয়োগ কৰাৰ ব্যৱস্থা ললে। তাৰ পিচত বুনিয়াদী প্ৰশিক্ষণৰ ব্যৱস্থা কৰি, শিক্ষক নিয়োগৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিয়াৰ ব্যৱস্থা কৰিলে। এতিয়া অবশ্যে Teacher Training বন্ধ হৈছে। আমি দাবী কৰিছিলো যে Teacher Training পাচ কৰা শিক্ষক সকলক পোন প্ৰথমে সম্পূৰ্ণ নিয়োগকৰিব লাগে। এই নিয়োগ কৰাৰ পিচত এই Training বন্ধকৰিব লাগে। Basic Training লোৱা সকলক নিয়োগ কৰাৰ পিচত কি Training ৰ ব্যৱস্থা কৰে কৰক কিন্তু যি সকল ল'ৰাক চাকৰি দিম বুলি Teacher Training ললে সেই সকল ব্যৱস্থা প্ৰথমতে হব লাগে। আজি তেওঁলোকক চাকৰি দিমবুলি কোৱা নাই আৰু নিদিও বুলিও কোৱা নাই। তাৰ ফলত Regional Board বহুতো বেমাজালি হৈছে আৰু তেওঁলোক বহুতো অসুবিধাত পৰিছে। সেই কাৰণে প্ৰাথমিক স্কুলত T.T. পাচ কৰা শিক্ষক সকলক নিয়োগ কৰিবলৈ বাৰম্বাৰ দাবী কৰি আহিছো।

মেট্ৰিক পাচ কৰা লৰাক পোনপটীয়া ভাবে বুনিয়াদী প্ৰশিক্ষণ লবলৈ পঠাই চৰকাৰে আৰু এটা নতুন সমস্যা সৃষ্টি কৰাৰ কোনো প্ৰয়োজন নাই। যি সকল এল, পি স্কুলৰ শিক্ষক আছে তেওঁলোকক প্ৰথমতে Basic training দিয়াৰ ব্যৱস্থা কৰিব লাগে; কিন্তু চৰকাৰে এইটোত বিশেষ মনোযোগ দিয়া দেখা নাই। গতিকে এই বৈষম্যমূলক নীতি দূৰ কৰি এটা বিহিত ব্যৱস্থা লব লাগে। আনহাতে

শুনিছো যে গুৱাহাটীত এটা প্ৰাথমিক স্কুল আছে, অকল তাতেই ৬লাখ টকা খৰছা কৰিব পাৰে; কিন্তু গাওঁত থকা স্কুলবিলাকৰ কাৰনে ৬লাখ টকা খৰছ কৰিব নোৱাৰেনেকি ? সেই কাৰনে আমি কৈছো প্ৰত্যেক গাওঁতে ৩/৪ হেজাৰত বা দুই/এক হেজাৰকৈ দিলেও আমি স্কুল ঘৰ এটা বান্ধি দিব পাৰোঁ । গতিকে এই ব্যৱস্থা অতি সোনকালে হাতত লোৱা উচিত । অত তত ৫০০/৬০০ টকা বিলাই দি কোনো কাম নহয়, সেই বিলাক আনিবৰ কাৰণে অহা যোৱা কৰোতেই সেইখিনি টকা খৰচ হয়; ফলত ঘৰ বান্ধিবলৈ টকাই নোহোৱা হয়। সেই কাৰণে মই কৈছো—অসমত সকলো স্কুল পৰিকল্পিত ভাবে ৩/৪ বছৰৰ ভিতৰত অন্ততঃ পুবণি স্কুল বিলাক সম্পূৰ্ণ মেৰামতি কৰি লৰা-ছোৱালীৰ পঢ়াৰ কাৰণে সূচল কৰি দিব লাগে ।

উপাধ্যক্ষ মহোদয়, দ্বিতীয়তে মই মাধ্যমিক স্কুলৰ সম্বন্ধে কওঁ যে এই মাধ্যমিক স্কুল বোৰত Ad-hoc-grant দিয়াৰ ব্যৱস্থা নাই। তাৰ পৰিবৰ্তে কিছুমান Lumpsum দিয়ে । এই দৰে হলে আমাৰ শিক্ষা ব্যৱস্থা কেনেকৈ ভাল হব ? গতিকে শিক্ষাৰ ক্ষেত্ৰত যিখিনি টকা লাগে সেইখিনি অন্ততঃ মুকলি ভাবে খৰচ কৰিবলৈ দিব লাগে। তাকে নকৰি শিক্ষক সকলক দুৰাবস্থাত ৰাখি আৰু গাৱঁৰ মানুহ বিলাকৰ লৰা-ছোৱালী বিলাকক অচল অৱস্থাত ৰাখি চৰকাৰে ৰাইজক অন্যায় কৰিছে। আনহাতে স্কুল Board ৰ দ্বাৰা স্কুল বিলাক De-recognised কৰি আমাৰ শিক্ষক সকলৰ প্ৰতি অন্যায় কৰা হৈছে। গতিকে এই De-recognised পদ্ধতি উঠাই দিব লাগে ।

আজি চৰকাৰে যি বিলাক স্কুলক স্বীকৃতি দিছে সেই বিলাক স্কুলত হিন্দী শিক্ষকৰ নিযুক্তি দিব লাগে । হিন্দী শিক্ষক নিযুক্তি নিদিয়াৰ ফলত স্কুল বিলাকত বহুতো বেমেজালিৰ সৃষ্টি হৈছে। কাৰণ অন্য-বিষয়ৰ শিক্ষক নাথাকিলে বাকী শিক্ষক সকলেই শ্ৰেণী বিলাক পঢ়াই যাব পাৰে। কিন্তু হিন্দীৰ ক্ষেত্ৰত হিন্দী শিক্ষক এজন নাথাকিলে কোনেও হিন্দী পঢ়াব নোৱাৰে । গতিকে অচিৰে হিন্দী শিক্ষাৰো ব্যৱস্থা কৰিব লাগে।

তাৰ পাছত আমাৰ চৰকাৰৰ যিটো নীতি আছে সেইমতে ভাৰত চৰকাৰে হিন্দী শিক্ষাৰ ক্ষেত্ৰত যিমান টকা সিমান দিয়াৰ ব্যৱস্থা আছে কিন্তু আমাৰ অসম চৰকাৰে সেইখিনি টকা আনিবৰ কাৰনে কোনো ব্যৱস্থা কৰা নাই।

আমাৰ হাইস্কুল বিলাকত অষ্টম শ্ৰেণীলৈকে হিন্দী শিক্ষা বাধ্যতামূলক আৰু Higher Secondary ত দশম মানলৈকে বাধ্যতা মূলক। গতিকে বাধ্যতামূলক শিক্ষা দিবৰ কাৰণে নীতি গ্ৰহন কৰাটো প্ৰয়োজনীয়। Advisory কমীটিও এইবিষয়ে পৰামৰ্শ দিছিল আৰু মন্ত্ৰীৰ লগতো আলোচনা হৈছিল কিন্তু এতিয়ালৈকে কাৰ্য্যকৰী হোৱা নাই। গতিকে এই বৈষম্য অতি সোনকালে দূৰ নকৰালৈকে আমাৰ ৰাজ্যৰ শিক্ষানীতি কেতিয়াও উন্নত নহয়। গতিকে এই ক্ষেত্ৰত কাৰ্য্যকৰী ব্যৱস্থা লৈ কামত আগবাঢ়িব লাগে।

(সময়ৰ সঙ্কেত)

Mr. Speaker :— যিমান সময় আছে সেইখিনিৰ ভিতৰতে শেষ কৰিলে ভাল হয়।

Shri Bhubeneswar Barman :— আজি বান নিয়ন্ত্ৰণৰ ক্ষেত্ৰত চৰকাৰ আগবাঢ়িব পৰা নাই। আজি কেইদিন মানৰ আগতে মই কৈছিলো যে, চৰকাৰে বানপানী বিচাৰে। বিপদ অহাটো চৰকাৰে কামনা কৰে।মন্ত্ৰী-সকলে বিপদৰ সময়ত ৰাইজক শান্তনা দি হাত কৰি লোৱাৰ উপায় উলিয়ায়। আজি বাননিয়ন্ত্ৰণৰ ক্ষেত্ৰত ক্ষিপ্ৰভাৱে কোনো কাম কৰা দেখা নাই। মোৰ সমষ্টিৰ মাৰৈ পাগলা দিয়াৰ পূৰণি গতি এৰি নতুন গতি কৰি ১০।১২ খন গাৱঁৰ মাজেৰে বৈ গৈছে। এই নদী মুখ্যমন্ত্ৰী ডাঙৰীয়াই নিজে চাই আহিছে। ব্ৰহ্মপুত্ৰ কমিচনৰ কুমৰাক আমদানী কৰি অনা হৈছে তেওঁ পৰিদৰ্শন কৰি আহিছে কিন্তু বান নিয়ন্ত্ৰণৰ কোনো ব্যৱস্থাই চৰকাৰে কৰা নাই। ৰাইজৰ ফালৰ পৰা হাজাৰ হাজাৰ মানুহ আহি কাম কৰিছে কটন কলেজৰ লৰা গৈও কাম কৰিছে কিন্তু ৰাইজৰ সকলো চেষ্টা বিফল হৈছে। চৰকাৰে আজি নদী নিয়ন্ত্ৰন কৰিব পৰা নাই কাৰণেই ১০।১২ খন গাওঁ, ২।৩ টা মৌজা নতুন বিপদৰ সন্মুখীনহৈছে। ইয়াক

বোধ কৰিবৰ ক্ষমতা চৰকাৰৰ নাই। পাগলাদিয়াব দিখিং গৈ কালাদিয়াত পৰিছে ইয়াৰ ফলত সেই অঞ্চলতো বানপানী আৰু গড়াখহনীয়া আৰম্ভ হৈছে। মুখ্যমন্ত্ৰী আৰু E & D বিভাগে এই নদী নিয়ন্ত্ৰণ কৰিবৰ কাৰণে আঁচনি গ্ৰহণ কৰাৰ আশ্বাস দিয়াৰ পিছত এটা অনুসন্ধান চলি আছে কিন্তু আজি ৩ বছৰে একো হোৱা নাই। ব্ৰহ্মপুত্ৰ আয়োগ গঠন কৰি বান পানী নিয়ন্ত্ৰনৰ আশা দেখুৱাই অসমৰ জনসাধাৰণৰ মাজত ভ্ৰান্তি ধাৰনাৰ সৃষ্টি কৰিছে। ইয়াৰোপৰি ব্ৰহ্মপুত্ৰ আয়োগত মানুহ নিয়োগ কৰা হৈছে কিন্তু কাম হোৱা নাই, অফিচত কাম নাই। তাত কৰ্মচাৰিয়ে এনেয়ে বহি থাকিব লগা হৈছে।

চৰকাৰে আঁচনি সমূহ যদি কাৰ্য্যকৰী নকৰে তেন্তে অহা বছৰ আৰু বিপদৰ সন্মুখীন হব লাগিব। ইয়াকে কৈ মই মোৰ বক্তৃব্যৰ সামৰণি মাৰিলো।

**Shri Kechoram Hazarika** :— উপাধক্ষ্য মহোদয় মই এটা কথাৰ প্ৰতিদৃষ্টি আকৰ্ষণ কৰিলো। ৰাজ্যপালৰ ভাষণৰ ওপৰত বক্তৃতা দিয়াৰ অধিকাৰ সকলো সদস্যৰে সমান হব লাগে। মোৰ নাম কালিয়েই দিয়া আছিল কিন্তু যোৱা কালি কবলৈ সুযোগ নাপালো আজি যাতে সুযোগ দিয়ে আৰু আমাৰ সকলো সদস্যকে সমানে সুযোগ আৰু সুবিধা দিয়ে তাৰ বাবে অনুৰোধ কৰিলো।

**Mr. Dy. Speaker** :— সময়ৰ কথা মই কম। কালি Congress Bench ৪½ঘন্টাৰ সময়ৰ ভিতৰত লিলি সেনগুপ্তাই মাত্ৰ ১৫ মিনিত সময় কৈছে আমাৰ চৌধুৰী ডাঙৰীয়াৰ পাৰ্ত্তিৰ বাবে সময় আছিল ১½ ঘন্টা আপোনালোকৰ ১২ মিনিত সময় দিয়া হৈছে আজিও আপোনালোকক বহুত সময় দিয়া হৈছে কিন্তু তেখেত সকলক মাত্ৰ ১ঘন্টা সময়হে দিয়া হৈছে। কিন্তু আপোনালোকৰ ১২মিনিট কৰি সময় দিয়া হৈছে।

**Shri Upendra Nath Sanatan** :— মাননীয় উপাধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণ পঢ়িলো। ইয়াত দেখিলো যে সকলো কথা চমুকৈ কোৱা হৈছে। গতিকে পাব লাগে। কিয়নো আমাৰ দেশৰ বহুতো ঠাইত

শিল্প গঢ়ি উঠিব। যেনে— কাগজৰ কল, বঙাইগাৱত শোধনাগাৰ, কাচাৰত চেনি কল আদি স্থাপন কৰিবলৈ আচনি লৈছে। সেই দৰে আমাৰ দেশত যি নিবনুৱা সমস্যা তীব্ৰ গতিৰে বাঢ়ি আহিছে তাৰ সমাধাৰ ব্যৱস্থা কৰিব লাগে। অৱশ্য এই বিষয়ে তেখেতে ভাষণত কৈছে। ইয়াৰোপৰি শিক্ষিত বনুৱাৰ কথাও উল্লেখ কৰিছে তেওঁলোকৰ সমস্যা সামাধান কৰিব লাগিব। দেশত শিক্ষিত বনুৱা যিমান আছে অজি অশিক্ষিত বনুৱা সিমান আছে। ইয়াৰোপৰি আমাৰ গাওঁজঞ্চলত বাগানবিলাকত বহুত নিবনুৱা আছে। সেইবিলাকৰ কথাও ৰাজ্যপালৰ ভাষনত উল্লেখ নাই। তাৰপাছত আমাৰ ৰাজ্যৰ বিজুলি সম্পৰ্কত আৰু জলসিঞ্চনৰ সম্পৰ্কে তেখেতে কৈছে। বিজুলিৰ পোহৰ আমি পাইছো কিন্তু জলসিঞ্চন আমি দেখা নাই। তেখেতে কৈছে কৃষিৰ উন্নতি হব লাগে, জলসিঞ্চন হব লাগে খাদ্য সামগ্ৰী বেচিকৈ উৎপাদন কৰিব লাগে এই বিষয়ে যিমান হিচাৱ আদি কৰি কাগজে পত্ৰই প্ৰকাশ কৰিছে সেই অনুপাতে হাতে কামে কামত লাগিব পৰা নাই। চৰকাৰে যিবিলাম কামৰ আঁচনি কৰে সেইবিলাক কাৰ্য্যত পৰিণত কৰিব লাগে আৰু ৰাইজে তাৰ ফল ভোগ কৰিব লাগে। আজি আমাৰ প্ৰধান মন্ত্ৰী শ্ৰীমতী ইন্দিৰাগান্ধীয়ে কৈছে যে "গৰীৱি হতাওঁ, গৰীৱি হতাওঁ" গৰীৱি হতাৱৰ কাৰণ আমাৰ চৰকাৰে আৱশ্যকীয় ব্যৱস্থা লৈছে আৰু এই আচনি দাঙি ধৰী কৰিবলৈ চৰকাৰৰ বিষয়া সকলে আন্তৰিকতাৰে কাম কৰিব লাগে। চিলিং ACT কৰিছে মাটিৰ সীমা নিৰ্ধাৰণ কৰি দিছে। আনহতে আজি আমাৰ বহুত মানুহে আধি খাই আছে। চৰকাৰে এইটো কৰিম, সেইটো কৰিম এই বুলি কৈ থাকিলে কোনো সমস্যাৰ সমাধান নহয়। ই মাত্ৰ পুথিগত বিদ্যাৰ নিচিনাহে হব। গতিকে চৰকাৰে যেনে ভাৱে আঁচনি যাতে বাস্তৱত পৰিনত কৰিব পাৰে তাৰ ব্যৱস্থাও কৰিব লাগে।

আৰু কিছুমান কথা আছে চৰকাৰৰ ফালৰ পৰা সমবায় Co-operativeৰ কথা কৈছে যাতে গৰীৱ আৰু মধ্যাবিত্ত শ্ৰেণীৰ মানুহে এই বিলাক লব পাৰে কিন্তু এতিয়া দেখা গৈছে cooperative বিলাক বন্ধ কৰা হৈছে আৰু তাৰ ঠাইত ডাঙৰ ডাঙৰ জমীদাৰৰ নিচিনা ধনী শ্ৰেণীৰ মানুহে

চপাই আছে। সেই কাৰনে আমি চৰকাৰক পৰামৰ্শ দিও যে এই বিলাক কথা বিবেচনা কৰিব লাগে। খাদ্যৰ বিষয়ে বহুত সদস্যই কৈছে গতিকে মই এই বিষয়ে বেচি নকৈ শিক্ষাৰ বিষয়ে হে কও। M E পৰ্যন্ত Free হব লাগে বুলি চৰকাৰে নীতি গ্ৰহণ কৰিছে কিন্তু ইয়াকো বহুত দুখীয়া মানুহে কিতাপ কিনিব নোৱাৰাত স্কুল এৰিব লগা হৈছে PWD ৰ বহুত টকাৰ শিল পেলাই থৈছে কিন্তু বাটত শিল দিয়া নাই মাতিয়ো পেলোৱা নাই। আজি চৰকাৰে বহুত টকা খৰচ কৰি পাহাৰৰ ওপত Medical College পাতিছে চহৰৰ মানুহৰ কাৰনে কিন্তু গাৱলীয়া মানুহৰ কাৰনে Hospital পতাও নাই। সেই কাৰণে আমাৰ দুখীয়া মানুহ বিলাকৰ স্বাস্থ্য, শিক্ষা, উৎপাদন যোগাযোগ আমি চাব লাগিব। আগতে গাৱত ৰাস্তা নাছিল, শিক্ষা নাছিল ডাক্তৰ আদি নাছিল। আগতে মানুহে গছৰ শিপাৰ পৰা দৰব কৰি খাইছিল কিন্তু আজিকালি সেই গছো নাই মানুহো নাই। কিন্তু আজি কালি পেট বিখালে, মাঠা বিখালে মানুহক ডাক্তৰ লাগে কিন্তু গাৱত যদি Hospital, Dispensary নাথাকে তেনেহলে মানুহে কৰ পৰা দৰব পাব সেই কাৰণে আমাৰ যিটো পিছপৰা শ্ৰেণীৰ লোক তেওঁলোকৰ উপকাৰ কৰিবলৈ চিন্তা কৰিব লাগে। ৰাইজে আমাৰ কংগ্ৰেছক কিয় বিশ্বাস কৰে? এইবাৰৰ মধ্যকালীন নিৰ্ব্বাচনত মানুহে কাক সমৰ্থন কৰিলে? গতিকে চৰকাৰে কাম কৰা নাই সেইটো নহয়, আঁচনি লৈছে, টকা দিছে, সকলো কাম কৰিছে কিন্তু কাৰ্য্যকৰী কৰাতহে আসোৱাহ দেখা যায়। এতিয়া শাসক চৰকাৰ যিটো হৈছে সেই চৰকাৰে মানুহৰ কাৰণে ভাল কাম কৰিছে বুলি মানুহে বুজিছে সেইকাৰণেই জনসাধৰণে মুক্তকণ্ঠে কংগ্ৰেছক সমৰ্থন কৰিছে।

ভাৰতবৰ্ষ স্বাধীন হোৱাৰে পৰা যে কাম হোৱা নাই সেইটো নহয় কিন্তু যিবিলাক ঠাইত অভিযোগ কোনো হব লাগিছিল সেইটো হোৱা নাই। সেইকাৰণে এই বিলাক অনুৰোধ কৰিছো যে দুখীয়া মানুহ সকলৰ কাৰণে যিবিলাক কাম কৰিব লাগে সেই বিলাক যাতে অতি সোনকালে কৰা হয়। কিন্তু শাসক কংগ্ৰেছে জনসাধৰণৰ কাম কৰা কাৰণেই ৰাইজে এই পাৰটি ক সমৰ্থন কৰিছে। অধ্যক্ষ মহোদয় মোক অলপ সময় দিয়ক মই

Transport' বাচৰ কথা কৰখোজো ।

( Voice : Transport কথা কি কৱ এতিয়া Strike হৈছে )

Strike টো হবই, তেওঁলোকে অন্যায় কৰিবলৈ যোৱা নাই বস্তু-বাহানীৰ অন্যায় কৰিবলৈ যোৱা নাই শিলগুটি দলিয়া নাই, তেওঁলোকে আইন সঙ্গত ভাৱে আন্দোলন কৰিছে। কিন্তু বাছ বিলাকৰ যি অৱস্থা কোনো কোনো ঠাইত যতে ততে খাৰা কৰিব লগিয়া হলেও নকৰে। Express যি খন বাছ ডিব্ৰুগড়লৈ যায় সেই বাছ কাজিৰঙ্গাতে হে বয়. তাতো Bathroom সুবিধা নথকাৰ কাৰণে মহিলাসকলো পথাৰলৈ যাব লগা হয় আৰু যিবিলাক বাছ বোৱা ঠাইত Bath Room আছে। সেই বিলাক কেতিয়াও ব্যৱহাৰ কৰিব নোৱাৰো। চৰকাৰে সকলো বস্তু-য়েই দিছে কিন্তু কাৰ্যকৰী হোৱা নাই । গতিকে এই বিলাক কথা মই চৰকাৰক চাবলৈ অনুৰোধ জনালো ।

Shri A. N. Akram Hussain :— উপাধ্যক্ষ মহোদয়, ৰাজ্য পালৰ ভাষণত অসমৰ ৰাজধানী স্থানান্তৰৰ কোনো উল্লেখ নথকাত, লাখ লাখ অসমীয়া নিৱনুৱা যুবকৰ কৰ্ম্ম সংস্থানৰ কোনো পৰিকল্পনা নথকাত প্ৰগতি-শীল সমৃদ্ধশালী অসম গঢ়াৰ কোনো ব্যৱস্থা নথকাত, ছাহ বাগিছা সমূহ ৰাষ্ট্ৰিয় কৰণ কৰাৰ কোনো উল্লেখ নথকাত অসম বাসী ৰাইজ হতাশ হৈ পৰিছে। আজি কংগ্ৰেছ দলৰ পৰা বহুতেই সমাজ বাদৰ কথা কৈছে প্ৰধাম মন্ত্ৰী ইন্দিৰা গান্ধীয়েও কৈছে কিন্তু ৰাজ্যপালৰ ভাষণত তেনে কোনো সমাজ বাদৰ উল্লেখ নাই। ই পুঁজিবাদৰ এখণ প্ৰচাৰ পত্ৰ। গতিকে মই চৰকাৰক উনুকিয়াই দিওঁ যে সময় থাকোতে ইয়াৰ এটি ব্যৱস্থা কৰক, নহলে অসমৰ ৰাইজ ক্ষমা নকৰিব ।

উপাধ্যক্ষ মহোদয়, মই এতিয়া নগা সীমান্তৰ কথা কওঁ। নগা উশৃঙ্খলকাৰী সকলে আমাৰ ৰাজ্যত অনুপ্ৰবেশ কৰি দিনক দিনে অসমক গ্ৰাস কৰিব খুজিছে। কিন্তু এই ক্ষেত্ৰত আমাৰ চৰকাৰে নাকত তেল দি শুই আছে। আমাৰ চৰকাৰৰ উদাসীনতা দেখি আমাৰ অসমীয়া ৰাইজ আতঙ্কিত হৈ উঠিছে। নাগাল্যাণ্ড বিধান সভা উদ্বোধন কৰি ৰাজ্য পালে যি ভাষণ সদনত দাঙি ধৰিছিল সেই ভাষণৰ উপৰত নগাল্যাণ্ডৰ মূখ্যমন্ত্ৰীয়ে

কৈছে যে ১৯২৫ চনত অসম আৰু নগাল্যাণ্ডৰ মাজত যি সীমা নিদ্ধাৰণ কৰা হৈছে সেই সীমা তেওঁলোকে কেতিয়াও মানি লব নোৱাৰে আৰু অসম নগাল্যাণ্ডৰ মাজত নতুনকৈ সীমা নিৰ্দ্ধাৰণ কৰিব লাগিব। নগাল্যাণ্ডৰ এনেকুৱা দৃষ্টিভঙ্গী দেখি আমাৰ হোজা ৰাইজ আতংকিত হৈ উঠিছে গতিকে চৰকাৰক অনুৰোধ কৰেঁ। যেন অতি সোনকালে সময় থাকোঁতে ইয়াৰ এটা দৃঢ়ব্যৱস্থা গ্ৰহণ কৰি নগাল্যাণ্ডৰ বেদখল থকা অসমৰ ভূ-খণ্ড মুক্ত কৰক।

(সময়ৰ সংকেত)

উপাধ্যক্ষ মহোদয়, আজি সকলোৱে জানে যে অসমত লাখে লাখে অসমীয়া যুৱক নিবনুৱা হৈ বাটে-ঘাটে অফিচৰ দুৱাৰে দুৱাৰে ঘুৰি ফুৰিব ধৰিছে অথচ সেই সকলৰ কাৰণে অসম চৰকাৰে কোনো কৰ্ণপাত কৰা নাই। আজি অসমত শিল্প উদ্যোগৰ নামত বহিৰাগতই আহি অসমত ঔপনিবেশৰ সৃষ্টি কৰিছে। গতিকে মই অসম চৰকাৰক দাবী জনাওঁ যে শতকৰা ৯০ ভাগ থলুৱা লোকে অসমৰ শিল্প উদ্যোগৰ আৰু চৰকাৰী কাৰ্য্যালয়ত সংস্থান পাব লাগিব। যদি তেনেকুৱা নহয় তেন্তে সেই উদ্যোগৰ Pirmit Cancel কৰি দিব লাগিব। আমৰ মাননীয় সদস্য দুলাল বৰুৱাই কোৱাৰ দৰে শিল্পোদ্যোগ বিলাক ৰাষ্ট্ৰীয়কৰণ কৰিব লাগে।

(সময়ৰ সংকেত)

নিবনুৱা সকলৰ কৰ্মসংস্থানৰ ক্ষেত্ৰত মই পৰামৰ্শ আগবঢ়াওঁ যে আমাৰ যি বিলাক গড়কপ্তানি বিভাগৰ ঠিকা আদি আছে স্থানীয় নিবনুৱা সকলক দিয়াৰ ব্যৱস্থা কৰিব লাগে। দৰকাৰ অনুযায়ী তেওঁলোকক চৰকাৰে ঋণ দিয়ায় ব্যৱস্থা কৰি দিব লাগে। ঠিক তেনেকৈয়ে E & D বিভাগতো সেই পন্থা অবলম্বন কৰিব লাগে।

(সময়ৰ সংকেত)

এই খিনিকে কৈ মোৰ বক্তব্য সামৰনি মাৰিলোঁ।

*Shrimati Pusplata Das :— উপাধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষনৰ ওপৰত বিতৰ্ক আগবঢ়াই বহুতো মাননীয় সদস্যই বহুতো কথাই চুই গৈছে ; সময়ৰ নাটনিত মই মাত্র তিনিটা বিষয়ৰ ওপৰত মন্তব্য দিম। গতিকে সময় হলে আপুনি সাবধান কৰি দিব।

আঞ্চলিক বৈষম্য। নিবনুৱা সমস্যা আৰু উৎপাদন সমস্যা এই তিনিটা বিষয়ৰ আলোচনাত মই অংশগ্রহণ কৰিব খুজিছোঁ। আঞ্চলিক অসমতাৰ কথা কবলৈ যাওঁতে মই হয়তো ভাৰতৰ বাহিৰলৈকো যাব পাৰোঁ তাৰ কাৰণে যেন মোক ক্ষমা কৰে। আঞ্চলিক অগ্ৰগতিৰ লগত শোষনৰ কথাটো সদায় জড়িত হৈ আছে। ভাৰতৰ পূব তথা এচিয়াৰ পূৱঅংশও বা-মাৰলি অহাৰ আগতে বহুতো কাৰণত ইতিমধ্যে আমাৰ ইয়াত বা-মাৰলিৰ সৃষ্টি হ'ল। প্রকৃতিয়ে সাধৰণতে বা-মাৰলি আৰম্ভ কৰে বহাগৰ পৰাহে। কিন্তু আমাৰ ইয়াত বহাগ অহাৰ আগতে বা-মাৰলি আৰম্ভ হ'ল॥ অর্থাৎ "Symbol of euqer or Prosebytisation" আজি আমাৰ ভাৰতবৰ্ষত যি ধৰনে আঞ্চলিক অসমতাই গা কৰি উঠিছে যি Super man বা Super women য়েই হওক শান্ত প্রকৃতিৰে সমস্যা সমাধান কৰিব বিচাৰিলেও সিমান সহজে নহয়। এই কথাটো চিন্তা কৰোঁতে মোৰ এটা কথাই মনলৈ আহে সেইটো হ'ল নৌচেৰ আলীৰ কথা। আমাৰ বিত্ত মন্ত্রীক হে আজি সাক্ষী দিব পাৰোঁ কিয়নো হৰেশ্বৰ গোস্বামী আজি আৰু আমাৰ মাজত নাই। তেতিয়া পূব পাকিস্থানৰ পৰা Demand কৰা হৈছিল কিয়নো তেওঁলোকক শোষন কৰা কাৰণেই এই Demand তুলিছিল। তেতিয়া বাংলা দেশত আছিল ফজলুল হক, আমাৰ ইয়াত আছিল ছাদুল্লা চাহাব। তেওঁলোকে Devide & Rule Policy ক বাংলা দেশ বিভাগ কৰিছিল। গতিকে আঞ্চলিক বৈষম্যতা ইয়াতো প্রকটমান।

যি কোনো সমাজবাদ লাহোৰতেই হওক বা বাৰ্লিন বা অন্য কোনো ঠাইতেই হওক শোষণ হলে নহব। অসমৰ আঞ্চলিক বৈষম্যৰ কথা কবলৈ গলে দেখা যায় বনিক্যই কথা কবলৈ উঠিলেই লগৰ আনবিলাকে জোকায়। আগতে সিফালে থকা বাবেই হবলা লগৰ বিলাকে জোকাই ভাল পায়।

* Speech not corrected.

কিন্তু আঞ্চলিক বৈষম্যৰ কথা কৈ বনিজ্যই যি Raw Matterials ৰ কথা কৈছে সেই ক্ষেত্ৰত মই সুধিছিলোঁ যে বনিক্য আপোনালোকৰ তাত কুঁহিয়াৰ হয় জানো তেখেতে কলে যে হয়।

আজি Tea Industry জাতীয়কৰণ কৰিলে মোৰ কোনো আপত্তি নাই। বৰাদেৱে Refreshment কৰি আহিব কৈছে। যদিও মোহনদাস কৰমচাঁদ গান্ধীকে শেষ কৰি সকলো বিলাক Memory Refresh কৰি আহিছোঁ।

আজি Industry বিলাকে Huge profit দিব নোৱাৰে কথা নাই কিন্তু অৱস্থা এনেকুৱা কিয় হয় বাৰু? যন্ত্ৰত প্ৰাণ থাকিব লাগিব। সেই কাৰণে Petrochemical Complex তৈয়াৰ হবলৈও আঞ্চলিক বৈষম্য দূৰ কৰিব লাগিব। Raw Metarials লাগিব। সেয়েহে জাপানী Expert এ কৈছে—Assam can be made the queen in the whole world in silk Industry. কিন্তু মুগা-পাতৰ ওপৰত জাপানেও Failer হৈছে। আচলতে কাম নজনা নহয়। কিন্তু বস্তুবিলাক বাহিৰৰ পৰা আনিলে নিবনুৱা সমস্যা সমাধান হব নোৱাৰে। M. A. পাচ কৰি Training পাচ কৰি Loan নাপাই বহি থাকিব লগীয়া হৈছে। চহৰ অঞ্চলত দুই এঠাইত পালেও গাওঁৰ ফালে এই সাহয্য Loan সীমিত দিয়েই আছে। এইকথা বিত্তমন্ত্ৰী মহোদয়েও জানে। মোৰ সমষ্টিতে বহুতে Msc পাচ কৰি খেতি কৰিবলৈ ওলাইছে। কিন্তু এতিয়া State Bank ৰ পৰা সাহায্য পাব বুলি এজনে সিদিনাখন মোক কলে।

আজি আমাৰ অৱস্থাও কলিকতাৰ নিচিনাই হৈছে। France তো সেই একেই অৱস্থা State Government নহয় কাৰণে "দি গলিক" আকোঁৱালী ললে। ভাৰতেও সেইবিলাকে বিচাৰিছে। বিশেষকৈ এচিয়াৰ আকাশত এক কলা ডাৱৰ আগবাঢ়ি আহিছে। মধ্য প্ৰাচ্যলৈ চালেও দেখা যায় North koria, South koria আদি দেশত ভাষা, ধৰ্ম একে হলেও যুঁজ লাগে। কিন্তু কিয় যুঁজ লাগে? নেদেখা হাতৰ কাৰ্যই এই যুঁজ লগায় দিয়ে। এই বিষয়ত মোৰ নিজা মত মই প্ৰকাশ কৰিব নোখোঁজো। শুদ্ধ প্ৰমানিত হলে বুজি লম ভবিষ্যতলৈ।

আজি কংগ্ৰেছ পৰ্টিয়েই হওক বা অন্য পাৰ্টিয়েই হওক যদি এখন ভাল আঁচনি দাঙি ধৰিলেহেতেন তেন্তে স্বীকাৰ কৰিলোঁহেতেন। জনতাৰ— True economics never militate against the highest ethical standard, just as all true ethics to be worth its name must at the same time be also good economics. An economics that inculcate Mammon worship, an enables the strong to amass wealth at the expense of the weak, is a false and dismal science"

মই দৰমহা আয়োগলৈ আহিব খুজিছো। আজি বিষয়াসকলৰ দৰমহা বাঢ়িব, মই তেখেতসকলৰ ভাগহিচাবে ভাল পাওঁ। এই আয়ৰ কথা যিদিনা Statistics ৰ এজনে কলে যে Firme সলনি হৈছে। আমাৰ জাতীয় আয় হ'ল ৫৪২.৩ আৰু ভাৰতৰ হ'ল ৩২১.৪। আমাৰ কেনেকৈ বেচি হ'ল। মোৰ ক্ষমতা থকা হলে সকলোকে লাখপতি কৰি দিলোহেতেন আজি কেন্দ্ৰীয় চৰকাৰী চাকৰীয়াল M.P, M.L.A সকলোৰে দৰমহা বাঢ়িছে। Minister সকলৰ কথা অৱশ্যে আগৰ দৰে আছে।

( সময়ৰ সংকেত )

কল্যানৰ হকে অনা আঁচনি সকলোৱে স্বীকাৰ কৰিব। বৰাদেৱে কৈছিল Scientific socialism ৰ কথা। যি বিলাক Economics ৰ ছাত্ৰ তেওঁ- Refresh কৰিব লাগে। ডক্তৰেট ডিগ্ৰী পোৱা ভূতপূৰ্ব্ব শিক্ষা মন্ত্ৰীয়ে Western socialisim ৰ ওপৰত বক্তৃতাও দিছিল। মই বৰাদেৱ নাথাকিলেও কথাটো পঢ়ি শুনাওঁ। মানুহৰ ব্যক্তিত্বক বিকাশ নকৰি মানুহৰ মৰ্য্যদা যদি দিয়ে তেখেত হল মোহন দাস কৰমচাঁদ গান্ধী। তেখেতৰ উত্তৰটো Most scientific আমি opperation কংগ্ৰেছ সকলোৱে পাহৰিছো কিন্তু শ্বেখ মুজিবুৰে দেখুৱাইছে। মই পঢ়ি দিছোঁ :—

মই এইটো কব খুজিছো যে উৎপাদন নেবাঢ়িলে অকল দৰমহা বাঢ়িলেই সমস্যাৰ সমাধান নহয়। উৎপাদন বঢ়াবৰ কাৰনে কৃষিত জোৰ দিব লাগিব। দিল্লীত বা শ্বিলঙত Planning commission এ কেৱল এটা

Project ৰ scheme ডাঙি ধৰিলেই আমাৰ উৎপাদন নেবাঢ়ে। যি প্ৰকৃততে খেতি কৰিব তেওঁলোকে তাৰ প্ৰেৰণা পাব লাগিব। উদাহৰণ স্বৰূপে— চটাই নৈ বন্ধা আচনিৰ বিষয়ে ৰাইজেও বহুবাৰ কলে। ডেকা ইঞ্জিনিয়াৰ এজন আহিছে তেওঁৰ বোলে superiority Complex আছে। superiority Complex য়েই নে inferiority complex য়েই, যিয়েই নহওক বিলাতৰ পৰা অহাৰ কাৰণে superiority complex comming out of inferiority complex য়েই থাকিব পাৰে। যিয়েই নহওক complexity of mind থাকিলেই suffer কৰিব লগিবই। তেওঁক বোলে irrigation ৰ কথা শিকাব নেলাগে। কিন্তু এতিয়া চাব লাগিব তেওঁৰ superiority complex থকাৰ কাৰণে আজি তাৰ ৰাইজৰ কি অৱস্থা হৈছে। পৃথিৱীৰ ভিতৰতে এজন বিখ্যাত নদী বৈজ্ঞানিক Dr. K.L Rao য়ে কোৱা কথা এষাৰ এই বিশ্বত প্ৰণিধান যোগ্য

যিয়েই নহওঁক যিবিলাক আচনি কৰা যায় তাৰ দ্বৰা জনসাধাৰন খেতিক ৰাইজ যেন of "Macline প্ৰাণ" হৈ উঠে, machine বিলাক যাতে এনেয়ে পৰি নাথাকে তাৰ সদব্যৱহাৰৰ কাৰণে খেতিয়ক ৰাইজৰ হাতত উঠে।

( স্বৰ :— শ্ৰীমতী দাসৰ লগত আমিয়ো একমত )

চৰকাৰে আচনি কৰিয়েই ওপৰৰ পৰা M.L.A, M.P মন্ত্ৰী আদি ডাঙৰ ডাঙৰ অফিচাৰ পঠাবেই ভূমি সমস্যা সমধান কৰিব নোৱাৰে। আচনি আহিব লাগিব ওপৰৰ পৰা তলৰ জনসাধাৰণ খেতিক ৰাইজৰ মাজলৈ। গাৱৰ land সুবিধা অসুবিধাৰ হিচাব লৈ ওপৰত আচনি নিৰ্ম্মিত হব লাগে। এইটো কৰোতে যাতে সংবিধান সন্মত জনসাধাৰণৰ fundametal Right ৰ মান ক্ষুন্ন নহয় নলৈও চকু ৰাখিব লাগিব। এতিয়া ২/৩ গৰিষ্ঠতা লাভ কৰিলেই যেতিয়া যাকে পাই তাকে কৰিব পাৰিব। গতিকে এইটোও চাব লাগিব যে খেতিয়ক ৰাইজৰ কিনা-বেচা right অথুন্ন থাকে। ৰাইজৰ কিন-বেচা প্ৰান যাতে বজাৰ মুখী হয় তালৈ চকু ৰাখিব লাগিব। এতিয়া National income শতকৰা ৩ ভাগলৈ বৃদ্ধি পাইছে। কিন্তু লগে লগে জনসংখ্যাও ক্ৰমবৰ্দ্ধমান গতিত আছে। জনসংখ্যা বাঢ়িলেও আৰ্থিক

অসমতা দূৰ কৰিব পাৰি। এইটো concenration of wealth ৰ ওপৰত নিৰ্ভৰ কৰি production ৰ হিচাব কোৱা নাই। কথা হৈছে National income বাঢ়িছে যদিও অন্যহাতেদি এটা দলে দুবেলা দুমুথিৰ পৰা বঞ্চিত হবলগা হৈছে কিয়। শ্ৰম কৰিও কিয় need baxed minimum খিনিও পোৱানাই? এনে ক্ষেত্ৰত ইচ্ছাকৰিলেই সমাজতান্ত্ৰিক সমাজ ব্যৱস্থাৰ সৃষ্ঠি হব নোৱাৰে সেই কাৰণেই concentration of wetlh কমাবৰ কাৰণে সমাজক দায়িত্ব দিব লাগে যাতে তলৰ ফালৰ পৰা আচনিখন গঢ় লয় ওপৰৰ পৰা নহয়।

অন্য হাতেদি শিক্ষত নিবনুৱাৰ অৱস্থানৰ ক্ষেত্ৰত capital ৰ কথালৈ আঙুলিয়াও। সিদিনা মোৰ ওচৰলৈ কেইজনমান নিবনুৱা Engineer অহিছিল Capital নাই। গতিকে Industry খুলে কেনেকৈ? যদি ভবিষ্যতে চৰকাৰে নতুন medical college খোলে, Engineering college খোলে Technical college খোলে তেতিয়াহলে চৰকাৰে এনেদৰে plan বোৰ কৰিব লাগিব যাতে তাৰ পৰা qualified হৈ ওলাই অহা লৰাহে চাকৰি পাবই বা স্বাৱলম্বী হব পাৰে। এইয়া হ'ল তেওঁলোকৰ পৰামৰ্শ। কিন্তু বিহাৰ, পঞ্জাৱ, মাদ্ৰাজ আদিৰ পৰা অহা লৰাই যদি অলপ দিনৰ ভিতৰতে লাখপতি, কৌটিপতি হব পাৰে তেন্তে আমাৰ লৰাই কিয় নোৱাৰে। গাৱৰ বিধবালোক সকলে পা পইচা খুজিবলৈ আহে। তেওঁ লোকেওটো কিছুমান কাম কৰি ৫/১০ টকা income কৰিব পাৰে। এজনী মাইকী আহিছিল। তাই ঢেকীত ধান বনাৰ পিছত ১১ টা টকা দিয়াৰ পিছত তিনিবছৰলৈকে অহা নাছিল। তাৰ পিছত গম পোৱা গ'ল যে তাই সেই টকা কেইটাকে Capital হিচাব কৰি মুৰিৰ ব্যৱসাই কৰি তাৰে সৈতেই মাগিবলগীয়া নোহোৱাকৈ পেট প্ৰৱৰ্তাই আছে এনেকৈয়েটো Capital উলিয়াইছে। সেইকাৰণেই আমাৰ গাৱলীয়া কুটিৰ শিল্পৰ প্ৰতি stress দিও capital নোহোৱাকৈ সংস্থাপন পাব পাৰি।

Shri Ramesh Mohan Kuli :— উপাধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত হোৱা বিতৰ্কত অংশ গ্ৰহণ কৰি মই দুটামান কথা কবলৈ আগবাঁঢ়িছো।

সচাঁ কথা কবলৈ গলে ৰাজ্যপালৰ ভাষণত আমাৰ পিচপৰা অঞ্চল সমূহৰ বৈষম্যতা দূৰ কৰিবৰ কাৰণে—কোনো ব্যৱস্থাৰ কথা উল্লেখ কৰা নাই। অসমত বহুযুগৰে পৰা এনে কিছুমান অঞ্চল পিছ পৰি আছে যত নেকি আধুনিক জগতৰ পোহৰ একেবাৰেই পৰা নাই; য'ত নেকি আজিলৈকে সেই অঞ্চল সমূহৰ সৰ্ব্বাঙ্গীন উন্নয়নৰ কাৰণে কোনো পথ গঢ়ি উঠা নাই। এনেকুৱা কিছুমান অঞ্চলৰ কথাই মই কব খুজিছোঁ; সেই অঞ্চল সমূহ হৈছে বিশেষকৈ আমাৰ উত্তৰপাৰ অঞ্চলটো এনেদৰে পিচপৰি আছে যে তাৰ উন্নয়ণৰ কাৰণে কোনো কালৰ পৰা চৰকাৰে চিন্তা কৰা দেখা নেপাওঁ। বিশেষকৈ উত্তৰ লক্ষীমপুৰ আৰু ডিব্ৰুগড় মহকুমাৰ উত্তৰ অঞ্চল নতনকৈ স্থাপিত হোৱা ধেমাজী মহকুমাত প্ৰশাসনীয় ক্ষেত্ৰত কোনো সুযোগ-সুবিধা দিব পৰা নাই—মহকুমা স্থাপন হৈছে যদিও মহকুম পৰ্য্যায়ৰ বিভাগীয় অফিচাৰ আদি থাকিবৰ কাৰণে বা অনান্য দৰ্কাৰী কামৰ কাৰণে কোনো প্ৰয়োজনীয় ঘৰ আদিও তৈয়াৰ কৰা নাই। তাত নিযুক্তি হোৱা যিসকল অফিচাৰ তেওঁলোক থকা-মেলাৰ কাৰণে আৰু কোনো সুবিধা নথকাৰ কাৰণে তেওঁলোকে তালৈ আহি কামত যোগদান কৰি ৰাইজৰ সুবিধা কৰিব পৰা নাই। অন্য হাতেদি মহকুমা য'ত যেনেকৈ পাতিব লাগে তেনেকৈ নেপাতি কোনো প্ৰাৰম্ভিক চিন্তা নকৰি মাত্ৰ এখন টেলিগ্ৰামেৰে মহকুমা হে স্থাপন হ'ল। মহকুমা স্থাপন হ'ল যদিও চৰকাৰৰ বিভিন্ন বিভাগৰ বিষয়াসকল যেনে— Medical officer, Magistrate য়েই হওঁক বা শিক্ষা-বিভাগৰ বিষয়া যেনে—D. I. কে আদি কৰি দৰ্কাৰী বিষয়া সকলৰ ওপৰিও শিক্ষাবিভাগৰ উন্নয়নৰ কাৰণে School Board আদিও গঠন হোৱা নাই। এনেকুৱা বিলাক কাৰণতে আজি হাজাৰ হাজাৰ বছৰ ধৰি এই অঞ্চলৰ ৰাইজে অনেক চেষ্টা আৰু কষ্ট স্বীকাৰ কৰি অহা স্বত্বেও তেওঁলোক তাৰ পৰা বঞ্চিত হৈ আছে। মহকুমা স্থাপন হ'ল যদিও তাত আজিও কিবা এটা অসূয়া দূৰীকৰণৰ কাৰণে চৰকাৰে কোনো ব্যৱস্থা নকৰাটো ভাবিব লগা অৱস্থা। থিক পাচীঘাটৰ পৰা আৰম্ভ কৰি এই বিৰাট অঞ্চলটোক উন্নত কৰাৰ কোনো চেষ্টা চৰকাৰে কৰা নাই বুলি কলেও বেচি কোৱা নহয়। গতিকে চৰকাৰে এই অঞ্চল সমূহৰ উন্নয়ণৰ

কাৰণে আৰু আঞ্চলিক বৈষম্যতা দূৰীকৰণৰ কাৰণে অতি সোনকালে এটা নীতি গ্ৰহণ কৰিব লাগে যাৰ ফলত ৰাইজে যেন আৰু কষ্ট নেপায়।

আৰু এটা কথা যে নদী নিয়ন্ত্ৰণৰ ক্ষেত্ৰত চৰকাৰে এটা নীতি লব লাগে আৰু ইয়াৰ কাৰণে যি মজুৰী দিব লগা অঞ্চল লৈ পৰিছে। এফালে ব্ৰহ্মপুত্ৰকে আৰম্ভ কৰি চিমেন, জীয়াঢল আদি নদীয়ে জনসাধাৰণৰ নিৰাপত্তা নাইকীয়া কৰি তুলিছে। ফলত এই অঞ্চলত মানুহে নিজৰ নিৰা-পত্তাৰ কাৰণে মাটি বিছাৰি অনান্য অঞ্চললৈ যাব লগা হয়। খেতি ভালদৰে হলে ৰাহি কৰিব পৰা ধেমাজীৰ দৰে অঞ্চল এটাৰ বাননিয়ন্ত্ৰণৰ প্ৰতি কোনো মনোনিবেশ নকৰাৰ ফলত ফলত এই শিতানত বিভাগে দিয়া টকা পইচা খিনিৰ মাত্ৰ অপচয়হে হৈছে। ধেমাজী মহকুমা নতুনকৈ হল কিন্তু বানপানীৰ উপদ্ৰপৰ ফলত পূৰ্ণ প্ৰয্যায়ৰ মহকুমাৰ সকলো বিলাক সা-সুবিধা গ্ৰহন কৰিব পৰা নাই। জিয়াধল নদীৰ উপদ্ৰবত ইয়াৰ ৰাইজ জৰ্জৰিত। এই নদী নিয়ন্ত্ৰনৰ কাৰণে বহুবাৰ কোৱা স্বত্বেও নিয়ন্ত্ৰন কাৰ্য্যৰ আৰঁনি চৰকাৰে কৰা নাই। flood control ৰ চেয়াৰমেনে আজি ১ বছৰেও আৰঁনিকে কৰিব পৰা নাই। আৰু তাৰ যি বিলাক মাঠাউৰী পানীয়ে ভাঙিলে সেই বিলাকৰ মেৰামতিৰ ব্যৱস্থা এতিয়াও হোৱা নাই। গতিকে এই বিৰাট অঞ্চলটোৰ ৰাইজৰ পতি যি অৱহেলা চৰকাৰে কৰিছে আৰু তাৰ দ্বাৰাই যি বৈশম্যৰ সৃষ্টি পৰিলক্ষিত হৈছে সি চৰকাৰৰ সমাজবাদী সমাজ ৰচনাৰ অপৰিপধন্থী আৰু তাৰ দ্বাৰাই ৰাইজৰ কাম হোৱা নাই

(সময়ৰ সংঙ্কেত)

ইয়াৰ পাচত মই কও যে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰ দক্ষিণ পাৰ যিটো একমাত্ৰ পথ ডিব্ৰু-সোনাৰী-বুৰীসুতি ফেৰী আছে এই পথেৰে হাজাৰ হাজাৰ মানুহে অহা যোৱা কৰে। তাত মাত্ৰ দুখনহে ফেৰী অৰ্থাৎ মেচিন নাও আছে। এখন ইফালৰ পৰা যায় আৰু আনখন সিফালৰ পৰা আহে। এই ঘাটৰ কাৰণে মাত্ৰ দুখন নাৱেৰে কাম নচলে। তাৰ ফলত মানুহৰ অশেষ কষ্ট হৈছে। এই নাও দুখনৰে মিলিটাৰী মানুহ ইমান পাৰ কৰিব লগীয়া হয় যে যাৰ ফলত সৰ্ব্ব সাধাৰণ মানুহে টিকট নাপায় অশেষ কষ্ট

ভোগ কৰে আৰু কিছুমানে ৩/৫ টকাকৈ দি বেলেগ নাও ভাৰা কৰি যাবলগীয়া হয়। তাৰ কৰণে দায়ী কোন? মই কওঁ আমাৰ এই চৰকাৰেই তাৰ কাৰণেই দায়ী। এই ক্ষেত্ৰত মই চৰকাৰক বিশেষ ভাবে দাবী জনাও যেন এই বিষয়ত বৈশম্য যিয়েই নাথাকক লাগে এই অঞ্চল বিলাকৰ উন্নতিৰ কাৰণে চেষ্টা নকৰিলে আপোনালোকৰ 'সমাজ বাদৰ' শ্লোগান মিছা বুলি প্ৰমানিত হব।

মই কুটিৰ শিল্পৰ বিষয়ে কবলৈ গৈ কও যে উত্তৰ লক্ষীমপুৰ বা ধেমাজী এই অঞ্চল বিলাকত উদ্যোগ একেবাৰেই নাই। এই অঞ্চল বিলাকতো শিক্ষিত নিবনুৱাৰ সংখ্যা দিনক দিনে বাঢ়ি যাব লাগিছে। গতিকে মই চৰকাৰক অনুৰোধ কৰো এই বাঢ়ি অহা নিবনুৱা সমস্যালৈ চাই এই উত্তৰ লক্ষীমপুৰ, ধেমাজী আদি অঞ্চলটো কুটিৰ শিল্প সম্প্ৰসাৰণৰ ব্যৱস্থা কৰে। বিশেষভাৱে আৰু এটা চৰকাৰে অনতিপলমে কৰিব লগা কামৰ ভিতৰত পৰিছে—ধেমাজীত Election ৰ ব্যৱস্থা।

( সময়ৰ সংকেত )

[ মই বিশেষ ভাবে আপোনাক অনুৰোধ কৰিছো মোক অলপ সময় দিয়ক ]

ভাৰত চৰকাৰ বেঙ্ক বিলাক ৰাষ্টীয় কৰণ কৰিলে। কিন্তু এই Bank বিলাক ৰাষ্ট্ৰীকৰণ কৰাৰ পাছত আমাৰ কি লাভ হল। খেতিয়কেই ধান পাইছেনে? এই বেঙ্ক বিলাক ৰাষ্ট্ৰীয়কৰণ কৰাৰ পাচত উত্তৰ লক্ষীমপুৰ বা ধেমাজী অঞ্চলত কিবা উপকাৰ হৈছেনে—আপোনালোকেই পৰীক্ষা কৰি চাওকগৈচোন যদি কোনোবা খেতিয়কে ঋণ লব বিচাৰে তেন্তে তেওঁ ঋণ পোৱাৰ সুবিধা থাকিব লাগে। মই কওঁ ধেমাজী, উত্তৰ লক্ষীমপুৰ, জোনাই এই অঞ্চল বিলাকৰ কোনো লোকৰ ঋণৰ আবেদনৰ উন্নতি কোনো ক্ষেত্ৰতে দৰ্খাস্ত আজি এবছৰ হল Enquary কৰিবলৈকো তালৈকে নগল। তাৰ পাচত হোৱা নাই। এই বিলাক সমাজ বাদ নীতি কেনেকৈ হয় মই কব নোৱাৰো।

আজি শাসক কংগ্ৰেছেই কেন্দ্ৰত সংখ্যা গৰিস্থতা লাভ কৰিছে। তেওঁলোকৰ আদৰ্শ কি হব লাগে? মোৰ কথা হৈছে কংগ্ৰেছৰ যিটো

'সমাজ বাদ', সেই 'সমাজ বাদ' ৰ নামত ৰাইজে ঠগ খাব লগীয়া হৈছে। কুটিপতিয়ে সমাজ বাদ বুলি চৰকাৰক ঠগি আহিছে আৰু এই সমাজ বাদ পৰিণত নকৰিলে ভবিষ্যতেও ঠগ খাবলগীয়া হব আৰু এমুঠি ধনীক শ্ৰেণীৰহে সমাজবাদ হব। গতিকে মই এইটো কও যে যি বিলাক পিচপৰা অঞ্চল সেই বিলাকত যি বৈষম্য যদি দূৰ নকৰে তেন্তে সেই অঞ্চল বিলাক ভবিষ্যতেই পিচ পৰিয়েই ৰব। আৰু জনসাধাৰণৰ কৃষকবন্ধুবাক স্বাৰ্থৰ অনু-কুলে সমাজবাদ গঢ়াৰ পথত হেঙ্গাৰ পৰিব।

Shri Mera Chauba Singh :— মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় ৰাজ্যপাল মহোদয় ভাষন দিয়েছেন যেই সম্পর্কে আমার কিছু বক্তব্য আছে। রাজ্যপাল মহোদয় তাঁহার ভাষনে আসামের বন্যার কথা উল্লেখ করিয়াছেন এই সম্পর্কে আমি আমার এলেকার কিছু সমস্যার কথা উল্লেখ করিতে চাই।

প্রতি বৎসর মধুরা এবং চিরি নদীতে বন্যার ফলে সেই অঞ্চলে ধানের বিশেষ ক্ষতি হয়। সেইজন্য মধুর নদীর দক্ষিন পারে এবং মিরি নদীর উভয় তীরে E/D কতৃক শীঘ্র বাঁধ নির্মানের আবশ্যক।

গত বন্যায় কাপ্তনপুরে আমজোত ঘাটের নিকট অর্ধ বাধন বাঁধ ভাঙিয়া যাওয়ায় সেই এলাকার অনেক শষ্য নষ্ট হইয়াছে। ইহার ফলে এই এলাকার কৃষকগন বিশেষ ভাবে দুর্দশাগ্রস্থ হইয়াছে। এই বাধের আশু মেরামত এবং লক করিয়া গড়গড়ি এলাতে sluice Gate দিয়া এই এলেকা বাসীকে বন্যায় বোল হক্ষতে মুক্ত করার একান্ত প্রয়োজন।

লক্ষীপুর এবং সোনাই যানর রাজস্ব আদায়ের জন্য তহশীল এবং সার্কেল অফিস সোনাইতে অবস্থিত। লক্ষীপুর থানার দূরতম প্রান্ত হইতে সোনাই অফিচের দূরত্ব প্রায় ৪০ মাইল। এইজন্য অফিসের সঙ্গে যোগাযোগ রক্ষা করিতে এসব এলাকার লোকের বিশেষ কষ্ট এবং অতিরক্ত পয়সা খরচ হয়। লক্ষীপুর থানা এলেকার অনেক পার্বত্য উপজাতির বসবাস ও আচে। লক্ষীপুর টাউন এলাকার একটি তপশিল ও সার্কল অফি.স অনতি বিলম্বে

স্থাপন করিয়া জনসাধারনে উপকার করিতে সরকার বাহাদুরকে অনুরোধ করি।

লক্ষীপুর সহর একটি ঘন জনবসটিপূর্ণ ব্যবসায়ের স্থল। সহরটো বিশুদ্ধ জলসর বরাহের কোন ব্যবস্থা নথকার সহর এবং সহর ও সার অধিবাসী বিশেষ অসুবিধা ভোগ করিতেছে। অনতিবিলম্বে লক্ষীপূর সহরে নলসরবরাহ প্রকল্প স্থাপনের নিমিত্ত সরকার বাহাদুরকে উপযুক্ত টাকা লক্ষীপুর টাউন কমিটিয়ে মজুতর করিতে অনুরোধ করি।

শিলচর হইতে লক্ষীপুর হইথাত মনিপুর যাওয়ার পুরাতন রাষ্টার আংশিক মেরামত করিয়া চালু করিলে শিলচর হইতে লক্ষীপুরের মধ্যে ৬ মাইল পরিমান রাস্তা কমিবে। ইহাতে এই এলাকার জনসাধরণের বিশেষ উপকার হইবে।

আঞ্চলিক পঞ্চায়েৎ এলাকায় টাকার অভাবে রাস্তাঘাত মেরামত হয় না। ফলে গ্রামবাসী লোকেরচফেরার বিশেষ কষ্ট হয়। এই সব রস্তাঘাট মেরামতের জন্য নিজ নিজ আঞ্চলিক পঞ্চায়তকে উপযুক্ত পরিমানে টাকা বরাদ্ধ করা অতি প্রয়োজনীয়।

শিলচর রংপুর হইতে উঠারবন্দ পর্যন্ত বিজলী সরবরাহের জন্য যে ব্যবস্থা সরকার হাতে নিয়াইছিলেন তাহা বাতিল হওয়ার বাহাদুর পুর, গোমাটপুর এবং দূর্গানগরের জন্য যে ব্যবস্থা করা সম্ভব হউত তাহা বন্ধ হইয়ায়ছ। সেই ব্যবস্থা পুনরায় শীঘ্র হাতে নিতে সরকার বাহাদুরকে অনুরোধ করি।

বাঁশবান্দি পুলিস আউট পোষ্টর বিভাগীয় নিজস্ব ঘর নির্মান করা দরকার। কাপ্তান পুরে একটি পশু চিকিৎসালয় এবং বাঁষবান্দি এলেকারে একটি করিয়া Sfate Dispensary স্থাপন করা আবশ্যক।

ক্ষুদ্র শিল্প প্রতিষ্টান স্থাপন করে বেকার সমস্যার আশু সমাধান করিতে সরকারকে অনুরোধ করি।

সংখ্যালঘু ভাষাভাষী লোক দিগকে সংখ্যানুপাতে চাকরী না দেরায় তাহাদের মধ্যে অসন্তোষের ভার রাহিয়াছে। ইহার আশু প্রতিকার করিতে অনুরোধ করি।

আমাদের এলেকায় ভূমিহীন এবং ছাটাই চা শ্রমিকের জন্য সংরক্ষিক বনাঞ্চল হইতে। কিছু কিছু জমি দাড়িয়া দিয় ত্রাছাদের অন্ন

সংস্থানের ব্যবস্থা করা আবশ্যক মনে করি।

টপশীলভুক্ত ও জনজাতির কল্যানার্থে আমাদের সরকার যেরকম সুবিধা দিতেছেন অনুপাক্ত সম্প্রাদায় ও ছাটাই শ্রমিকদের অবস্থা অত্যন্ত শোচনীয়, গতিকে অনুরূপ সুযোগ দিয়া তাদাদ্গিকে উন্নত কারার জন্য সরকার মহাদয়কে অনুরোধ জানাই।

এই বেলি আমি আমার বক্তব্য শেষ করি এবং সময় টুকু দেওরার জন্য আমি উপাধক্ষ মহোদয়ে ধন্যবাদ জনাই।

Adjournment

The House than Adjouned for lunch till 2 p.M.

( After Lunch )

Shri Mahendra Mohan Choudhury (chief Minister) :— সিদিনা ৩০ তাৰিখৰ দিনা তিৰুৎ সিঙৰ মৃত্যু শতবাৰ্যিকী উপলক্ষে বন্ধ ৰখাৰ কথা আলোচনা হৈছিল। সিদিনা খাচী-জয়ন্তীয়া পাহাৰৰ যিমান চৰকাৰী অফিচ আছে বন্ধ থাকিব। গতিকে সেই অনুসাৰে আমাৰ বন্ধ ৰাখে নে নাৰাখে, সেইটো সিদ্ধান্ত কৰিব লাগিব।

Shri Dulal Chandra Barua :— যদি প্ৰকৃততে national Hero হিচাবে লোৱা হৈছে তেন্তে জাতীৰ বীৰ জনৰপ্ৰতি সন্মান নেদেখুৱটো বেয়া হব। গতিকে মই ভাৱো সেই দিনা Assembly বন্ধ ৰাখি তাৰ পৰিবৰ্ত্তে সংবিধানে extend কৰিব লাগে।

Mr. Dy. Speaker :— তেন্তে ২৯ তাৰিখে Assembly বন্ধ ৰখা হব। Is it the sernse of the House : ( Voices yes yes ) the House is extended by half an Hour.

আজি গৱৰ্ণৰৰ বিতৰ্ক শেষ কৰিব লাগিব। উদ্যোগমন্ত্ৰী আৰু মুখ্যমন্ত্ৰীয়ে উত্তৰ দিব। কিন্তু আমাৰ সময় নিচেই কম অথচ কৰ্ত্তাৰ সংখ্যা সংখ্যা বহুত বেছি আছে। গতিকে আধা ঘণ্টা সময় extend কৰিব লাগিব।

Shri Kamini Mohan Sarma :— Extend কৰাই ভাল, যিহেতু আমাৰ বহু কৰ লগা আছে।

Mr. Deputy Speaker :— তেন্তে আধা ঘণ্টা extend কৰিৰ নেকি ?

আধা ঘণ্টা সময় বঢ়াই দিলে কংগ্ৰেছৰ কাৰণে আধা ঘণ্টা, Legislature Party ৰ ৫ মিনিট বাকী আছে এতিয়া মুঠতে ১২ মিনিট আৰু Democratic Party ৰ ৫ মিনিট বাকী আছে, মুঠতে ১২ মিনিট, Socielist Party ৰ ১০ মিনিট, C.P.I. Party ৰ ৬ মিনিট। এনেকৈ কৰিলে ৩-১০ বজাত বিতৰ্ক শেষ হব আৰু উদ্যোগ মন্ত্ৰীয়ে আধা ঘণ্টা উত্তৰ দিব, মূখ্যমন্ত্ৰীয়ে এঘণ্টাত উত্তৰ দিৰ। তেতিয়া ৫ বজাত শেষ কৰিব পৰা হব।

Shri Abala Kanta Goswami :— Mr. Deputy Speaker Sir, a perusal of the Governor's address seems to reveal that the Government is not very optimistic about the future of our State and there is no wonder that we the common people are not enthused by it. The unemployment problem has assumed terrible proportions and discontentment and frustration are writ large on the faces of the young people. Government appears to be helpless and does not know what to do. The very stupendousness of the problem seems to stupefy them and they are in a very unenviable position. I have my sympathy for them.

( Mr. Speaker Orgnied the Chair and Mr. Dy. Speaker Vacated in )

For the partial solution of the problem the Address says that some permits of auto-rickshaws, taxis and buses have been given and most of them have gone to the unemployhd educated youngmen. The very word "mostly" is significant, I need not comment on it. As regards issuing of parmits for buses, I will not be wrong if I say that coal has been carried to Newcastle. In some cases at least I know that permits for buses have been given to some familes in the names of different members of those families or to their relatives. This is not the way to narrow the difference between

the rich and poor, which is the professed policy of this Government. In order to reduce seasonable unemployment it has been suggested in the Address that multiple cropping should be taken resort to, But can there be multiple cropping unless there is irrigation ? And in our State there is no irrigation worth the name. Government has the habit of making large promises and then going back with smooth excuses. The present Chief Minister, then Revenue Minister of our State, visited my constituency and in our discussions he told me that as there was no possibility of natural irrigation in my constituency, he would submit proposals to Government for lift irrigation. But nothing has been done as yet If the question is raised with him he tries to evade it. Then as cheme was drawn up for a project known as Ubti Project. He visited the site and told me that it would be taken up it would do enormous good to the people But nothing is heard of it. Then some schemes for minor irrigation and other schemes were submitted by the Rampur Development Block to the Agriculture Department and Embankment and Drainage Department But there was no response. The officers did not care to visit the place in order to see whether those schemes are feasible or not. This is the way how multiple cropping is being encouraged in our State ! What is true of my constituency is, I am sure, true of all other constituencies of our State.

Then, Sir, no mention in the Address has been made about the extension of the broad gauge railway line in our State. This is a persistent demand of our people for removing the transport bottleneck. Though it is the concern of the Central Government, yet as there is no mention about it in the Address, I am afraid Government is not very serious about it.

Then, sir, I conclude by saying that our Chief Minister has thanked the voters for giving votes to his party. I have no quarrel with him over it, but I think the people of this State, his voters and our voters, our master will have real satisfaction of being thanked if the Chief Minister can rid them of the corruption that is rampant in the administration. However good and however honest the intentions of the Government may be, however ben ficial the schemes drawn up by the Government may be, they will be of no avail unless corruption is rooted out.

With these words, I finish.

* Shri Dovind Bora :— উপাধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষনত যি ধন্যবাদ সূচক প্ৰস্তাব আমাৰ আমাৰ মুখ্য মন্ত্ৰী ডাঙৰীয়াই আগবঢ়াইছে তাক সমৰ্থন কৰি মই দুষাৰ মান কও। ৰাজ্যপালৰ ভাষনত অসমৰ সকলোসমস্যাৰ কথাই কৈছে আৰু সেই সমস্যাবিলাক কেনেকৈ সমাধান কৰিব পৰা যায় সেই বিষয়ে মুখ্যমন্ত্ৰী ডাঙৰীয়াই তেখেতৰ প্ৰস্তাবত ডাঙি ধৰিছে। ৰাজ্যপালৰ ভাষনটো বৰ সুখৰ হৈছে আমাৰ চৰকাৰে বিভিন্ন সমস্যাবিলাকৰ সমাধান কৰিবলৈ চেষ্টা কৰিছে আৰু যদি এই সমস্যাবিলাক সমাধান কৰিব পৰা যায় তেতিয়া হলে অসমখন অগ্ৰতিৰ পথত আগবাঢ়ি যাব পাৰিব। অসম খন যে পিচপৰা সেই বিয়য়ে কেন্দ্ৰীয় চৰকাৰক আমি বিশ্বাস জন্মাব লাগিব তেতিয়া অসম চৰকাৰে যি Sugar mill, Rifinary স্থাপন কৰা হব বুলি কৈছে সেইটো আমি কাগজে কলমে কৰাহে দেখিছো সেইবিলাক যাতে কাৰ্য্যত পৰিণত হয় তাৰ বাবে অসম চৰকাৰে কাৰ্য্যত ব্যৱস্থা হাতত লয়।

আমি সকলোৱে জানো যে অসমীয়া বাইজ শান্তিপ্ৰিয় তাৰ স্বাবলম্বী আৰু সঙ্ঘবদ্ধভাবে থাকিবলৈ বিচাৰে। অসমৰ মানুহে অসমৰে বস্তুৰ ওপৰত

* Speech not corrected

নির্ভৰ কৰি আছে অইন ঠাইৰ পৰা মানুহে আহি অসমৰ বস্তুৰ ভাগ লৈছেহি। সেইকাৰনে অসমৰ মানুহে যি খিনি বস্তুৰ দৰ্কাৰ সেইখিনি যাতে পায় তাৰ কাৰাণে চৰকাৰে চেষ্টা কৰিব লাগিব।

Regional Inbalanec ৰ কথাতো থিকেই কথা আমাৰ উত্তৰ লক্ষীমপুৰত স্বাধীনতাৰ ২৩ বছৰ পিছতো এটা Industry দেখা নাই আনকি Timber Industry এটাও নাই। সিদিনা মুখ্যমন্ত্ৰী উত্তৰ লক্ষীম-পুৰত যাওতে হাজাৰ হাজাৰ মানুহে বিপুল সম্বৰ্দ্ধনা জনাইছে, উত্তৰ লক্ষীম পুৰৰ ৰাইজে বহুদিনৰে পৰা উত্তৰ লক্ষীমপুৰক জিলালৈ ৰূপান্তৰ কৰিবলৈ অনুৰোধ জনাই আহিছে, এই কথা মুখ্য মন্ত্ৰী মহোদয়ে উপলব্ধি কৰিছে, তাকে কাৰ্য্যকৰি কৰিবৰ কাৰণে মই মুখ্যমন্ত্ৰী মহোদক অনুৰোধ জনালো।

শিক্ষাৰ ক্ষেত্ৰত মই এটা কথা উল্লেখ কৰিব খুজিছো যে পিচপৰি থকা উত্তৰ লক্ষীম পুৰ সুপ্ৰতিস্থিত মাত্ৰ এখন কলেজ আছে। তাত Arts আৰু Science এই দুয়োটা বিভাগেই আছে। Science বিভাগটো খোলা আজি ৩/৪ বছৰ হৈ গল। তাৰ পৰা Science graduate ও ওলাল অথচ আজিলৈকে এই Science বিভাগটো পৰিচালনৰ কাৰণে প্ৰয়োজনীয় অৰ্থ সাহাৰ্য্য পোৱা নাই সেই College Profesor পৰা ১০০ ভাগেই পাচ কৰিছে। কিন্তু Profesor সকলে পাবলগীয়া সা-সুবিধাৰ পৰা বঞ্চিত হৈ আছে। তেওঁলোক confirm হোৱা নাই আৰু providend fund ৰ ও সুবিধা নাই সেই বাবে তেওঁলোক হতাশ হৈছে। এই সম্পৰ্কত মই নিজে আৰু ৰাইজে মুখ্য মন্ত্ৰী ডাঙৰীয়া তালৈ যাওতে প্ৰয়োজনীয় অৰ্থ সাহায্য এই College খনক আগবঢ়াবলৈ অনুৰোধ কৰিলো আৰু তেখেতেও সহা-নুভুতিৰে এই সমস্যা সমাধান কৰিব বুলি আশ্বাস দিছিল। আশা কৰো এই College খনৰ কাৰণে প্ৰয়োজনীয় সাহায্য আগ বঢ়াব।

তাৰ পাচত উত্তৰ লক্ষীম পুৰত পুলিচ আৰু ছাত্ৰ সকলৰ মাজত হোৱা সংঘৰ্ষৰ সম্পৰ্কত তদন্ত আয়োগ নিয়োগ কৰাটো সুখৰ কথা হৈছে। এই সংঘৰ্ষ কিয় হৰলৈ পাল সেই সম্পৰ্কত মই এটা কথা উল্লেঘ কৰিব খুজিছো সেই সময়ত মই দেখিছিলো কিন্তু আগত কোৱা নাছিলো যে ১৯৭০ চনৰ ২৬ জানুৱাৰীত পেৰেদৰ সময়ত এজন D.S P. এ, লৰা বিলাকক 'Idiot'

বুলি অভিহিত কৰিছিল। তাৰ ফলত লৰা বিলাক পেৰেদ এৰি থৈ গুচি আহিল আৰু সেই সময়ত চাৰবুইত হাউচত থকা শ্ৰীমতী পদ্মকুমাৰী গোহাই Ministri আগত অভিযোগ কৰি কলে যে ইয়াৰ বিচাৰ হব লাগে। কিন্তু তেখেতে কলে যে সেই পুলিচ বিভাটো তেখেতৰ অধিনত নহয় মুখ্য-মন্ত্ৰীৰহে অধীনত। সেই কাৰণে বিচাৰ নহল আৰু তেতিয়াৰ পৰাই লৰা বিলাকৰ এটা বিদ্বেশ ভাব পুলিচৰ ওপৰত বৈ গল। সেই সময়তেই যদি তাৰ বিচাৰ হলহেতেন তেতিয়া হলে এই বিলাক ভাব দুৰ হলহেঁতেন আৰু সংঘৰ্ষও নহলেহেতেন গতিকে এই যাতে ভবিষ্যতে নহয় তাৰ কাৰণে চৰকাৰে ব্যৱস্থা লব আৰু তদন্ত আয়োগৰ Report যাতে সোনকালে ওলাই তাৰ কাৰণে চেষ্টা কৰিব।

( সময়ৰ সংকেত )

তাৰ পাচত মধ্যকালীন নিৰ্ব্বাচনৰ সম্পৰ্কত এটা কথা কব খুজিছো যে ভাৰতত জাৰা টালি মৰা চৰকাৰ ওপৰত আস্থা নাৰাখি এটা যাতে স্থায়ী চৰকাৰ গঠিত হয় তাৰ কাৰণে এই মধ্য কালীন নিৰ্ব্বাচন অনুস্থিত হল আৰু ৰাইজে এই মৰ্ম্মে এটা পাৰ্টিক ভোট দিলে। সেইটো হৈছে কংগ্ৰেছ। আশাকৰো এই চৰকাৰ সুদৃঢ় ভাবে স্থায়ী আৰু তেখেত সকলৰ শোষিত নীতি অনুযায়ী কৰ্ম্ম ক্ষেত্ৰত ভাৰতবৰ্ষক উন্নত কৰিব।

Mr. Speaker :— শ্ৰীশৰ্ম্মা, আপোনাৰ সময় ৬ মিনিট।

Shri Kamini Mohan Sarma :— মাননীয় অধ্যক্ষ মহোদয়, মই ৰাজ্য-পালৰ ভাষণৰ ওপৰত হোৱা বিতৰ্কত অংশ গ্ৰহন কৰি কব খুজিছো যে ৰাজ্যপালৰ ভাষণত আমাৰ ৰাজ্যখনৰ প্ৰকৃত সমস্যা যি ধৰনেৰে বাখ্যা কৰিব লাগিছিল সেই ধৰনেৰে ব্যখ্যা কৰা হোৱা নাই। ই সম্পূৰ্ণ ব্যৰ্থ হৈছে। ৰাজ্যখনৰ মুখপত্ৰ হিচাপে ৰাজ্যপালে যি ভাষণ দিলে তাত সুদীৰ্ঘ ১২ বছৰৰো অধিক কাল অসমৰ মুখ্য মন্ত্ৰী হৈ থকা স্বৰ্গীয় বিমলা প্ৰসাদ চলিহাৰ শোক প্ৰকাশ কৰিছে যদিও তেখেতৰ স্মৃতি ৰক্ষাৰ্থে তাত কোনো ব্যৱস্থা লোৱা নাই। মই এই সদনত তেখেতৰ স্মৃতি ৰক্ষাৰ কাৰণে আমাৰ ইয়াত দৰিদ্ৰ পৰিয়ালৰ লৰা ছোৱালী বিলাকৰ শিক্ষাৰ অৰ্থে— চোভিয়েট ৰুচিয়াই পেট্ৰিচ লোলোম্বাৰ সোৱৰনীৰ কাৰণে পতা বিশ্ব বিদ্যা-

লয়ৰ দৰে নহলেও এখন Residential school মাধ্যমিক পৰ্যায় স্থাপন কৰিব লাগে –কাৰন আমাৰ ইয়াত তেনে ধৰণৰ আচনি এতিয়ালৈকে হোৱা নাই। যত গৰিবৰ খেতিয়কৰ লৰা ছোৱালী বোৰক শিক্ষা দিয়াৰ ব্যৱস্থা কৰিব পাৰি। এই অনুস্থান 'ক' মানৰ পৰা হব লাগে।

তাৰ পাচত মই কওঁ যে মধ্যকালীন নিৰ্ব্বাচনত ⅔ অংশ সংখ্যা গৰিস্থতাতকৈয়ো অধিক ভোটত নিৰ্ব্বাচিত হোৱা কংগ্ৰেছ পাৰ্টিৰ নেতা সকলে তেখেত সকলৰ ঘোষিত আৰু প্ৰতিশ্ৰুতি দিয়া 'গৰীবি হতাও' নীতি অনুযায়ী কাম কৰিবলৈ চেষ্টা কৰিব। আশা কৰো যেন কেন্দ্ৰৰ এই অবস্থাৰ পৰিপেক্ষিতত ৰাজ্যিক চৰকাৰে ক্ষমতাৰ অপ্ৰয়োগ নকৰে। মাননীয় অধ্যক্ষ মহোদয় আপোনাৰ জৰিয়তে "বাংলা দেশ"ৰ স্বাধীনতা আন্দোলনৰ বীৰ সৈনীক শ্বেখ মুজিবুৰ ৰহমানলৈ আমাৰ ওলগনি জনাইছো তেখেতে চলোৱা পূৰ্ব্ব বংঙ্গৰ জনসাধাৰণৰ মুক্তিৰ অৰ্থে চলোৱা মুক্তি সংগ্ৰামৰ কাৰণে। পূব পাকিস্থানৰ জন সাধাৰণৰ মুক্তি আন্দোলন সফল হওক।

মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত থূলমূলকৈ কিছুমান কথা কৈছে যদিও অসমৰ ৰাইজে আন্দোলন কৰি প্ৰাক্তন মন্ত্ৰী শ্ৰীনন্দজীৰ পৰা প্ৰতিশ্ৰুতি পাইছিল যে অসমৰ ৰঙিয়াত এটা Railway Division ১৯৭১ চনৰ ২ অক্টোবৰত স্থাপন কৰিব। কিন্তু সেই Division ৰ সমৰ্থন ৰাজ্যপালৰ ভাষত উল্লেখ থাকিব লাগিছিল। মই দুখ পাইছো ইঙ্গিত ৰাজ্যপালৰ ভাষনত নাই।

Shri Kamakhya Prasad Tripathi : – এইটো অসম চৰকাৰে কৰিব পৰা বিষয় নহয়; কেন্দ্ৰীয় চৰকাৰৰ হে।

Shri Kamini Mohan Sarma :— অসম চৰকাৰে কৰিব নোৱাৰা Refinery, কাগজৰ কল, আদিৰ কথা আছে। গতিকে ৰঙিয়া Railway Divisionৰ কথাটোও উল্লেখ থকা হলে ভাল হলহেতেন।

তাৰ পিচত দুৰ্নীতি এই চৰকাৰে নিবাৰন কৰিব পৰা নাই। প্ৰশাসনীয় যন্ত্ৰৰ অঙ্গে অঙ্গে এই দুনীতিয়ে বাহ লৈছে। মাঠাউৰী নিৰ্ম্মানৰ কাৰ্য্য বিলাকত যি বিলাক মানুহৰ মাটি গল তেওঁলোকক দিবলগীয়া

মাটি বাৰী আদিৰ ক্ষতি পূৰনৰ ব্যপাৰটো আজিলৈকে সমাধা হৈ নুঠিল। পুঠিমাৰী নদীৰ মাঠাউৰী আৰু বৰলীয়া নদীৰ মাঠাউৰী সাজোতে যি পৰিয়াল বৰ্গৰ মাটি ঘৰ বাৰী আদি গল যি সকল মানুহৰ মাঠাউৰীৰ কাৰণে মাটি গল এই সকলে এতিয়াও ক্ষতিপুৰণ পোৱা নাই। নানা ভাবে একুইজিস্যন অফিছ আৰু মাঠাউৰী বিভাগৰ অফিছত বেমেজালি ঘটি আছে। গতিকে মই কব বিছাৰিচো। এই বিলাকক অতি সোনকালে ক্ষতি পূৰণ দিব লাগে যাতে গৰিব পৰিয়াল বৰ্গ উপকৃত হব পাৰে আৰু মথাউৰী সজাটো সুপৰিকল্পিত হব পাৰে।

অধক্ষ্য মহোদয়, মই এতিয়া আমাৰ ৰাজ্যৰ ভূমিহীন কৃষক সকলৰ কথা কব খুজিছো। আজি দেখা গৈছে ভূমিহীন কৃষকসকলৰ সমস্যা চৰকাৰে সমাধান কৰিব পৰা নাই। বৰং এটা বিভিষীকাৰহে সৃষ্টি কৰিছে। মোৰ সমষ্টিতে ২৭ টা পৰিয়াল আছে। বাকী ২৫টা পৰিয়ালে এসাজ খাই এসাজ লঘোনে থাকিব লগিয়া অৱস্থাতে অছে। স্বাধীনতাৰ ২৭ বছৰ পাচতো এই অৱস্থা। এই ২৭ টা পৰিয়ালৰ ভিতৰত ৫টা পৰিয়ালেই অতি গৰীব, ঘৰৰ অৱস্থা নাই একেবাৰে জহি খহি গৈছে ইয়াৰ পৰিয়াল মধুৰাম হালৈৰ লৰা ২টা ছোৱালী এজনী, ধনেশ্বৰ কোঁচ, লৰা এটা, যাদিয়া কোঁচ লৰা চাৰিটা, কৃষ্ণপতি শৰ্ম্মা ২টা লৰা এজনী ছোৱালী, দয়াৰাম হালৈ ৩জনী ছোৱালী এওঁলোক অৰ্থাত এই ৫টা পৰিয়াল একেবাৰেই গৰীৱ। ভাৰতৰ প্ৰধানমন্ত্ৰী ইন্দিৰাগান্ধীয়ে কৈছিল যে, "গৰীৱি হতাও"— এতিয়া এইয়া আমাৰ অসম ৰাজ্যত গৰীৱি হতোৱাৰ প্ৰতিচ্ছবি। এই ভূমিহীন মানুহবিলাকে মাটি বিচাৰি বগাজুলিলৈ গৈচিল। কিন্তু চৰকাৰে ঘৰ দুৱাৰ ভাঙি জুই জলাই দি কহুস নিলাম বাতি এই লোক সকলক উচ্ছেদ কৰিছে। পুনৰ ঘৰ দুৱাৰ নিৰ্ম্মান কৰি বস বাস কৰাৰ বাবে চৰকাৰ পক্ষৰ পৰা কোনো সহাৰি নাই। এতিয়া যদি চৰকাৰে এই লোকসকলৰ দুৰৱস্থাৰ কথা সহানুভূতিৰে বিবেচনা নকৰি মদমত্ত হৈ থাকে তেনে হলে জনসাধৰণেই ইয়াৰ ব্যাহত ব্যৱস্থা গ্ৰহণ কৰিব।

দ্বিতীয়তে শিক্ষকৰ ক্ষেত্ৰত প্ৰাইমেৰী স্কুলৰ ক্ষেত্ৰত মই কৰ

বিচাৰিছো যে, যোৱা বাৰৰ বৃত্তি পৰীক্ষাৰ সময়ত এই প্ৰাইমাৰী স্কুলৰ বৃত্তিপৰিক্ষাৰ সাধাৰণ জ্ঞানৰ প্ৰশ্ন এখন অসমীয়া আৰু এখন বঙালীতে চাপা কৰা হ'ল। এই দুখন প্ৰশ্নৰ ভিতৰত কোনো সামঞ্জস্য নাছিল বঙালী ভাষতে চাপাহোৱা প্ৰশ্নখন সহজ হ'ল আৰু অসমীয়া ভাষাৰ প্ৰশ্ন কাকতখন কঠিন হ'ল। এইদৰে আজি অসমীয়া ভাষাৰ প্ৰতি, অসমীয়া থলুৱা লৰা ছোৱালীৰ প্ৰতি ঘোৰ অন্যায় কৰা হৈছে।

ইয়াৰো পৰি আজি দেখা গৈছে যে প্ৰাইমেৰী স্কুল সমূহত সাজ সজুলিৰ অভাৱ সেইটোৱে শিক্ষাদান ব্যৱস্থাত যথেষ্ঠৰূপে ব্যাঘাট জন্মাইছে। এই স্কুলসমুহত Black Board নাই Chair আৰু Bench ৰ অভাৱ এনে ভাৱে সাজ সজুলিৰ অভাৱে হলে কোনো শিক্ষকেই লৰা ছোৱালীক প্ৰকৃত শিক্ষা দিব নোৱাৰে লৰা ছোৱালীক খোৱা পানীৰ কাৰনে নলী নাই। দ্বিতীয়তে আমাৰ ৰঙিয়া শিক্ষা মহকুমাৰ ট্ৰাইবেল লৰা ছোৱালী থকা স্কুল সমুহত প্ৰাইমেৰী স্কুল বিলাকত বড়ো ভাষাৰ মাধ্যমেৰে শিক্ষা দিয়াৰ ব্যৱস্থা কৰা হৈছে কিন্তু বড়ো ভাষাৰ শিক্ষককো যথাযথ ভাৱে দৰমহা দিব লাগিব। তেতিয়াহে শিক্ষাৰ ক্ষেত্ৰত লাভ হব পাৰে। এই শিক্ষক সকলে এতিয়ালৈ বিভাগীয় ব্যৱস্থা মতে দৰমহা আদি পোৱা নাই। ব্যৱস্থা হব লাগে।

ইয়াৰ পাছতে মই বানপানীৰ কথা কওঁ। এই প্ৰলয়ংকাৰী বানপানীৰ প্ৰতিৰোধৰ কাৰনে, নিয়ন্ত্ৰনৰ বাবে চৰকাৰে ব্ৰহ্মপুত্ৰ আয়োগ গঠন কৰিছে যদিও কাৰ্য্যক্ষেত্ৰত বাননিয়ন্ত্ৰৰ ক্ষেত্ৰত দেশে অগ্ৰগতি লাভ কৰিব পৰা নাই। ইয়াৰোপৰি বিজুলি শক্তি যাতে খেতিৰ পথাৰলৈ নি অধিক শস্য উৎপাদন কৰিব পাৰে তাৰ বাবে চকু দিব বুলি মই আশা কৰিলো বিজুলী শক্তি কৃষি ক্ষেত্ৰত মোৰ সমষ্টিত প্ৰয়োগ কৰি উৎপাদন বৃদ্ধি কৰিব লাগিব। নিবনুৱা সমস্যা সমাধানৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই এটা আশ্বাস আচনি লব লাগিব। দিছিল যে পুঠিমাৰি নদীত যন্ত্ৰ বহুৱাই বিজুলী শক্তি প্ৰয়োগ কৰি প্ৰায় ৫ খন গাওঁ সভাৰ অন্তৰ্গত খেতিৰ পথাৰলৈ পানী যোগানৰ ব্যৱস্থা কৰি অধিক শস্য উৎপাদনত সহায় কৰিব। এতিয়া লৈনকে ইয়াৰ কাৰ্য্য কৰি ব্যৱস্থা হোৱা নাই। সোন কালে কৰিব লাগে। ইয়াৰোপৰি

শুক্লানদীৰ বান নিয়ন্ত্ৰনৰ আচঁনিও অতি সোনকালে কাৰ্য্যত পৰিণত কৰিবৰ কাৰণে মই অনুৰোধ কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Shri Lakheswar Das— মাননীয় অধ্যক্ষ মহোদয় ৰাজ্যপালৰ ভাষণৰ প্ৰতি যি ধন্যবাদসুচক প্ৰস্তাৱ আগবঢ়াইছে সেইটো মই সমৰ্থন কৰিছো। আৰু তুষাৰ মান কৰলৈ আগবাঢ়িছো। আজি ৰাজ্য পালৰ ভাষণত বিশেষকৈ নিবনুৱা সমস্যাৰ কথা উল্লেখ কৰা হৈছে। আমাৰ দেশৰ নিবনুৱা সমস্যা সমাধান কৰিবলৈ হলে আমাৰ দেশত কিছুমান কুটিৰ শিল্প গঢ়ি উঠিব লাগিব। আজি আমাৰ দেশৰ কিছুমান শিল্প প্ৰতিস্থা কৰিবৰ কাৰণে চৰকাৰ আগবাঢ়িছে। এইটো প্ৰশংসনীয় কথা। এই ক্ষেত্ৰত যদি কোনো কাৰ্য্যকৰী ব্যাৱস্থা গ্ৰহণ কৰা নহয় তেন্তে নিবনুৱা সমস্যা সমাধান হব নোৱাৰে। গোলাঘাতৰ বৰুৱা বামুন গাৱঁত চেনি কল হোৱাৰ কাৰনে নিবনুৱা সমস্যা সমাধান হোৱাৰ লগতে হয়তো খেতিয়ক সকলৰ আৰ্থিক অৱস্থাও কিছু উন্নত হৈছে। গতিকে চেনিকলৰ দৰেই অন্যান্য যিবিলাক উদ্যোগ আছে সেইবিলাকৰ সম্প্ৰসাৰণ কৰিব লাগে যাতে নিবনুৱা সমস্যাৰ সমাধান হয়। ইয়াৰোপৰি আমাৰ ৰাজ্যৰ ৰাজধানী স্থানান্তৰ কৰাৰ ওপৰতো নিবনুৱা সমস্যা নিৰ্ভৰ কৰে। আজি অসমৰ ৰাজধানী যদি এটা কেন্দ্ৰস্থলত হয়, তেতিয়াও নিবনুৱা সমস্যাৰ কিছু সমাধান হব পাৰে। তেতিয়া কিছুমান মানুহে কাৰবাৰ কৰিবলৈ সুবিধা পাব, দোকান বজাৰ কৰিব পাৰিব, এইদৰেই কিছুপৰিমানে নিবনুৱা সমস্যা সমাধান হব। গতিকে আজি ৰাজধানী সোনকালে স্থানান্তৰ কৰাৰ ব্যৱস্থা কৰিব লাগে। আজি শিলঙত ৰাজধানী থকাৰ কাৰনেই যিবিলাক নিবনুৱা লৰা আছে সেইবিলাকৰ কাৰবাৰ কৰাৰ ক্ষেত্ৰত বা অন্য ক্ষেত্ৰতেই হওঁক সেই সুবিধা লব পৰা নাই। আজি মেঘালয়ৰ সৃষ্টি হৈছে গতিকে অসমৰ ৰাজধানী শিলঙত থকাটোৰ কোনো প্ৰয়োজন মই দেখা নাই। গতিকে যিমান সোনকালে পৰা যায় ৰাজধানী স্থানান্তৰ কৰাৰ কাম হাতত লব লাগে।

পুলিচৰ শিতানত মই এটা কথা কব খুজিছো যে, আমাৰ যি ২১৪ টা ঘটনা ঘটিছে সেইবিলাক ঘটনাৰ তদন্ত চলি আছে। যোৱা ডিচেম্বৰ মাহত মোৰ সমষ্টিতে এটা ঘটনা ঘটিছে, তাত ২ জন জনজাতীয়

লোক নিহত হৈছে। মীন মহলৰ সীমা লৈ এই গন্দগোলৰ সৃষ্টি আৰু আমাৰ DC বা যি অফিচাৰ আছে তেওঁলোকৰ সীমা নিৰ্দ্ধাৰণত ত্ৰুতি বৈ যোৱাৰ বাবেই এই ঘটনাৰ সৃষ্টি। গতিকে এই মীন মহলৰ সীমা নিৰ্দ্ধাৰণৰ ক্ষেত্ৰত চৰকাৰে বিশেষ দৃষ্টি দিব লাগে।

ইয়াৰ পাছত নগাসমস্যা। আজি নগা সমস্যাই ভয়ঙ্কৰ ৰূপ ধাৰণ কৰিছে, আতঙ্কৰ সৃষ্টী কৰিছে।

আজি গোলাঘাটত যি নগা সীমান্তত বসবাস কৰে তেওঁবিলাকে শান্তিৰে বসবাস কৰিব পৰা নাই। আমাৰ সীমান্ত অঞ্চলত ই মাইল ভিতৰলৈ এটা Belt খোলাৰ ব্যৱস্থা কৰিছে। আজি গোলাঘাট মহকুমাধি পতিয়ে ভূমিহীনৰ এখন তালিকা কৰি সেই তালিকা মতে ভূমিহীনক মাটি দিব পৰা নাই। কাৰণ এই কাৰ্য্যত নগাৰাজ্যৰ পুলিচৰ তথা ৰাইজে বাধা দিছে বা ভয় দেখুৱাইছে। আমাৰ ৰাজ্যপালে এই প্ৰসঙ্গত উল্লেখ কৰিছে যে, তেখেতৰ চৰকাৰে এই ক্ষেত্ৰত উদবেগ প্ৰকাশ কৰিছে আৰু কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰিছে। এই ক্ষেত্ৰত চৰকাৰৰ ভূমিহীনক মাটি দিয়াৰ যি ব্যৱস্থা কৰিছে সি কাৰ্য্যকৰী হোৱা নাই। ইয়াৰোপৰি আমি খবৰ পাইছো সীমান্তৰ পৰা ৫ মাইল ভিতৰত নগা চৰকাৰে এটা কাগজৰ কল পাতিছে আৰু ইয়াক উদ্বোধন কৰিব আমাৰ ৰাজ্যপালে। এই প্ৰসঙ্গত অসম চৰকাৰৰ অনুমতি লৈছেনে নাই। যদি লোৱা নাই ইয়াৰ ব্যৱস্থা কৰিব ইয়াকে কৈ মই ৰাজ্যপালৰ ভাষণৰ ওপৰত অনা ধন্যবাদ সূচক প্ৰস্তাৱটো সমৰ্থন কৰিলো।

Shri Bhadreswar Gogai— মাননীয় অধ্যক্ষ মহোদয় ৰাজ্যপালৰ বিৰ্তকত অংশ গ্ৰহণ কৰি ইতিমধ্যে মাননীয় সদস্য সকলে বহুত কথা আৰু বহুত বিষয়ত পৰামৰ্শ আগ বঢ়াইছে। চৰকাৰক উচ্চ প্ৰশংসাৰে ৰাজ্যপালে তেখেতৰ ভাষণত ডাঙি ধৰিছে যদিও সেই ভাষণে আমাক উৎসাহিত কৰিব পৰা নাই। তেখেত বিগত বছৰৰ কিছুমান কামৰ কথা আৰু ঘটনাৰ কথা উল্লেখ কৰিছে ; কিন্তু এই চৰকাৰে অহা বছৰত বা ভবিষ্যতলৈ আমাৰ দেশৰ অৰ্থনৈতিক পৰিস্থিতি কেনেকৈ উন্নতি হব। ( কৃষি-শিল্প স্বাস্থ্য ) বা যাতায়ত আদিৰ ক্ষেত্ৰত কি নীতি গ্ৰহণ কৰিব এই বিলাক কথা

পৰিস্কাৰ কৈ দাঙি ধৰিব পৰা নাই। সেয়েহে আমি অনুমান কৰিছো ৰাজ্যপাল ডাঙৰীয়াই হয় তেখেতে অসম ৰাজ্যৰ সমস্যাবিলাক দেখিয়ো তাক সমাধান কৰিবলৈ চেষ্টা কৰা নাই। আমাৰ দেশত সমাজ বাদৰ কথা আজি গাঁৱে ভূঞে, নগৰে চহৰে, চোৰে ডকাইটে আনকি গছ-গছনিয়েও কৈছে। এই সমাজবাদত প্ৰকৃততে সচাঁ সমাজবাদ বিচাৰিছেনে সমাজক বাদ দি বিচাৰিছে সেইটোহে ভাবিবলগীয়া হৈছে। কাৰণ সমাজবাদৰ কাৰণে দেশ স্বাধীন হোৱা আগৰে পৰা আৰু দেশ স্বাধীন হোৱাৰ পাচতো এদল মানুহে অন্দোলন কৰি আহিছে। যাৰ দ্বাৰা দেশত সমাজবাদ প্ৰতিষ্ঠা কৰি জনসাধাৰণক আগবঢ়াই লৈ যাব। কিন্তু যোৱা ২৪ বছৰে এই কংগ্ৰেছী চৰকাৰে সমাজবাদৰ আন্দোলন কৰা লোক-সকলক নানান অত্যাচাৰ কৰি অহা আমি দেখিবলৈ পাইছো। যোৱা কেইটা বছৰত বহুতো সমাজবাদীয়ে এই কংগ্ৰেছী চৰকাৰৰ শাস্তি ভোগ কৰিছে। সেই কাৰনে মই কৈছো যে, যোৱা ২৫ বছৰে যি সমাজবাদ আনিব নোৱাৰিলে এতিয়া জানো আনিব পাৰিব। মই ভাবো আজি সমাজবাদৰ নামত জনসাধাৰণৰক বিপথে নিবলৈ ইন্দ্ৰজাল পাতিছে।

অধ্যক্ষ মহোদয়, আজি স্বাধীনতাৰ ২৪ বছৰে আমাৰ দেশত গণতান্ত্ৰিক ৰাষ্ট্ৰ চলিছে অৰ্থাৎ ৰাইজৰ চৰকাৰ চলিচে। এই চৰকাৰ ভঙা পতা কৰিবৰ কাৰণে ৰাইজৰ হাতত দায়িত্ব ন্যষ্ঠ কৰাহৈছে। আজি যিখিনি মানুহে চৰকাৰ ভঙা পতা কৰাৰ ক্ষমতা পাইছে সেইখিনি মানুহ এই ২৪ বছৰত যোগ্য হৈছেনে? মই কৈছো নাই হোৱা। আজি আমাৰ দেশত যিসকলক আমি শিক্ষিত বুলি কওঁ তেওঁলোকৰ সৰহসংখ্যকেই চাকৰি কৰে। এই চাকৰি কৰা মানুহ খিনিয়ে দেশৰ চৰকাৰ ভঙা পতাত সক্ৰিয় অংশ গ্ৰহন কৰিব নোৱাৰে। কাৰণ তেখেত সকলৰ মুখ চিলাই থোৱা হৈছে। এতিয়া বাকী থাকিল শতকৰা ৬০/৮০ জন মানুহ যিসকলে এই ২৪ বছৰে শিক্ষাৰ পোহৰ পোৱা নাই। আমি চৰকাৰ পাতিবলৈ বা ভাঙিবলৈ যিখিনি যোগ্যতা বা অৰ্হতা মানুহৰ থাকিব লাগে সেইখিনি নথকাৰ কাৰণেই আমি যোৱা নিৰ্ব্বাচনত দেখিছো ধনৰ লোভ, ক্ষমতাৰ প্ৰয়োগ, ভিতি প্ৰদৰ্শন, আঞ্চলিকতা বাদ, আৰু জাত পাতৰ আশ্ৰয় লৈছে। আজি ২৪ বছৰে এই মানুহ বিলাকক শিক্ষিত কৰি নিদিয়াৰ

কাৰনেই এই অৱস্থা হৈছে।

অকল এয়ে নহয়, যোৱা ২৪ বছৰত চৰকাৰে যি পৰিকল্পনা আৰু আচনি লৈছিল সেই আচনি বিলাক কাৰ্য্যকৰি হৈছেনে? মই কৈছো নাই হোৱা। আজি চৰকাৰে কৌটি কৌটি টকা খৰচ কৰিও আঁচনি কাৰ্য্যকৰি কৰিব পৰা নাই। কাৰণ, যি সকল মানুহৰ কাৰনে এই পৰিকল্পনা বা আচনি কৰিছে সেই সকলে গ্ৰহণ কৰিব পৰা যি খিনি যোগ্যতা থাকিব লাগে সেইখিনি যোগ্যতা নাই। সেয়েহে আমাৰ দেশত যোৱা ২৪ টা বছৰে বিভিন্ন আচঁনিৰ নামত পৰ্য্যাপ্ত টকা অপব্যয় হৈছে। গতিকে চৰকাৰে আমাৰ দেশত থকা সৰহ সংখ্যক নিৰক্ষৰ দৰিদ্ৰ জনসাধাৰণক যেতিয়ালৈকে শিক্ষিত কৰি তুলিব নোৱাৰে তেতিয়ালৈকে আমাৰ দেশত কোনো কামেই হব যোৱাৰে —দেশত কোনো আচঁনি গ্ৰহণ কৰিব নোৱাৰে।

তাৰ পাচত আমাৰ দেশত আটাইতকৈ ডাঙৰ সমস্যা হৈছে নিবনুৱা সমস্যা যিটোৰ কথা মাননীয় সদস্য সকলে উল্লেখ কৰিছে। আজি সচাঁকৈয়ে নিবনুৱা সমস্যাটোৰ ব্যাপক ৰূপ ধাৰণ কৰিছে। কিন্তু ইয়াৰ সমাধানৰ কাৰনে চৰকাৰে কোনো সক্ৰিয় ব্যৱস্থা কৰা নাই। এই নিবনুৱা সমস্যা সমাধান কৰিবলৈ ততকালে ব্যৱস্থা লব লাগে। আজি আমাৰ সৰহসংখ্যক লৰাই চাকৰী মুখী। অৱশ্যে এইটোও ঠিক যে অকল চাকৰী কৰিলেই নিবনুৱা সমস্যা সমাধান নহয়। চাকৰীৰ বাহিৰেও আমাৰ শিক্ষিত লৰা বিলাকক অন্য কামত নিয়োগ কৰিব পাৰিব লাগিব। যোৱা কেইটা বছৰত আমি কেইটামান উদ্যোগ দেখিবলৈ পাইছো, কিন্তু তাকো আমাৰ থলুৱা লৰাই চাকৰি পোৱা নাই।

আমাৰ লৰা ছোৱালী বিলাকক বেপাৰী কৰিব পৰা নাই। আমাৰ লৰা ছোৱালী বিলাকক বেপাৰী কৰিবৰ কাৰণে যিখিনি যত্ন হব লাগিচিল, সেই খিনি যত্ন হোৱা নাই। তাৰ পিচত আমাৰ খেতিয়কৰ মাজত কিছুমান মানুহ নিবনুৱা হৈছে। কাৰণ মানুহৰ সংখ্যা দিনে দিনে বৃদ্ধি হৈছে, কিন্তু মাটি সংখ্যা বৃদ্ধি হোৱা নাই। তাত এগাল খেতিয়ক অনা খেতিয়ক হৈ পৰিছে। সেইবিলাক মানুহৰ হাল বাবৰ কাৰণে খেতি কৰিবৰ কাৰণে প্ৰয়োজনীয় মাটি নাই। আজি আমাৰ

দেশৰ মানুহে মাটিৰ বাবে বিভিন্ন ঠাইত আন্দোলন কৰিছে, জেল জৰিমনা খাইছে ; কিন্তু এই দৰে তেওঁলোকে কিমান দিন আন্দোলন কৰি থাকিব প্ৰকৃততে চৰকাৰৰ কিমান মাটি আছে আৰু কিমানখিনি মানুহক সেই মাটি দিব পাৰি, তাৰ ব্যৱস্থা সোনকালে কৰিব লাগে। আমি প্ৰায়ে দেখিছো যে চৰকাৰে কাম বিলাক লাহে লাহে কৰে, আৰু ফলত সমস্যা বাঢ়ি যায়। প্ৰকৃততে চৰকাৰে কিমান মাটি দিব পাৰে অতি সোনকালে দিয়াৰ দিহা কৰিব লাগে। অসম ৰাজ্যখন কৃষি প্ৰধান ৰাজ্য। অসমৰ উন্নতি হবলৈ হলে কৃষিৰ উন্নতি হব লাগিব। কিন্তু খেতিৰ উন্নতি কৰিবৰ কাৰণে প্ৰকৃততে কিবা কৰিছেনেকি ? খেতিয়কক দিহা পৰামৰ্শ দিবৰ বাবে কৃষি বিভাগ আছে কিন্তু প্ৰকৃট:ত দিহা পৰামৰ্শ দিয়াৰ এই আচনি বিলাক ৰাইজে লবৰ কাৰণে কিবা চেষ্টা হৈছেনে ? একেবাৰে হোৱা নাই। কাগজতহে খেতি কৰি খৰচ কৰিছে। খেতিৰ উন্নতি কৰিবৰ কাৰণে বিজ্ঞানৰ সহায় লোৱাৰ কথা কোৱা হৈছে, উন্নত সচৰ কথা কোৱা হৈছে, ৰাসায়নিক সাৰৰ কথা কোৱা হৈছে আৰু ১২ মাহে খেতি কৰিবৰ কাৰণে কোৱা হৈছে। মানুহক অকল ১২ মাহে খেতি কৰিবৰ কাৰণে কলেই হব নেকি ? ১২ মাহে খেতি কৰিবৰ কাৰনে প্ৰয়োজনীয় আহিলা পাতিৰ ব্যৱস্থা হৈছে জানো ? নিশ্চয় নাইহোৱা। এডোখৰ মাটিত কেইবাটাও খেতি কৰিবলৈ হলে ৰাসায়নিক সাৰৰ প্ৰয়োগ হব লাগিব আৰু স্থায়ী পানীৰ ব্যৱস্থা হৰ লাগিব। যি কেই মাহত প্ৰকৃতিয়ে পানী দিয়ে, সেই কেইমাহত খেতি হয় আৰু বাকী মাহত পানীও নাই আৰু খেতিও নাই। দমকল কেইটামান কৰি ঢোল কোবালেই নহয়। আজি বিজুলি হৈছে, উৎপাদন শক্তিত লগাব লাগে, কিন্তু লগোৱা হোৱা নাই। যদি বিজুলী শক্তি কৃষিত লগালে হেতেন তেন্তে নিশ্চয় কৃষিৰ উন্নতি হলহেতেন। বিজুলি লগাইছে চহৰত, ধনী মানুহৰ ঘৰত পাই খানাত কিন্তু খেতিৰ পথাৰত লগোৱা হোৱা নাই আমিদেখিছো বিজুলিৰ লাইন খেতিৰ পথাৰৰ মাজেদি গৈছে, লৰা ছোৱালীয়ে চুই মৰিছে কিন্তু উপকাৰ পোৱা নাই। অসমত নৈ নদী বহুত আছে, সেইবিলাকত বিজুলী শক্তিৰ দ্বাৰা পানীৰ দিহা কৰা হলে নিশ্চয় খেতি উন্নতি হলহেতেন।

তাৰ পিছত মই ৰাজধানীৰ কথা কব খুজিছো। ৰাজধানীখন

চিলঙৰ পৰা নিব লাগে এইতো আজিৰ দাবী নহয়, তাহানী খনৰ দাবী কাৰণ ৰাজধানীৰ লগত জনসম্পৰ্ক থাকিব লাগিব, কিন্তু চিলঙলৈ আমাৰ ৰাইজ আহিব নোৱাৰে। ছিলঙৰ পৰা ৰাজধানী খন নিবৰ কাৰনে কোৱা হ'ল যিমানেই নতুত নতুন ঘৰ সাজিলে, ডাঙৰ ডাঙৰ বিলডিং সাজি অজস্ৰ টকা খৰচ কৰিলে শেষত মেঘালয়ৰ সৃষ্টি হ'ল তেতিয়া ৰাজধানী যাবলৈ বাধ্য হ'ল আজি এবছৰ আগত মেঘালয়ৰ সৃষ্টি হ'ল ; কিন্তু এই এবছৰৰ ভিতৰত ৰাজধানীখন কত হ'ব তাৰ ঠাই নিৰ্ণয় নকৰাৰ কাৰণ কি? সেই কাৰণে যিদিনা মই প্ৰশ্ন কৰিছিলো যে মনে মনে মেঘালয়ৰ লগত বন্দোবস্ত কৰি, কেৰিয়া লৈ আৰু কেইবছৰমান ৰাজধানীখন ৰখাৰ দিহা কৰিছে নেকি? ৰাজধানীখন তুলি নি পৰিকল্পিত ভাবে এডোখৰ ঠাইত পাতিব লাগে। সৰহ সংখ্যক ৰাইজে কৈছে যে নগাওঁৰ শিলঘাট বা কলিয়াবৰত পাতিলে সমগ্ৰ অসমৰ বাবে উপযুক্ত ঠাই হব। ভূত পূৰ্ব্ব মূখ্যমন্ত্ৰী স্বৰ্গীয় বিমলা প্ৰসাদ চলিহাই উজনী অসমৰ উন্নতিৰ বিশেষ যত্ন নকৰিলে মুখ্যমন্ত্ৰী চৌধুৰী ডাঙৰীয়াইও সেই একে ৰাস্তা লব বিচাৰিছে। তেখেতে গুৱাহাটীতে ৰাজধানীখন পতাৰ চিন্তা কৰে যেনেকৈ গুৱাহাটীত হোৱা অনুকুল পৰিবেশ সৃষ্টি হব পাৰে তালৈ লক্ষ্য ৰাখি ঠাই নিৰ্বাচন কৰাৰ কামত দেৰী কৰিছে বুলি আমি অনুভব কৰিছো। নগাওঁত ৰাজধানী পাতিলে সমগ্ৰ অসমৰে উন্নতি হব। ডিব্ৰুগড় মহকুমাৰ বিষয়ে একষাৰ কব বিচাৰিছো এই মহকুমাটো ৰাজধানীৰ পৰা বহুত দূৰত হোৱাৰ বাবেই লোক চৰকাৰৰ চকুত নপৰে। ডিব্ৰুগড়খন দেখাত উন্নত হলেও একেবাৰে পিচপৰা, যাতায়ত শিক্ষা আদিত আন জিলাতকৈ বহুগুনে পিচপৰা সেই কাৰণে এই ঠাইখনক বিশেষ ভাবে মনযোগ দিয়া উচিত।

Shri Mothura Mohan Singha— মাননী অধ্যক্ষ মহোদয়, মাননীয় ৰাজ্যপাল মহোদয়ে সদনত যিতো ভাষণ দিছে সেই সম্পৰ্কে মই দুষাৰমান কব খুজিছো। মাননীয় ৰাজ্যপাল মহোদয়ে তেখেতৰ ভাষণত আমাৰ দেশৰ শান্তি শৃঙ্খলাৰ কথা উল্লেখ কৰি নকসাল বাদৰ কথা উল্লেখ কৰিছে। সচাকৈয়ে আমাৰ দেশত আজি কিছুদিনৰ পৰা নকসাল বাদৰ উৎপত্তি গোৱালপাৰা জিলাৰ বঙাইগাওঁত আৰম্ভ হয় আৰু তাৰপৰাই আমাৰ

প্ৰদেশৰ বিভিন্ন ঠাইত সিচৰিত হয়। কাৰণ সেই ঠাইৰ কিছু অংশত দুই এটা হত্যা কাণ্ড হৈছিল। এই বিলাক কথা চৰকাৰে জানে আৰু সেই সম্পৰ্কে চৰকাৰে যিখিনি ব্যৱস্থা লব লাগে হয়তো লৈছে। মই ভাবো এই নক্সাল বাদৰ কাৰ্য্য কলাপৰ কাৰণে যি সন্ত্ৰাসৰ সৃষ্টি হৈছে, সেইটো মানুহৰ মনৰ পৰা এতিয়াও আতৰি যোৱা নাই। সেই কাৰণে ইয়াৰ আশু ব্যৱস্থা হাতত লব লাগে আৰু যাতে সন্ত্ৰাসৰ ভাব মানুহৰ মনৰ পৰা আতৰি যায় তাৰ ব্যৱস্থা কৰিব লাগে। বঙাইগাৱঁত Railway colony ত পশ্চিমবঙ্গৰ পৰা বিভিন্ন ধৰণৰ মানুহ আহি আশ্ৰয় লয়; আৰু তাৰ লৰা নকক্সাল বাদৰ এটা কেন্দ্ৰ গঢ়ি উঠিছে। এই বিলাক দমন কৰিবৰ কাৰণে বঙাইগাৱঁত স্থায়িকৈ D. S. P. আৰু Inspectors আদি দিয়াৰ ব্যৱস্থা কৰিব লাগে। স্থায়ী ব্যৱস্থা নেহোৱাৰ কাৰণে দমন কৰা কাৰ্য্যত কৃতকাৰ্য্য হোৱা নাই। মই আশা কৰো বঙাইগাৱঁত নক্সাল বাদৰ কাৰ্য্য কলাপ দমন কৰিবলৈ এটা শক্তিশালী পুলিচৰ ব্যৱস্থা কৰি তাৰ মানুহৰ মনৰ পৰা সন্ত্ৰাসৰ ভাৱ দূৰ কৰাৰ কাৰণে চৰকাৰক অনুৰোধ কৰো। তাৰ পিচত মাননীয় ৰাজ্যপাল মহোদয়ে দেশত নিবনুৱা সমস্যাৰ কথা উল্লেখ কৰিছে। এই নিবনুৱা সমস্যাই আজি সচাকৈ গোটেই অসমতে বিয়পি পৰিছে। গতিকে গোৱালপাৰা জিলাত ইয়াৰ পৰা বাদ পৰা নাই। এই নিবনুৱা সমস্যাৰ ক্ষেত্ৰত এটা কথা কব লাগিব যে গোৱালপাৰা জিলাত আজিলৈকে কোনো উদ্যোগ গঢ়ি উঠা নাই। সৌভাগ্যৰ কথা যে আমাৰ চৰকাৰে এটা তেল শোধানাগাৰ দিয়াৰ প্ৰস্তাব কৰিছে। বঙাইগাৱঁত আৰু যোগীঘোপাত কাগজৰ কল স্থাপন কৰাৰ সিদ্ধান্ত কৰিছে। এই সিদ্ধান্ত বিলাক যদি সোনকালে কাৰ্য্যকৰি হয় তেন্তে নিবনুৱা সমস্যা সমাধান হোৱাৰ কিছু সম্ভাৱনা আছে। আমি আশা কৰিছো যে এই উদ্যোগ দুটাত যাতে আমাৰ শিক্ষিত নিবনুৱা যুৱক সকলে স্থান লবপাৰে তাৰ বাবে উপযুক্ত Traning দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। এই সম্পৰ্কে বঙাই-গাৱঁত থকা I T. I ত এই উদ্যোগ দুটাত স্থান লবৰ কাৰণে আৱশ্যকীয় পাঠ্যক্ৰমৰ ব্যৱস্থা কৰিব লাগে যাতে আমাৰ শিক্ষিত ডেকাসকলে তাত অংশ গ্ৰহণ কৰিব পাৰে। কৃষিৰ ক্ষেত্ৰত এই জিলাখন পিচ পৰা সেই

কথা চৰকাৰেও জানে। কাৰণ আমাৰ জিলাত বান্ধৰ দ্বাৰা পানী শৰবৰাহৰ ব্যৱস্থা হোৱা নাই। গোৱালপাৰা জিলাত যি কেইটা বান্ধ, ডোঙৰ আঁচনি লৈছে সেই কেইটা আজিলৈকে কাৰ্য্যকৰী নোহোৱাত জলসিঞ্চনৰ ব্যৱস্থা হোৱা নাই আৰু তাৰ পৰা খেতিয়ক সকল উপকৃত হব পৰা নাই।

আমাৰ দেশত বিজুলি শক্তি উৎপন্ন হৈছে যদিও বিজুলী শক্তিৰ গোটেই পথাৰ বিলাকত পানী দিয়াৰ ব্যৱস্থা হোৱা নাই। পথাৰ বিলাকত বিজুলী শক্তিৰ জৰিয়তে পানী যোগাব পাৰিলেহে কৃষিৰ ক্ষেত্ৰত আগ বাঢ়িব পৰা যাব। আমাৰ অসমৰ বান পানীৰ সমস্যাৰ কথা সকলোৱে উল্লেখ কৰিছে। ইয়াৰ পৰা অসমৰ ভিতৰত গোৱালপাৰা জিলাও বাদ পৰা নাই, সৰু সৰু উপ নৈ বিলাকৰ পৰা গোৱালপাৰৰ ৰাইজে ৰক্ষা পোৱা নাই; অথচ তাৰ উপযুক্ত ব্যৱস্থা লব পৰা নাই। বান পানীৰ কামত প্ৰত্যেক বছৰে লাখ লাখ মানুহৰ মাটি বাৰী উটি গৈ গৃহহীন হয়। তেওঁলোকৰ মাটি বাৰীৰ ব্যৱস্থা নোহোৱাৰ কাৰনেই মানুহ বিলাক অনাই বনাই ঘুৰি ফুৰিব লগা হৈছে। গতিকে তাৰ এটা বিহিত ব্যৱস্থা কৰিব লাগে। গোৱালপাৰাত পিছ পৰা অজাতি হিচাবে যিবিলাক সা-সুবিধা দিব লাগিছিল সেই সা-সুবিধা দিব পৰা নাই। আজি Scheduled caste আৰু Scheduled Tribes ৰ যিবিলাকৰ সুবিধা আছে তেনেকুৱা সুবিধা অনুন্নত শ্ৰেণী আৰু পাছপৰা শ্ৰেণীক সুবিধা দিব লাগে যাতে তেওঁলোকে আগ বাঢ়ি যাব পাৰে। মই ইয়াকে কৈ সামৰণি মাৰিলো।

Shri Motilal Kanoo— মাননীয় অধ্যক্ষ মহোদয় রাজ্যপালের ভাষনের প্রতিবাদে আমি বলতে চাই যে রাজ্যপাল সাহেব নিজের ভাষনের শেষ দিকে বলেছেন যে, - "আমাদের যুবক গনের অস্থিরতা দেখিয়া আমার সরকার দুখিত। যুবকদের কি কি কার্য্যকলাপের প্রতি সরকারের এই দুখের কারণ। যুবকরা কেন গরর্ণরের কার্য্যকালাপ দেখে আমরা করা বিধান সভার সদস্য এবং অন্যান্য নেতৃবৃন্দর বিব্রত হয়ে পড়ো।

যাই হোক রাজধানী স্থানান্তরিত করার ব্যাপারে ৩।৪ দিন পূর্ব্বে এক প্রশ্নের উত্তেরে ত্রিপাটীজী, ৭২ ইংরাজীর আগে স্থান নির্ণয় হতে পারবে কিনা সেসম্বন্ধে সঠিক কিচু বলতে সাহস পান নাই। অথচ গত কাল

মুখ্য মন্ত্রী মহোদয় বলেছেন April মাসে প্রথম সপ্তাহে একটি রিপোর্ট পাওয়া যাবে। আমি আশা করবো যাতে April এর মাঝা মাঝি এই Report আমার সদনে পেতে পারি যেন স্থান নির্ণয় হয়েছে এবং কাজর অগ্রতির তাড়াতড়ি ব্যবস্থা হবে।

তাহাড়া চিকিৎসা সম্বন্ধে যে ব্যবস্থা সরকার নিয়েছেন এবং আও Sub-Centre, Family Planninig Centre খোলার ব্যবস্থা করেছেন সেই সম্বন্ধে আমি বলবো গ্রামাঞ্চলে সুচারুরূপে যাতে তার বণ্টনের ব্যবস্থা হয় তার দিকে বিশেষ নজর দিতে হবে। আমার জনামতে অমাদের করিমগঞ্জ মহকুমায় বিগত ১০ বসেরর মাধ্য কোন নতুন Sub-Centre বা Family Pinning Centre কিছুই খোলা হয় নাই। করিমগঞ্জ মহকুমায় যাতে এই নূতন পরিকল্পনায় একটা ভাল অংশের চিকিৎসার সুবিধা পেতে পারি তার ব্যবস্থা করবেন, তাছাড়া চিকিৎসার ব্যাপারে বাগানের অনেক ছাটাই শ্রমিক আছে তাহাদের ঔষধ পত্রের ব্যবস্থা করা সরকারের উচিত। ঔষধ পত্রের অভাবে এই দুস্থ শ্রমিকদের মৃত্যু হলে সেটা সরকারের অবহেলায় হয়েছে বলে ধরা হবে, তাই বলি, সরকারে তাদের ঔষধ পত্রের ব্যবস্থা করেন।

আমাদের শিলচর Medical College থেকে এবারে M.B.B.S. পরীক্ষা দিয়েছে বলে রাজ্যপালের ভাষনের লেখা আছে, আমার জানামতে এবার ৩ বৎসরে হলো কলেজের পড়া আরম্ভ হয়েছে, ৩ বৎসের কি করে M.B.B S. Final পরীক্ষা হতে পারে।

Shri Mahendra Mohon Chauddhary— Chief Minister Ist year M.B.B.S পরীক্ষা হয়েছে।

Shri Motilal kannoo— কিন্তু রাজ্যপালের ভাষনে স্পষ্ট লেখা আছে "শিলচর মেডিকেল কলেজের ছাত্রের প্রথম দলটি এম, বি, বি, এস পরীক্ষা দিয়াছে।" যাই হোক শিলচর Medical College এর Surgical বিভাগের জিনির পত্রের order দেওয়া হয়েছে একটা Bogus কোম্পানীকে। এই সম্পর্কে শিলচরের "পূর্ব্বশ্রী পত্রিকা লিখিছে,—"

"সাবাস শিলচর মেডিকেল কলেজ"

"এই কলেজের বহু রূপকথার কাহিনী কার না জানে? ইদানীং জানা গেল লুধিয়ানার এক নিম্নশ্রেণীর কোম্পানী নাকি কোন ব্যক্তি বিশেষের সঙ্গে মোটা কমিচন বিনিময়ের পর ৩ লক্ষ টাকার সার্জিকেল মালের অর্ডার পায়। ঐ কোম্পানীর মাইক্রোস্কোপ দিয়ে নাকি কাজ করা যাচ্ছেনা। তবে কোম্পানী একটি ভাল কাজ করেছে উক্ত অর্ডার পেয়ে শিলচর ইলোরা হোটেলে কলেজর প্রিন্সিপাল ও Staff কে এক বিরাত পার্টি দিয়েছে।"

এই সম্পর্কে আমি একটি বিস্তৃত তদন্তের জন্য চরকারের নিকট অবেদন করাই এবং অনতি বিলম্বে যেন রিপর্টটি বিধান সভাই পেশ করা হয়।

এবার আমি আমাদের কাছাড়ের বাগান অঞ্চলের স্কুল গুলির কথা বলছি। ১৯৬৮ ইংরাজীতে অনেক গুলি স্কুল সরকার নেন। কিন্তু কাছাড়ের বাগান গুলিতে অনেক L.P. এবং M.E School আছে যাতে এখনো সরকারের দৃষ্টি পড়েনি। আমি সেই গুলির জন্য বিভাগীয় কর্ত্তৃপক্ষের দৃষ্টি আকর্ষন করছি।

Borak Dam না হওয়ায় ১৯৬৬ ইংরাজীতে বন্যায় ৪'৩৭ কোটি টাকা লোকসান হয়েছে বলে রাজ্যপালের ভাষণে লেখা আছে। ১৯৬৭-৬৮।৬৯।৭০ ইং তে বন্যার ক্ষতি পূরণের হিসাব দেন নাই। প্রতি বৎসর কাছাড়ের বন্যায় দুই কোটি টাকারও বেশী লোকসান হয়ে থাকে। সেজন্য Borak Dam হওয়ার অত্যন্ত প্রয়োজন। মনিপুরের সামান্য অংশের ক্ষতি হবে বলে এই Borak Dam এর কাজ বন্ধ রাখা উচিত নয়। সেই জন্য আমি সরকারকে অনুরোধ করছি যাতে এই Barak Dam এর কাজ ১৯৭২ সনের Election এর আগেই হয়।

এইটুকু বলে রাজ্য পালের ভাষণের বিরোধিতা করে আমি শেষ করছি।

Shri Biswadev Sarma (Minister Industris) :— মাননীয় অধ্যক্ষ মহোদয়, এইবাৰৰ ৰাজ্যপালৰ ভাষণত প্ৰায় সৰহভাগ সদস্যই অৰ্থনীতিৰ বিকাশ, আৰু নিবনুৱা সমস্যাৰ ওপৰত বেছি গুৰুত্ব আৰোপ কৰিছে। বিশেষকৈ আজি অসমৰ শিল্পউন্নয়নৰ ক্ষেত্ৰত তেখেতঁসকলে কেইটামান কথা

আঙুলিয়াই দেখুৱাইছে। গতিকে সেই বিষয়ে থুলমূলকৈ কেইটামান কথা কব খুজিছো। অসমৰ শিল্প উন্নয়ন বুলিলে অসমৰ কিছুমান ঠাইত কেইটা-মান কলকাৰখানা হোৱাকে বুজায়। আমি যদি সামাগ্রিক ভাৱে এই কথাটো বিবেচনা কৰি চাওঁ তেন্তে অসমৰ কেইটামান মূল সমস্যা, অসমৰ শিল্পউন্নয়ণৰ ক্ষেত্রত প্রথমতেই দেখা পাওঁ। অসম বিভাজন, ভাৰতবৰ্ষ বিভাজন হোৱাৰ পিচত আমাৰ যিখন ওচৰৰ বজাৰ কলিকতা তাৰ দুৰত্ব প্রায় ২ গুন। ১৯৬৫ চনত পাকিস্তানৰ আক্রমনৰ পৰিণাম স্বৰূপে আমাৰ সস্তীয়া জল পৰিবহনৰ যি ব্যৱস্থা আছিল সেই পৰিবহনৰ ব্যৱস্থা বন্ধ হৈ গল। ৰাজহুৱা খণ্ডত বা ব্যক্তিগত খণ্ডতো উদ্যোগস্থাপন কৰিব পাৰি কিন্তু সেই বস্তুবিলাক আমাৰ ওচৰৰ বজাৰ কলিকতালৈ পঠাই আমি লাভৱান হব নোৱাৰো। গতিকে শিল্পউন্নয়নৰ যি মূল অসুবিধা এই বিষয়ে কেন্দ্রীয় চৰকাৰে যদি আমাক সকাহ নিদিয়ে তেন্তে অহুৰ ভৱিষ্যতেও অসমে শিল্পউন্নয়নৰ ক্ষেত্রত গা কৰিব নোৱাৰে। সেইকাৰণে প্রথমতে মই এই কথাটোকে কেন্দ্রীয় চৰকাৰক কৈছো যে, ভাৰতবৰ্ষৰ বিভাজনৰ বাবে অসমৰ ৰাইজ জগৰীয়া নহয়। ভাৰতবৰ্ষৰ নেতাসকলে দিল্লীত ভাৰত বিভাজনৰ সিদ্ধান্ত ললে আৰু সেইঅনুসাৰেই ভাৰতত বিভাজন হল—পৰিনাম স্বৰূপেই কলিকতা বজাৰৰ দুৰত্ব ২ গুণ হল। আমাৰ Persian gulf ৰ পৰা বাৰাউনিলৈ খাৰুৱা তেল আনোতে এটা National division ধৰা হয়। gulf of Persesce ৰপৰা কলিকতাৰ ও তিনচুকিয়ালৈও যি পচিছজনৰ খৰছ মাইলৰ ধৰি সেই as for দৰে তদৰৰ পাইনৰ ঠাইত কবৰ ঠাই হিচাপে ধৰিব ললে। আমাৰ ৰাজ্যত উদ্যোগ স্থাপনৰ ক্ষেত্রত যি কেচাঁমাল বাহিৰৰ পৰা আনি উদ্যোগ স্থাপন কৰা হয়, সেই উদ্যোগ বিলাক স্বাৱলম্বী হব নোৱাৰে। তৃতীয় পৰিকল্পনাতে উদ্যোগ স্থাপন কৰিবৰ কাৰণে আমি যিবিলাক শিল্পপতিক Permit দিছিলো তেওঁলোকে অসমলৈ নাহে কিয়নো অসমত উদ্যোগ স্থাপন কৰিলেও তেওঁলোক লাভৱান হব নোৱাৰে। গতিকে আমাৰ কথা হৈছে যে, অসমত শিল্প প্রতিস্থা কৰিবৰ কাৰণে অসম চৰকাৰে যি Incentive দিছে ভাৰতচৰকাৰেও যদি তেনেধৰণৰ Incentive নিদিয়ে তেন্তে অসমৰ শিল্প প্রতিস্থা কৰা সম্ভৱ নহয়। সেই-কাৰণে আমাৰ পৰিবহনৰ ক্ষেত্রত ৮ শ মাইলৰ ঠাইত ৪ শ মাইল

National is ation কৰাৰ বাবে আমি কেন্দ্ৰীয় চৰকাৰক দাবী জনাইছো। যদি ৫ বছৰৰ কাৰণে Income tax, Corporation tax এইবিলাক ৰেহাই দিয়ে আৰু আমাৰ পিচপৰা অঞ্চল বিলাকত বিশেষ কিছুমান সুবিধা কেন্দ্ৰীয় চৰকাৰে দিয়ে তেনেহলে আঞ্চলিক বৈষমতা দূৰ হোৱাৰ লগে লগে অসমে শিল্প ক্ষেত্ৰতো যথেষ্ট অগ্ৰগতি লাভ কৰিব। এই সম্পৰ্কত তেখেঁতে এটা কমিটি পাতি দিছে আৰু এই কমিটিৰ পৰামৰ্শ মতেই গোৱালপাৰা, কামৰূপ, নগাওঁ মিকিৰ পাহাৰ, কাচাৰ আৰু মিজো পাহাৰক পিচপৰা অঞ্চল হিচাবে গন্য কৰি কিছুমান বিশেষ সুবিধা তেওঁলোকক দিবলৈ স্থিৰ কৰিছে।

দ্বিতীয়তে, অসমত যি প্ৰাকৃতিক সম্পদ আছে, সেই প্ৰাকৃতিক সম্পদৰ ওপৰত ভিত্তি কৰি আমি কিছুমান বৃহৎ শিল্প গঢ়ি তুলিব পাৰো। যেনেঃ—চুনশিল্প, চিমেণ্ট কাৰখানা ইত্যাদি। বৰ্ত্তমান চেৰাপুঞ্জিত থকা চিমেণ্ট কাৰখানা ২৫০ ৰ পৰা ৮৫০ টনলৈ বঢ়াবলৈ চেষ্টা কৰিছে। বোকাজানত চিমেণ্টৰ, যোগীঘোপাত, কাচাৰ আৰু নগাওঁত কাগজৰ কল স্থাপন কৰিবৰ কাৰণে চেষ্টা কৰা হৈছে। আমাৰ মৰাপাটৰ কল আছে (জুট মিল) আছে। ইতিমধ্যে আমি আৰু কিছুমান উদ্যোগ স্থাপন কৰিবৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ লগত লিখালিখি কৰি আছো। অসমত যি শিল্প উন্নয়ন হব তাৰ দ্বাৰা যদি অসমৰ ৮০ ভাগ মানুহৰ সুবিধা নহয় তেন্তে অসমত শিল্পউন্নয়নৰ পৰা একো লাভ হব নোৱাৰে। সেইবাবে অসমৰ শিল্পউন্নয়নৰ যি আঁচনি সেই আঁচনিখন এনেকুৱা হব লাগিব যাতে অসমৰ প্ৰত্যেক অঞ্চলতে আঁচনি কাৰ্য্যকৰী কৰিবপাৰি। ইয়াৰ দ্বাৰা সকলো অঞ্চলতে সমানভাৱে সেই উদ্যোগবিলাক গঢ়ি উঠিব পাৰিব। ইয়াৰ বাবে আমাক বিজুলী শক্তিৰ প্ৰয়োজন হব। বিজুলী শক্তিৰ কথা আলোচনা কৰোতেই কোৱা হৈছে যে, যোৱা ২য় পৰিকল্পনাতহে অসমত বিজুলী শক্তিৰ কাম আৰম্ভ কৰা হৈছে। কিন্তু তৃতীয় পৰিকল্পনাৰ শেষলৈকে অসমৰ গাওঁঅঞ্চলত বিজুলী শক্তিৰ সম্প্ৰসাৰণৰ কোনো আঁচনি নাছিল। আজি দেখা গৈছে শতকৰা ৮০ ভাগ মানুহ গাওঁত বাস কৰে। আজি যিবিলাক ডেকালৰা নিবনুৱা হৈ আছে তেওঁলোকৰ কথা আমি বিবেচনা কৰিব লাগিব। সেইবাবে উদ্যোগী কৰাৰ প্ৰথম কথা

হৈছে বিজুলী শক্তিৰ সম্প্ৰসাৰণ। যদি বিজুলী শক্তি সেই অঞ্চলবিলাকলৈ নাযায়, তেতিয়াহলে তাত কোনো উদ্যোগ বা শিল্পউন্নয়নৰ আচঁনি গ্ৰহণ কৰিব নোৱাৰি। সেইকাৰণে চতুৰ্থ পৰিকল্পনাৰ প্ৰথম ভাগতে বৈদ্যুতিকৰণৰ ক্ষিপ্ৰ ব্যৱস্থা হাতত লবলৈ চেষ্টা কৰিছো। চতুৰ্থ পৰিকল্পনাত প্ৰায় ৯ কোটি টকা খৰচ কৰি গাওঁঅঞ্চল বিলাকতো বিজুলী সৰহবৰাহ কৰিবৰ কাৰণে ব্যৱস্থা কৰা হৈছে। যিবিলাক ঠাইলৈ বিজুলীশক্তি গৈছে সেই ঠাইত কেনেধৰণৰ উদ্যোগ স্থাপন হব পাৰে সেই কথাটো আমি আগতে চিন্তা কৰিব লাগিব। অসমৰ এই অঞ্চল সমূহত যিবিলাক উদ্যোগ গঢ়ি উঠিব সেই শিল্পৰ বজাৰ আমাৰ ইয়াতে হব লাগিব। কিয়নো কলিকতাৰ বজাৰত ফেৰ মাৰি আমাৰ বস্তু বিক্ৰিকৰা সম্ভৱনহব।

অসম এখন কৃষিপ্ৰধান দেশ। আমাৰ প্ৰায় মানুহে কৃষিৰ ওপৰত নিৰ্ভৰ কৰি যিবিলাক উদ্যোগ গঢ়ি উঠিব—সেইবিলাক বস্তুৰ বজাৰ অসমতে হব লাগিব। অসমত প্ৰায় ১½ কোটি মানুহ আছে কিন্তু এই ১½ কোটি মানুহৰ দৈনন্দিন ব্যৱহাৰ্য্য বস্তু পোৱা টান। আমাৰ মানুহে মৰাপাটৰ খেতি কৰে, ধানৰ খেতি কৰে ইয়াৰ পৰা আমি মৰাপাটৰ আৰু ধানৰ কল স্থাপন কৰিব পাৰো। আমি আমাৰ দেশতে খুদ-চাউলৰ পৰা rice bran ৰ পৰাও Vegetable ghee তৈয়াৰ কৰিব পাৰো খেৰৰ পৰা Straw Board কৰিব পাৰো। আমাৰ মানুহে সৰিয়হৰ খেতি কৰিছে, ইয়াৰ পৰা আমি সৰিয়হৰ কল স্থাপন কৰিব পাৰো—।

অসমৰ মাটিত নোহোৱা বস্তু একো নাই। সকলো বস্তু হয়। গতিকে আমি এনেকুৱা ধৰণৰ এখন decentralisation আচঁনি কৰিব লাগিব যাৰ খেতিৰ লগত সম্বন্ধ থকা কিছুমান শিল্প কৰিব পাৰো যেনে ধৰক Vegetable dehidration plant কৰি আলু, পিয়াজ, মটৰ মাহ কবি আদিৰ খেতি কৰি বিদেশৰ বজাৰত বিক্ৰী কৰিব পাৰি। বিদেশৰ বজাৰত এই বস্তুবিলাকৰ চাহিদা ইমান বেছি যে ২ বছৰৰ ভিতৰত যিমানখিনি উৎপাদন হয় সিমান বস্তুকে consumtion কৰিব। কৃষিৰ ওপৰত ভিত্তি কৰি যিবিলাক শিল্প কৰিবলৈ আমি চিন্তা কৰি আছো। শতকৰা ৮০ জন মানুহেই আমাৰ কৃষিজীৱি গতিকে আমাৰ আচনি বোৰত যাতে এই ৮০ ভাগ মানুহ উপকৃত হব তাৰ বাবে চেষ্টাকৰিব লাগিব।

এতিয়াচাওঁক গমধান। গমবিলাকৰ পৰা খাদ্য আদি হোৱাৰ উপৰিও ইয়াৰ পৰা Starch কৰি বস্ত্ৰশিল্পত লগাব পাৰি। Elible oil আদি হব আৰু তাৰ পৰা vegitable ghee কৰিব পাৰি। আৰু বাকিখিনি Chiken food, Cattle food কৰিব। এইবোৰত শতকৰা ৬৫ ভাগ প্ৰটিন আছে। মই জানিব পাৰিছো তিনচুকিয়া আদিৰ পৰা গমধান কলিকতালৈ যায়। গতিকে ইয়াৰ পৰা এই বোৰ লৈ বাহিৰত শিল্প প্ৰতিষ্ঠা কৰে। কিন্তু উদ্যোগ কৰাৰ আগতে আমাৰ খেতিয়ক সকলৰ ক্ৰয় শক্তি বঢ়াব লাগিব। খেতিয়ক সকলৰ ক্ৰয় শক্তি নাবাঢ়িলে উদ্যোগ-পাতি তাৰ বস্তু বিলাক ক'ত বিক্ৰী কৰিম? গতিকে আজি আমি চেনীৰ উদ্যোগ পাতিছো যদি আমাৰ খেতিয়কৰ ১ কেজি চেনী কিনিবৰ সমৰ্থ নাথাকে তেনেহলে আমি চেনী ইয়াত উৎপাদন কৰি কলিকতাত বিক্ৰী কৰিব যাব নোৱাৰো। সেই কাৰণে প্ৰথম খেতিয়কৰ ক্ৰয় শক্তি বঢ়োৱা। এতিয়া ধৰক আমি Plastic Industry কৰিব খুজিছো কামৰূপৰ Petro Complex ৰ পৰা ইয়াৰ পৰা য'তে ত'তে বালটি জুতা আদি তৈয়াৰ কৰিব পাৰিব কিন্তু তাৰ কাৰণে লাগিব বিজুলি সম্প্ৰসাৰণ। এই বিজুলি সম্প্ৰসাৰণ হলে য'তে ত'তে উদ্যোগখুলি বস্তুবিলাক বিক্ৰী কৰিব পাৰিব। কিন্তু মুলকথা আমি ৮০ ভাগ খেতিয়কৰ ক্ৰয় শক্তি বঢ়াবপাৰিব লাগিব। তেতিয়াহে আমাৰ উৎপাদিত বস্তু সমূহ বজাৰত বিক্ৰি কৰা সহায় হ'ব। গতিকে এই ধৰণে আচনি কৰিবৰ কাৰণে ইতিমধ্যে আমি Planning Commisson ৰ লগত আলোচনা কৰিছো আৰু সেই মতে দিহা কৰিছো। আমাৰ খাৰুৱা তেলৰ ওপৰত যিটো ৰিফাইনেৰী হ'ব আমাৰ মাননীয় সদস্য সকলৰ নিশ্চয় মনত আছে যে এই সংক্ৰান্তত ডাঙৰ আন্দোলন হৈছিল। এই উদ্যোগটো বাহিৰত হোৱা হলে নিশ্চয় নিবনুৱা সমস্যা সমাধান নহলহেতেন। আমাৰ খাৰুৱা তেলটো এনেকুৱা কিছুমান উৎপাদন হৈছে যি বিলাক পৃথিৱীৰ অন্য ঠাইত নাই। ধৰক Aeronatic crude oil। এই বস্তুটোৰ পৰা D.M.T. Polyster Fibre তৈয়াৰ কৰিব পাৰি। যিটো পৃথিৱীত বিৰল। এতিয়া আমাৰ ফেশ্যন বিলাক দিনে দিনে সলনি হৈ আছে। এই ফেশ্যনৰ লক্ষ্য অৰ্থ নৈতিক সমস্যাটো জৰিত আছে। ধৰক ৫ টকাৰ কপাহী চোলা এটা কিনি যদি ৬ মাহে

পিন্ধিব পাৰি আৰু ২০ টকা টেৰেলিন চোলা এটা ২০ বছৰ পিন্ধিব পাৰি আৰু ইষ্ট্ৰি আদিও কৰিব নেলাগে। গটিকে টেৰেলিন চোলাটোহে প্ৰসস্ত আৰু দেখিবলৈ ধুনীয়া এই বস্তুতো আন্তৰজাতিক বজাৰত বেচ চাহিদা আছে। সেই কাৰণে আমাৰ প্ৰধান মন্ত্ৰীৰ লগত শোধানাগাৰ সম্বন্ধে আলোচনা কৰোতে এই কথা কৈছিলো যে অসমক উদ্যোগীকৰণ কৰিবলৈ যাঁওতে সদায় ৮০ ভাগ খেতিয়ক যাতে উপকৃত হ'ব পাৰে তেনেকুৱা আচনিহে প্ৰস্তুত কৰিব লাগিব। আমাৰ মাননীয় সদষ্য সকলৰ লগত মই একমত। ধেমাজী অঞ্চলত বিজুলী সম্প্ৰসাৰণ কৰিব পৰা নাই। অতি সোনকালে আমি সম্প্ৰসাৰণৰ চেষ্টা কৰি আছো যিহেতু উদ্যোগৰ ক্ষেত্ৰত অপৰিহাৰ্য্য হৈ পৰিছে। বিজুলী সম্প্ৰসাৰণৰ লগে লগে গাৱে চহৰে লৰা ছোৱালীয়ে আচনিত যোগদান দিবলৈ যাতে সুবিধা পায় তাৰো চেষ্টা কৰিব লাগিব।

অসমৰ ৰাইজৰ কৃষিৰ ভিতৰত বৰ্ত্তমান লেখত লবলগীয়া শিল্প হৈছে বস্ত্ৰ শিল্প। এই সম্পৰ্কে Planning Commission ৰ সদস্য এজনৰ লগত মই আলোচনাও কৰিছিলো। আৰু তেখেতৰ মতে এৰি আৰু মুগা সুটা আদৰণিয় বস্তু। আমাৰ যিবিলাক এড়ি মুগা আছে তাৰ Poly-astic fibere ৰ যাতে b'end কৰি এবিধ নতুন সুতা তৈয়াৰ কৰিব পাৰো। আৰু ইয়াৰ চাহিদাআন্তৰ জাতিক বজাৰত খুউব বেচি। বম্বেত এনেকুৱা এগজ কাপোৰৰ দাম ১৫০ টকা। ইয়াৰ পৰা উপলব্ধি কৰিব পাৰি আন্তৰ্জাতিক বজাৰৰ চাহিদাৰ কথা। এই ক্ষমতা কোনো দেশতে নাই। নৰ্থ কোৰিয়াত চেষ্টা কৰিয়ো কৰিব নোৱাৰিলে। এই সম্পৰ্কে আমি কেবিনেত চাব কমিটি এটা কৰিছো তাত আমাৰ কৃষি মন্ত্ৰী ৰেশম মন্ত্ৰী আদি বহি এখন আচনী তৈয়াৰ কৰিব খুজিছো।

এতিয়া অলপতে মহাৰাষ্ট্ৰ চৰকাৰে এবিধ নতুন কপাঁহৰ সঁচ উলিয়াইছে, যিটোৰ পৰা ৪ মাহৰ ভিতৰতে তাৰ ফচল পোৱা যাব। সেইটোত অৱশ্যে কম বৰষুন হোৱা মাটি লাগিব। সেই কাৰণে অসমৰ কিছুমান ঠাইত ইতিমধ্যে কৃষিবিভাগে আৰু ৰেশম বিভাগে কপাঁহ, মুগা আৰু এৰি খেতি কৰিবৰ কাৰনে কিছুমান আচঁনি প্ৰস্তুত কৰিছে আৰু সেইবিলাকত আমাৰ চৰকাৰৰ ফালৰ পৰা কিছুমান সুযোগ সুবিধা দিয়া হব যাতে ১৯৭৪

চনৰ ভিতৰত আমাৰ ইয়াত যি ৩০ হাজাৰ টকা ',Polyestar Fibre হব সেই গোটেইখিনি আমাক দিব বুলি ভাৰত চৰকাৰে লিখিত প্ৰতি-শ্ৰুতি দিছে। তেখেতসকলে কৈছে যে, যি ৩০ হাজাৰ টন সূতা হব সেই গোটেইখিনি সূতা অসমে বস্ত্ৰ শিল্পত ব্যৱহাৰ কৰিব পাৰিব। এতিয়া আমাৰ প্ৰশ্নটো হৈছে যে আমি যদি সেই সুযোগ গ্ৰহণ কৰিব নোৱাৰো তেনে হলে সেই বস্তু বিলাক বম্বে আদি ঠাইলৈ গুচি যাব আৰু সেই সুবিধাটো তেওঁলোকে গ্ৰহন কৰিব আমি যদি এইটো কৰিবপাৰো তেতিয়া হলে এই Readymade পোচাক বিলাক বিদেশৰ বজাৰতো বিক্ৰি কৰিব পাৰো। এই কথা মই বম্বেত চাবলৈ গৈছিলো তাত মই Terywollen Trerene আদি ডাঙৰ Textile-Unit বিলাক চাইছিলো। সেইবিলাকত প্ৰায় ৫।৬ হাজাৰ মানুহে চাকৰি কৰে। আৰু তাত মতা মানুহ আৰু তিৰুতা মানুহ প্ৰায়েই সমান। মই আমাৰ প্ৰধান মন্ত্ৰী মহোদয়ক কৈছিলো যে, অসমত ছোৱালী বিলাকৰো এটা ডাঙৰ সমস্যা হৈছে যে, আমাৰ ছোৱালী বিলাকৰ বিয়া নহয়। কাৰণ ল'ৰা বিলাক নিবনুৱা হৈ গলে কেনেকৈ বিয়া কৰাব। সেই কাৰণে আমাৰ তাত এনেকুৱা আঁচনি কৰিব লাগিব তাৰ দ্বাৰা প্ৰায় বোৰ ল'ৰা-ছোৱালীৰে উপকাৰ হব। সেই কাৰণে মই ভাবিছো এনেকুৱা এখন আঁচনিৰ যোগেদি অসমৰ বিভিন্ন ঠাইত বিশেষকৈ আমাৰ পিচপৰা অঞ্চল বিলাকৰ উন্নতি কৰিব লাগিব। যদি আমাৰ কিবা ভুল আছে— সেইটো যদি বিৰোধী দলৰ সদস্য সকলেও যদি দেখু-ৱাই দিয়ে আগ্ৰহেৰে মানি লম। আজি নিবনুৱা সমস্যাৰ কথা কলেই বা বৰ্ক্তৃতা দি ঘৰলৈ গুচি গলেই নহব। মই ভাবো এই অৰ্থ নৈতিক ক্ষেত্ৰৰ কথা বিলাকক দলীয় কথা হিচাবে কৰিব নালাগে। সেইকাৰণে মই আশা ৰাখিছো যে, এই কাম বিলাকত আমি সকলোৱে লগলাগি আমাৰ ইয়াত যিটো ক্ৰমবৰ্দ্ধমান নিবনুৱা সমস্যা হৈছে তাৰ সমাধানৰ কল্পে চেষ্টা কৰা। আজি যদি কোনোবাই পৰামৰ্শ দিয়ে বা কিবা আসো-ৱাহ দেখুৱাই তেতিয়াহলে সেই বিষয়ত ব্যৱস্থা লম। আমাৰ কেইজন-মান মাননীয় সদস্যই কৈছিল যে, নিবনুৱা সমস্যা ইমান এটা বিৰাট সমস্যা— চৰকাৰ ভয়তে চোপ মাৰি বহি আছে। কিন্তু আমি সাহসেৰে সৈতে এই সমস্যাৰ সন্মুখীন হম আৰু এই সমস্যা সমাধানৰ ক্ষেত্ৰত আমি

অঁাচনি কৰিছো । এনেকুৱা এখন বৃহত্তৰ অঁাচনি কৃতকাৰ্য্যতা কৰিবৰ কাৰণে সকলো সম্প্ৰদায়, সকলো দলৰ সহযোগীতা নহলে কাৰ্যকৰী কৰা সম্ভৱঁপৰ নহয়। সেইকাৰণে মই আশা ৰাখিছো আৰু মই নিবেদন কৰো যাতে এই সহযোগ সকলোৱে আগবঢ়ায় । আজিকালি যলৈকে যাও তাতেই ডেকা ল'ৰা বিলাক "টিঙিৰি তুলা"—যে কাম দিবলাগে। আমি যদি সেই কাম দিব নোৱাৰো তেনেহলে আমাৰ নেতৃত্বই ব্যৰ্থ হব। এই সমস্যা সমাধান কৰিবৰ কাৰণে আমি যিখিনি চেষ্টা কৰিব লাগে সেইখিনি যদি নকৰো তেনেহলে ইয়াৰ পৰিনাম বৰ ভয়াবহ হব। সেইকাৰণে আমি এই আচনি ভালকৈ প্ৰস্তুত কৰি আমাৰ মাননীয় সদস্য সকলক জনাম। মই এৰি, মুগা উৎপাদনৰ ক্ষেত্ৰত আমি অঁাচনি তৈয়াৰ কৰিম । এইখিনি যাতে সম্ভৱ হয়— সেইকাৰণে মই মেঘালয় মন্ত্ৰীৰ লগতো কথা পাতিছো। মই কৈছিলো যে, আমি এখন এনেকুৱা ধৰনৰ আচনি কৰিছো যে, পাহাৰ অঞ্চলত আমি ভেৰা পুঁহি উল উৎপন্ন কৰিব পাৰিম। আৰু তাৰ পৰা আমি বহুত লাভবান হম। এই কথাত তেখেতসকলে আগ্ৰহ প্ৰকাশ কৰিছে।

ইয়াৰোপৰি আৰু কেইটামান প্ৰশ্ন মাননীয় সদস্য সকলে তুলিছিল যে, কিছুমান শিল্প জাতীয় কৰণ কৰিব লাগে। এই জাতীয়কৰণ প্ৰশ্নটো হ'ল ভাৰত চৰকাৰৰ প্ৰশ্ন। এতিয়া আমাৰ সমাজ বাদী ৰাষ্ট্ৰ হব বুলি যি সিদ্ধান্ত লৈছে সেই হিচাবে যি কাম কৰিবলৈ আগবাঢ়িম সেই কামত নিশ্চয় আমি ফলপ্ৰসু হব আৰু আমি আশা কৰিছো ভাৰত চৰকাৰে আমাৰ প্ৰস্তাৱ বিলাক সহানুভূতিৰে বিবেচনা কৰিব। ইতিমধ্যে সদস্য সকলে যি আঞ্চলিক অসমতা কথা কৈছে সেইটো দূৰ কৰিবৰ কাৰণে প্ৰধান মন্ত্ৰীৰ নেতৃত্বত ভাৰত চৰকাৰে যি কেইটা শিল্প আমাৰ ইয়াত দিবলৈ স্থিৰ কৰিছে সেইকেইটা শিল্পত প্ৰায় ১৫০ কোটি টকা খৰচ হব। এই সম্পৰ্কত নিয়োগৰ যি প্ৰশ্ন তুলিছে সেইটোৰ লগত ময়ো একমত। আমাৰ ইয়াত যিবিলাক শিল্প হব সেই শিল্পত যদি নিবনুৱা শিক্ষিত লোকৰ নিয়োগ নহয় তেতিয়াহলে শিল্পকৰাৰ অৰ্থ কি? এফালে আমি বক্তৃতাত কওঁ নিবনুৱা সমস্যা সমাধান কৰিবলৈ শিল্প হব লাগে। যদি এইটো অৱস্থাই হয় তেনেহলে নিবনুৱা সমস্যা কোনো দিনেই সমাধান নহব। এইক্ষেত্ৰত ভাৰত চৰকাৰৰ এখন

circular আছে যে, ৫০০/- টকাৰ তলৰ চাকৰি স্থানীয় মানুহক দিব লাগে আৰু তাৰ ওপৰৰ চাকৰিত "সৰ্ব্বভাৰতীয় প্ৰতিযোগীতা" হব লাগিব। সেই কাৰণে অসম চৰকাৰে ইতিমধ্যে এই circular মতে Programme লৈছে, যিবিলাক ৫০০/- টকাৰ আৰু যাতে তাৰ ওপৰৰ চাকৰিৰ কাৰণে অসম চৰকাৰে আমাৰ লৰাক বিদেশত শিক্ষা দি হলেও যোগ্যতা সম্পন্ন কৰি তুলিব যাতে এই শিল্পবিলাকত তেওঁলোকে চাকৰি পায়। ইতিমধ্যে আমি এইটো ঠিক কৰিছোৱেই। আমাৰ বোকাজানত যি, বিলাতীমাটিৰ কাৰখানা কৰিছে তাৰ কাৰণেও Training Programme কৰা হৈছে। তাৰোপৰি যোগীঘোপাত যি কাগজৰ কল কৰা হব তাৰ কাৰণে ভাৰত চৰকাৰৰ সহযোগত চাৰাহানপুৰলৈ আমি Stipend দি আমাৰ লৰাক Training কাৰণে পঠাইছো। প্ৰধানমন্ত্ৰী অসমলৈ আহোতে কৈছিল যে, অসমৰ শিল্পত অসমীয়া থলুৱালোকক নিয়োগ কৰিব লাগে। আমি আশা ৰাখিছো যে, কেন্দ্ৰীয় চৰকাৰৰ ফালৰ পৰা আমাৰ ইয়াত যি শিল্প হব সেইবিলাকত আমাৰ লৰাই নিশ্চয় সুযোগ পাব আৰু আমাৰ যি উদ্যোগ অসমত স্থাপন হব শতকৰা ৮০ জনেই যাতে তাত নিয়োগ পাব পাৰে সেই নীতি আমি অৱলম্বন কৰিছো। এই কাৰণে আমি ১০ লক্ষ্য টকা এই চাৰি বছৰৰ কাৰণে ৰাখিছো যাতে আমাৰ লৰাই বিদেশলৈগৈও প্ৰশিক্ষনলৈ আমাৰ শিল্পত চাকৰি পাবপাৰে। ইতি-মধ্যে আমি শিল্পৰ কাৰণে কিছুমান আঁচনি কৰিছো। সেইবিলাক সম্পৰ্কে মই বাজেট বক্তৃতাত বিশেষভাৱে কম। এতিয়া এইখিনি কথা কবলৈ সময় নাই।

আমাৰ শৰ্ম্মাডাঙৰীয়া, এতিয়া তেখেত নাই। তেখেতে কৈছিল - - -

সেইকাৰণে মই সেইবিষয়ে দুটামান কথা কব খুজিছোঁ। Tata Steel Cutting সম্পৰ্কে কৈছে যে Misuse হৈছে। এইটো Bucket Factory বা Trunk Factory ত ব্যৱহাৰ কৰে। ইতিমধ্যে থকা Reginter Factory ত ভাৰত চৰকাৰে এই কেইটা দিয়ে। যি বিলাকৰ ক্ষেত্ৰত Misuse হোৱা দেখাযায় তেওঁলোকৰ ওপৰত ভাৰত চৰকাৰে কেচ কৰে। Central Bureau of Investigation এ কেচ কৰে। এতিয়ালৈ ২৬ টা কেচ পোৱা হৈছে। তাৰে ১০ টা com-

plain proof কৰিব পৰা নাই, ১০ টা Under Investigation, আৰু দুটাৰ ক্ষেত্ৰত raw-materials ৰ quota was Stopped আৰু এটাৰ Registration cancell কৰি দিয়া হৈছে। Steel ৰ বস্তুৰ কাৰণে আমি কলিকতাৰ ওপৰত নিৰ্ভৰ কৰিব লাগে। আমাৰ উদ্যোগপতিসকলে নিৰ্ভৰ কৰিব লাগে।

তাৰ পিচত, এটা Steel ডিপো আমিনগাওঁত স্থাপন কৰা হৈছে তাৰ কাৰণে এতিয়া বেছি লোহা আছে; অন্ততঃ আগতকৈ আৰু শিল্পত বিশেষকৈ ক্ষুদ্ৰ শিল্পত সুবিধা হৈছে। আমাৰ কেঁচা সামগ্ৰী বিতৰণ কৰিবলৈ এটা কমিটিৰ সিদ্ধান্ত কৰা হৈছে। যদি এই সিদ্ধান্তত কাৰোবাৰ আপত্তি থাকে তেনেহলে জনালে তাৰো ব্যৱস্থা কৰিম। এইখিনি কথাকৈয়ে ৰাজ্যপালৰ ভাষনখনৰ কথাখিনি সমৰ্থন কৰিলোঁ।

Shri Sailen Medhi :— মাননীয় উপাধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা কেইটামান কথা জানিব বিচাৰিছো। তেখেতে এখন আশাবাদী ছবিয়েই ইয়াত দাঙি ধৰিছে কিন্তু কিমান দিনৰ ভিতৰত কাৰ্য্যকৰী কৰিব পাৰে সেইটোহে আচল কথা। অসমৰ কৃষি ব্যৱস্থাৰ ওপৰত ভিত্তি কৰি যিবিলাক উদ্যোগ গঢ়ি উঠিব তাৰ বাবে দূৰত্ব বা অন্য কোনো অসুবিধাৰ কাৰণে কলিকতা বা অন্য ঠাইত বস্তুৰ বজাৰ পোৱাটো অলপ অসুবিধা হব। সেয়েহে অসমতেই যাতে এই বস্তুবোৰৰ বজাৰ থাকে সেইটো চাব লাগিব। কিন্তু কলিকতাত একগজ কাপোৰ তৈয়াৰ কৰোঁতে আঠ অনা পৰিব কিন্তু আমাৰ ইয়াত এটকা পৰিব। ফলত আমাৰ কাপোৰৰ বাবে বজাৰ নাপাম। কিন্তু কলিকতাৰ কাপোৰে কলিকতাৰ বজাৰেই পাব তেনে নহয় এই বস্তুৱে অসমৰ বজাৰো পাব তেওঁলোকে আঠ অনাৰ ঠাইত সেই কাপোৰ বোৰ অসমত বিক্ৰী কৰিব বাৰঅনাত কিন্তু আমি নোৱাৰিম। এই কথাটো মন্ত্ৰীমহোদয়ে বিবেচনা কৰিছে নে নাই? Polyester fiber ৰ কথা কৈছে আৰু Readymade garments ৰ কথাও কৈছে। এই ক্ষেত্ৰত দেখা যায় যে বোম্বাই আদি কাপোৰ কলত ১০/২০ গজ কাপোৰ মুঠ উৎপন্নৰ হিচাবত বেছি ৰেহাই দিয়া হয়। আৰু বহুতে এই কাপোৰ বোৰ চাৰিঅনা গজকৈ কিনিআনি চাৰ্ট তৈয়াৰ কৰে

আৰু কম দামতে বিক্ৰী কৰে। তেনেকুৱা কাপোৰৰ সুন্দৰ সুন্দৰ চাৰ্ট কম দামতে বিক্ৰী কৰে। কিন্তু আমাৰ ইয়াত তৈয়াৰী কাপোৰৰ দ্বাৰা হাৱাই চাৰ্ট তৈয়াৰ কৰিলে তাৰ দাম এশ দেড়শ টকালৈ উঠিব। ফলত বিক্ৰী কম হব। আৰু এই উদ্যোগ বন্ধ হৈ যাব।

Shri Biswadev Sarma :— সেই অসুবিধা আমি বুজিছোঁ কিন্তু কেৱল এটা Textile Factory য়েই যে হব এনে নহয়। সৰু সৰু বহুত এনেকুৱা Factory হব। আৰু আমাৰ যিটো Production হব সেইটো world ৰ ভিতৰত অন্য কোনো ঠাইত নহব। Terelene ৰ লগত এৰি-মুগা থকা সুতা ভাৰততো ক'তো নাই। গতিকে এইটো অসমৰ কাৰণে Monopoly হব। বিক্ৰীৰ কাৰণে বাধানাথাকিব। মই হংকং লৈ যাওঁতে দেখিছোঁ Readymade factory বিলাকত Automatic সকলো কামেই হয়, কেৱল পিচত ছোৱালী কিছুমানে বোটাম বিলাক লগাই দিয়ে। গতিকে আমাৰ factory ৰ লগতেও Printing, Dyeing আদি Industry ও হব। আকৌ Fashion ৰ কাৰণে আমাৰ ল'ৰা কিছুমানক অন্য ঠাইলৈ পঠিওৱা হব যাতে তেওঁলোকে কেনেকুৱা Fashion ৰ কাপোৰ উলিয়াম বেছি বিক্ৰী হয় সেইটো শিকি লব পাৰে। আকৌ Blending হোৱা সূতা পৃথিৱীত ক'তো নাই। সেই কাৰণে কৈছোঁ Readymade garments ও কৰিব পৰা হব।

Shri Dulal Chandra Barua :— মই এটা স্পষ্টীকৰণ বিচাৰিছোঁ। আমাৰ উদ্যোগ মন্ত্ৰীয়ে ইয়াত কিমান জোৰেৰে কথা কয় ঠিক তেনেকৈ কেন্দ্ৰত কয় নে নকয় সেইটোহে কথা। যিহওক কৃষিওপৰত ভিত্তি কৰি কিছুমান শিল্পউদ্যোগ হব কিন্তু কোনো তেনেকুৱা আঁচনি আমি আজিলৈকে দেখা পোৱা নাই। মই ভাবোঁ আঁচনি প্ৰস্তুত কৰিবলৈকো নিৰ্দ্দেশ দিয়া নাই যদি প্ৰকৃততে আঁচনি কৰিছে তেনেহলে আঁচনি খন সদনত দাঙি ধৰিলে ভাল হব। দ্বিতীয়তে এই আঁচনি খনৰ কাৰ্য্যকাল কেতিয়া হব? ১৯৭২ চনৰ ভিতৰতে হবনে? যদি কাৰ্য্যকৰীকৰণৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে আশ্বাস দিছে তেন্তে সেইটো ভাল কথা।

Mr. Deputy Speaker— Mr. Barua, you may ask for clarifications but you cannot make a speech.

Shri Dulal chandra Barua— You cannot curtail my rights I know the Rules.

Mr. Deputy Speaker— Uuder the Rules you may ask for clarifications if you want; otherwise I may have to ask you to sit down.

Shri Dulal Chandra Barua— মই সুধিছোঁ যে কেন্দ্ৰীয় চৰকাৰে আশ্বাস দিয়াৰ লগতে টকা পইচা কিবা সহায্য দিম বুলি কৈছেনে নাই? মন্ত্ৰী ডাঙৰীয়াই আমাৰ সকলোবিলাক Project ৰ কাৰণে ১৫০ কোটি টকা দিছে।

Shri Biswadev Sharma— মই কৈছিলো যে ভাৰত চৰকাৰে চতুৰ্থ পৰিকল্পনাত অসমত উদ্যোগ স্থাপনৰ বাবে ১৫০ কোটি টকা দিব খুজিছে।

Shri Dulal Ch. Baruah— এই ক্ষেত্ৰত মই কব বিচাৰিছো যে— ভাৰত চৰকাৰে প্ৰতি বছৰে tea, Oil আদিৰ পৰাই প্ৰায় ৪৩১ কৌটি টকা Foreign Exchange পায়। অকল tea auction ৰ পৰাই Central Governmment এ ৫৫ কৌটি টকা পাইছিল। এই সত্ত্বেও আজি অসমত project ৰ কাৰণে মাত্ৰ ১৫০ কৌটিহে দিছে। অথচ তামিল নাডু আদিত ইমান বোৰ উদ্যোগ হৈ থকা স্বত্বেও তাত ১৮০ কোটি টকা দিছে। মাননীয় মন্ত্ৰী মহোদয়ে নেজানে যে বিহাৰ তামিলনাডু আদিত উদ্যোগ স্থাপনৰ কাৰণে কেন্দ্ৰীয় চৰকাৰেও যি পৰিমানৰ অৰ্থ মঞ্জুৰী দিছে তাৰ তুলনাত অসম চৰকাৰে বিচৰাতো আৰু অসম চৰকাৰক দিয়া অনুদান টো নিচেই সামান্য?

Shri Biswadev Sarma— বিত্ত মন্ত্ৰীৰ ভাষনত এটা কথা কৈছে যে আমাৰ Plan যিখিনি পইছা সেই গোটেই খিনি ভাৰত চৰকাৰৰ। তাত tex বঢ়োৱা নাই। বিহাৰতেই কেন্দ্ৰীয় চৰকাৰে অসমতকৈ বেছি টকা in vest কৰিছে যদিও তাৰেই আকৌ আতাইতকৈ নিবনুৱা সমস্যা বেছি। তাত নিবনুৱা সমস্যা সমাধান কৰিবৰ কাৰনেই যে কেন্দ্ৰীয় চয়কাৰে

বেছি টকা দিছে সেইটো নহয়। অসমত যিবিলাক প্ৰকৃত সম্পদ আছে তাৰ ওপৰত নিৰ্ভৰশীল কিছুমান উদ্যোগ ভাৰত চৰকাৰে কৰিব লাগে এই কাৰনেই যে এই বিলাক উদ্যোগ কৰিবলৈ বাহিৰৰ পৰা উদ্যোগ পতি নাহে। গতিকে কেন্দ্ৰীয় চৰকাৰে Refinery ৰ কাৰণে ২০ কৌটি টকা খৰছ কৰিব আৰু বাকী খিনি টকা ৰাজ্য খনৰ শিল্পায়নৰ কাৰনে খৰচ কৰা হব। যিহেতু Oil Refinery ৰ কাৰণে খৰচ কৰিব আৰু বাকী বিলাক শিল্পউদ্যোগৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ ওপৰত নিৰ্ভৰ কৰিব নোৱাৰি। তাৰ বাহিৰে আমাৰ চাহিদা খিনি পূৰণ কৰিব পাৰিলেই গাৱে ভূয়ে আমাৰ কিছুমান নিবনুৱা সমস্যাৰ সমাধান হব। ইয়াৰ কাৰনেই ইতিমধ্যে Ho!le· Sheller আদিৰ ব্যৱস্থা কৰা হৈছে।

Shri Dulal Chandra Baruah— মই কৈছো যে আজি ২৪ বছৰে Industry D:ve'opment ৰ কাৰণে যিমান Central Asistant দিয়া দিয়া হৈছে তাৰ যদি আমি শতকৰা হিচাব বাহিৰ কৰো তেন্তে পাবলগীয়া টকাৰ ১৬ ভাগো আমি পোৱা নাই। গতিকে Indu t ial De-Development ৰ কাৰণে যি ১৫০ কৌটি টকা দিছে সেইটো আমাৰ কাৰণে একো নহয় - তুলনা মূলক হিচাবে আমি কেন্দ্ৰীয় চৰকাৰক যিমান খিনি টকা দিছো সেই হিচাবে।

Shri Biswadev Sarma :— আমিকৰা আচনি সমূহত কেন্দ্ৰীয় চৰকাৰে অনুদান দিছে। কোনো আচনিকে তেওঁলোকে প্ৰত্যাখ্যান কৰা নাই। যিবিলাক আচনি, সেইবিলাক কেন্দ্ৰীয় চৰকাৰে প্ৰস্তুত নকৰে। আমি প্ৰস্তুতকৰা মতেই কেন্দ্ৰীয় চৰকাৰে তাৰ ওপৰত ভিত্তীকৰি অনুদান দিয়ে। গতিকে কেতিয়াবা অনুদান কম হলেও সেইটো কেন্দ্ৰীয় চৰকাৰৰ দোষ হব নোৱাৰে।

Shri Hiralal Patowary :— মহোদয়, আমাৰ মন্ত্ৰী মহোদয়ে কোৱা গোটেইখিনি কথা কেৱল ডাঙৰ ডাঙৰ Industry ৰ ওপৰত ভিত্তিকৰিহে কোৱা কথা আজি Bombay, Madras, Ahmedabad ত ক্ষুদ্ৰ শিল্পৰ ওপৰত ভিত্তি কৰিও সকলো সমস্যাৰ সমাধান কৰাৰ প্ৰমান কৰিছে কিন্তু ক্ষুদ্ৰ শিল্পৰ ক্ষেত্ৰত অসমত কি ব্যৱস্থা লোৱা হৈছে তাৰ বিষয়ে হলে

এৰো কোৱা নাই।

Shri Biswadev Sarma :— ক্ষুদ্ৰ শিল্পৰ কাৰণে কি ব্যৱস্থা লোৱা হৈছে তাৰ বিষয়ে আগতে কোৱা হৈছে।

Shri Hiralal Patowary :— মহোদয়, দৰং জিলাৰ অন্তৰ্গত ধেমাজীৰ অঞ্চলটোক কিহৰ ওপৰত ভিত্তিকৰি Backward area হিচাবে ঘোষনা কৰিছে জনাবনে ?

Shri Biswadev Sarma :— এই খিনি কবলৈ মোৰ সময় নাই। যি খিনি কামৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে দায়িত্ব দিছে সেই খিনিৰ দায়িত্বহে মই লৈছো।

Shri Lakhsyadhar Choudhury :— মাননীয় মন্ত্ৰীমহোদয় শ্ৰীশৰ্ম্মা-দেৱে উল্লেখ কৰা Hindustan Tata Steel Company ৰ যি quota অসমলৈ আহে তাত কি কি দিয়া হৈছে সেই list খন Budget বক্তৃতাৰ আগতে সদনত দাখিল কৰিলে মই বধিত হম। কাৰণ এই Company ৰ সম্পৰ্কে যথেষ্ঠ সন্দেহ আছে— দ্বিতীয়তে Pollyster fibre ৰ উৎপাদনৰ ক্ষেত্ৰত চৰকাৰে লোৱা আঁচনিৰ সংক্ৰান্তত জানিব বিচাৰো— what is the target of Production ?

Shri Biswadev Sarma :— আমাক ভাৰত চৰকাৰে যিটো কৈছে they will go into production in 1974.

Shri Lakhyadhar Chaudhury :— আৰু এটা কথা যে Paper mill ৰ বিষয়ে চৰকাৰে এটা কথা উল্লেখ কৰিছে আৰু Petro Chemical Complex ৰ ক্ষেত্ৰতো Japan ৰ collaboration দৰ্কাৰ হব বুলি কৈছে। কিন্তু তাৰ target কিমান দিছে ?

Shri Biswadev Sarma :— ১৯৭২ চনৰ October আৰু November মাহত এইটো সম্পূৰ্ণ হলেহে কব পৰা হব।

Shri Soneswar Bora :— উদ্যোগ মন্ত্ৰীয়ে কৈছে যে ভাৰত বিভাজনৰ ফলত বিশেষকৈ দিল্লীত কথা-বতৰা হোৱাৰ পিছত পৰিবহন বিভাগ ইমান দূৰ হৈ গল যে অসমৰ ওচৰতে কলিকতা বজাৰ থকা সত্বেও বাহিৰৰ

উদ্যোগপতি উদ্যোগ কৰিবলৈ অসমলৈ নাহে। তেখেতে এটা ডাঙৰ আঁচনিৰ কথাও কলে। কিন্তু আমাৰ মটৰ মাহ, বিলাহী, বেঙেনা, জলকীয়া আদি ডুলিত ভৰাই বোম্বাই, মাদ্ৰাজ আদিৰ বজাৰত বেচিব পাৰিলেও অসমতে উৎপাদন হোৱা এই বস্তু বিলাকেৰে শিল্পকৰি অসমৰ মানুহে বিক্ৰীকৰ নভৰাকৈ কিনাবেচা কৰি খাবৰ কাৰণে চৰকাৰে কি ব্যৱস্থা হাতত লৈছে— ? আৰু আনহাতে মোৰ সন্দেহ হৈছে— এই কথাখিনি কোৱাৰ পাছতো ফুটুকাৰ ফেনৰ দৰে একেটা নহব নেকি ? ভাৰতবৰ্ষ নেলাগে পৃথিবীৰ বিভিন্ন ঠাইৰ শিল্পজাত বস্তু আহি অসমৰ বজাৰত আছেহি। অথচ অসমৰ নিচেই ওচৰতে থকা বজাৰ কলিকতাকে বেছি দুৰত্বৰ কাৰণে উদ্যোগ নোহোৱাৰ কাৰণ দৰ্শাই অসমখনকে ফুটুকাৰ ফেন কৰিব বিচাৰিছে নেকি ?

**Shri Biswadev Sarma** :— মাননীয় সদস্যই বুজিব পৰা নাই। মই **Medhi** ডাঙৰীয়াৰ পৰামৰ্শৰ লগত এক মত নে — আমাৰ ইয়াত Labour cost আৰু পৰিবহনৰ খৰছ বেছি হোৱাৰ কাৰণে কলিকতাৰ বজাৰৰ লগত আমি Competition কৰি State trading কৰিব নোৱাৰোঁ। এতিয়া কথা হৈছে এইটোৱেই যে অসমৰ খেতিয়কে উৎপন্ন কৰা সামগ্ৰীৰ ক্ৰয় শক্তি বঢ়াবৰ কাৰণে চৰকাৰে এটা উপায় উদভাৱন কৰিবলৈ মনস্থ কৰিছে— ।

* Mohendra Mohan Choudhury— মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত হোৱা বিতৰ্কৰ উত্তৰ দিয়াৰ আগতে ৯ মাৰ্চ তাৰিখে ৰাজ্যপাল মহোদয়ে ভাষণ দিবলৈ অহাৰ আগতে আৰু তেখেত সদনত উপস্থিত হোৱাৰ পিচতো কেইটামান ৰাজ্য পালৰ বিৰুদ্ধে অভিযোগ তুলি আলোচনা হৈছিল সেই সম্পৰ্কত মই দুৱাষাৰ মান কথা কব খুজিছো ৰাজ্যপালৰ বিৰুদ্ধে দুটা অভিযোগ উত্থাপন কৰা হৈছিল। সেই দুটা অভিযোগ হ'ল—

(১) তেখেতে নিৰ্ব্বাচনৰ ভোট দি দলীয় সমৰ্থন জনাইছে,

(২) তেখেতৰ অসম ট্ৰিবিউনত ৬ আৰু ৭ ফেব্ৰুৱাৰী তাৰিখে

* Speech not corrected

প্ৰকাশিত হোৱা দুটা প্ৰবন্ধ,—

The first priority (I) আৰু The first priority (II) লিখিও ৰাজ্য পালে অবলম্বন কৰিব লগীয়া নিৰপেক্ষতা ভঙ্গ কৰিছে।

মই দুখেৰে কবলগীয়া হৈছো যে কেইগৰাকী মান মাননীয় সদস্যই কৰা এই বিলাক প্ৰশ্ন উত্থাপনৰ সংক্ৰান্তত ৰাজ্যপালৰ প্ৰতি কতাক্ষ পাত কৰি তেখেতক ব্যক্তিগত ভাবে আক্ৰমন কৰিছে। ৰাজ্যপালৰ প্ৰতি এনেকুৱা ব্যৱহাৰ সংবিধান সম্মত নহয়। আমি এখন গণতান্ত্ৰিক দেশত বাস কৰিছো গতিকে ৰাজ্যপাল হলেও সেই গৰাকী লোকে আমাৰ গনতন্ত্ৰৰ এগৰাকী নাগৰিক হিচাপে পাব লগীয়া অধিকাৰৰ পৰা বঞ্চিত নহয় নাইবা নাগৰিক হিচাবে কৰিব লগীয়া দায়িত্বৰ পৰাও ৰেহাই পাব নোৱাৰে। তেখেতৰ এক মাত্ৰ অসমৰ্থতা হ'ল যে তেখেতে ৰাজ্যপাল হৈ থকা কালছোৱাৰ ভিতৰত তেখেতে কথা আৰু কাম এই দুয়ো বিষয়তে ৰাজনৈতিক বিতৰ্ক মূলক কোনো বিষয়তে গ্ৰহণ কৰিব নোৱাৰে। আমাৰ ভাৰতৰ ৰাজ্য সমূহৰ ৰাজ্যপাল সমূহ অষ্ট্ৰেলিয়াৰ ৰাজ্যপাল আৰু কানাডাৰ প্ৰাদেশিক লেফটণাণ্ট গভৰ্ণৰ সমূহৰ সমতুল্য। তেওঁলোকৰ দলীয় ৰাজনীতি নাগৰিকৰ মৌলিক অধিকাৰৰ পৰা বঞ্চিত নহয়।

ৰাজ্যপাল সকল আমাৰ সংবিধানৰ সৃষ্টি। সংসদ বা বিধান সভাৰ তলতীয়া নহয়। নাইবা ৰাজ্য বা কেন্দ্ৰীয় মন্ত্ৰী সভাৰো অধীন নহয়। আমাৰ সদনৰ নিয়মাৱলীৰ ১১৭ (E) অনুচ্ছেদ অনুসৰি ৰাজ্যপালৰ কাৰ্য্য কলাপৰ বিষয়ে আলোচনা কৰা নীতি সংগত নহয়।

Shri Dulal Chandra Barua :— Mr. Deputy Speaker, Sir, here is a point of order, Sir. We are discussing here the Chief Minister's reply on the Governor's address. There is no rules here nor Rules of Procedure and Conduct of Business under which the Chief Minister is replying to the question raised in the discussion in the Governor's debate and the Chief Minister is going to defend the Governor by giving some sort of references which were already discussed. I have gone through teh

rules. No such kind of rules permit to give such kind of expression to the House.

Shri Mahendramohan Choudhury :— কোনো ভুল পথগামী ৰাজ্যপালৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবলৈ হলে প্ৰধান মন্ত্ৰীক অনুৰোধ কৰিব লাগে যাতে তেখেতে ৰাষ্ট্ৰপতিক সেই ৰাজ্যপাল গৰাকীৰ প্ৰতি সংবিধানৰ ১৫৬ অনুচ্ছেদত থকা অনুগ্ৰহ তুলি লয়। ৰাজ্যপাল সকলে ভোট দিয়া সংক্ৰান্তত কোনো নিৰ্দিষ্ট নিয়ম আমাৰ নাই।

I humbly submit to the Governor, who came here to address this House and on that address there has been a discussion. Therefore, Sir, on the part of the Governor, we have a right to def nd the Governor when unnecessarily and unconstitutionaly he has been dragged to the picture. I have a right to reply exceptionally and constitutionally. (Voices from Opposition)

Shri Dulal Chandra Barua :— Sir, he is making a ncessay about the life sketch of Mr. B.K Nehru. We are not point to listen it.

Shri Mahendra Mohan Choudhury :— তেখেত সকলে কেনে ভাবে কাম কৰা উচিত সেইটো তেখেত সকলে নিজেই বিবেচনা কৰি সিদ্ধান্ত গ্ৰহণ কৰিব।

Shri Bhubeneswar Barman :— আমি ৰাজ্যপালৰ ওপৰতহে বিতৰ্ক বা সমালোচনা কৰিছো। মুখ্য মন্ত্ৰী ডাঙৰীয়াই সেই বিলাকৰ উত্তৰ দিয়ক। ৰাজ্যপালৰ অধিকাৰ যদি ব্যক্তিগত কথা বিলাক হয়ালৈ কিয় অনা হৈছে। ৰাজ্যপালৰ ভাষনত থকা চৰকাৰী নীতিৰ ওপৰত সমালোচনা হৈছে। ৰাজ্যপালৰ যোগ্যতা, অধিকাৰ এই বিলাক আমাক নকলেও হব।

Mr. Deputy Speaker :— মাননীয় সদস্য সকলৰ যদি point Raised কৰিবৰ অধিকাৰ আছে তেন্তে মুখ্য মন্ত্ৰীৰ তাৰ উত্তৰ দিয়াৰ অধিকাৰ আছে।

Mr. Deputy Speaker :— Order, order, the Chief Minister is replying to the questions raised in the Governor's debate, and there is rule to reply on it.

Shri Dulal Chandra Barua :— It is irrelevant. No rules are there to place an easy about the qualities of the Governor.

Shri Sailen Medhi :— Sir, we are not discussing about the conduct of the Opposition Members or about the conduct of the Rajya Pal. Sir, one thing, no-body from out side or that side discussed the eligibility or the right of the Governor to vote or to write article in Newspaper. While we are discussing on Governor's address he is replying on the Governors address. We are not going to hear it.

Mr. Deputy Speaker :— Supposing what has been discussed during the debate on the Governor's Address that can only be replied as several members made references to the Governor's address.

Shri Dulal Chandra Barua :— We are not students. The Chief Minister should not act like a professor of politics here.

Shri Jagannath Sinha (Minister of State, Industries) :— Highly objectionable Sir .. .. ( Votes from both sides)

Shri Dulal Chandra Barua :— We are goint to here reply on the Governor's addres from the Chief Minister and not from the political teachers ..... (Voices)

Shri Mohendra Mohan Choudhury :— Sir, my submision is to ascertain the matters which were raised in this House and I have the right to reply on those discussions.
Mr. Deputy Speaker :— The quesions which were raised in this House can be replied also in this House and he (Chief Minister) has the right to reply.

Shri Mohendra Mohan Choudhury : – I have every right to speak on the point raised by the Hon'ble members.

Shri Dulal Chandra Barua :— Sir, that matter was raised on that particular day when Governor come to address.

Mr. Dy Speaker— Even then he has ever right to reply.

Shri Dulal Chandra Barua— As a leader of the House if he wants to teach us about the constitutional point we cannot accept. You ( to the Chair ) can teach us direct from the chair but he ( chief Minister ) cannot do so as a leader of the House because we have raised certain burning problems and he should reply (voices from both sides)

Mr. Deputy speaker— Order, Order. You should (voices)

Shri Mohendra Mohan Choudhury— Sir what I am submitting is some points were raised by the Honourable members in course of the Governor's address debate and also on the day when the Governor did come to this House. Therefore, sir, on those points I have a right to reply. (assamese reading interrupted)

Mr. Deputy Speaker— I have (voices) already given my rulling

Shri Dulal Ch. Barua— On that day the honourable Speaker had given rulling about it, sir. Now the Honourable Chief minister is giving his reply against that rulling. On that day he (the Honourable Speaker) had given his final verdict and in Protest we all (opposition) went out and that matter disposed off. By going away from the rulling how can the chief Minister give such a reply in the House ..... (Voices)

Shri Mohendra Mohan Choudhury, Because some constitutional provision and provision of the rules were violated, and thnerefore I have a right to reply.

Mr. Deputy Speaker— There is nothing to prevent the reply of the, Chief Minister ... (voices )

Shri Dulal Chandra Barua :— Mr ... — He should not be so impatient.

Shri Sailen Medhi :— Sir, Sir ... ... (voices) ... ... he can not critcise the conduct of the opposition members. We are not going to allow that point (yes, yes from the opposition to be raised.

followed DD

Shri Dulal Chandra Barua :— — You Mr. Jagannath .... (voices) .. come out (voices)

Shri Jagannath Singha :— (Minister of State, Industries) (voices) .. This is quite objectionable sir. The honourable member names out here. He has named it. (voices)

Shri Sailen Madhi :— Sir, Sir the Chief Minister is trying to critlcise the conduct of the opposition members. (voices from the opposition: shame shame.)

Mr. Deputy Speaker :— Mr Barua and Mr. Medhi. You have raised two points. (1) the Honourable Chief Minister has criticised the conduct of the oppositon members. He has only made a statement. On that day has not made any comment on that. As far as I have followed, he has not made any comment on that day. As regard the other point as raised by Mr. Medni, the Governor's conduct was discussed and ruling was giving by the Speaker and you have gone out and there ends the matter. Mr. Medhi, I tell you to consult the records. Even during the Governor's address debate several members made references to the conduct of the Governor in respect of those facts (voices from T. Benches yes yes) Moreover, Mr. Medhi you will possibly appreciate that matters arise in the Governor's address are quite widencd and the reply also bound to be

widened its implications. therefore, whatever connected with the Governor's address debate, honourable Chief Minister has given reply only in point of law involved. He has not made any statement regarding the conduct of the Governor. He is only trying to elerify the constitutional position. There is nothing wrong in it. Therefore you will have to give few minutes time. (voices) .

Shri Dulal Chandra Barua— We are not going to hear that.

(inturruption)

Shri Mahendra Mohan Choudhury .— ৰাজ্যপাল সকলে ভোট দিয়াতো আইনে বাধ্যতা কৰে। Representation People act ত ৰাজ্যপাল সকলে কি প্ৰথাত ভোট দিব লাগে সেইটোত নিৰ্দ্দিষ্ট কৰি দিয়া আছে। ৰাজ্যপাল সকলে ভোট দি কেৱল তেওঁলোকৰ ব্যক্তিগত কৰ্ত্তব্যকেই সম্পাদন নকৰে তাৰ লগে লগে দেশত সুস্থ জনপ্ৰিয় চৰকাৰ গঠন কৰি তুলিবৰ বাবেও সেইটোৱে একমাত্ৰ পন্থা সেই আদৰ্শও নিৰ্ব্বাচন মণ্ডলীৰ সন্মুখত দাঙি ধৰা হৈছে। যেতিয়ালৈকে ৰাজ্যপাল সকলে কোন প্ৰাৰ্থীক ভোট দিয়ে বা কোন দলক সমৰ্থন কৰিছে সেইটো সঠিককৈ নজনায় তেতিয়ালৈকে তেখেত সকলে কোনোবা পক্ষ অৱলম্বন কৰা বুলি বা তেখেত সকলক পক্ষপাতিত কৰা বুলি দোষাৰোপ কৰিব নোৱাৰে। ৰাজ্যপাল সকলে ভোট দিলেই যদি পক্ষপাতিতা অৱলম্বন কৰা বুলি দোষাৰোপ কৰা হয়; তেনেহলে আমাৰ দেশৰ ধৰ্ম্ম নিৰপেক্ষতাত যদি কোনো ৰাজ্যপালে কোনো ধৰ্ম্ম পালন কৰে নাইবা কোনো তীৰ্থ থানলৈ গলেও আইন ভঙ্গ হোৱা বুলি ধৰি লব লাগিব ; কিন্তু সেইটোও অসম্ভৱ।

Legislative বা Exicutive বিষয়ত ৰাজ্যপাল বা ৰাষ্ট্ৰপতিয়ে তেওঁলোকৰ নিজ নিজ মন্ত্ৰীসভাৰ পৰামৰ্শ অনুসৰি কাম কৰিব লাগে। এই বিলাকৰ আন বিষয়ৰ বক্তৃতা বা প্ৰবন্ধ আদি তেওঁলোকে ব্যক্তিগত ভাবে দিব বা লিখিব পাৰে আৰু তাৰ দ্বাৰা নিজৰ বাহিৰে আন কাৰো মত প্ৰকাশ নকৰে। ৰাজ্যপাল সকল মুকলি, কিন্তু বৰ্দ্ধিত নহয় তেখেত সকলে সময়ে সময়ে নানান বিষয়ৰ মতামত দিবৰ অধীকাৰ আছে। সেই

মতামত দেশৰ বহুতো সংখ্যক লোকে গ্ৰহন নকৰিবও পাৰে। ৰাষ্ট্ৰপতিয়ে সময়ে সময়ে মজদূৰৰ উন্নয়ন নাইবা আমাৰ দেশৰ ক্ৰম বৰ্দ্ধিত নিবন্নুৱা সমস্যাৰ বিষয়ে বক্তৃতা দিয়া আমি সকলোৱে জানো। অলপতে ভাৰতৰ উপযুক্ত সংবিধান কেনে হব লাগে সেই বিষয়ে হোৱা আলোচনা চক্ৰ এখনত মহিশুৰ, মহাৰাষ্ট্ৰ, পঞ্জাৱ, হাৰিয়ানা আৰু অসমৰ ৰাজ্যপালে অংশ গ্ৰহন কৰা আমি সকলোৱে জানো। তেনে কৰি তেওঁলোকৰ ওপৰত নাগৰিক অধিকাৰ তেওঁলোকে পালন কৰিছে। তাৰ বাবে কোনো সমালোচনা হব নোঁৱাৰে নাইবা তাৰ দ্বাৰা তেওঁলোকে সাংবিধানিক নীতি অৱমাননা, কৰিছে সেই বুলিও তেওঁলোকৰ বিৰুদ্ধে কোনো আক্ৰমন হব নোৱাৰে, নাইবা তেওঁলোকৰ বিৰুদ্ধে কোনো পক্ষ লোৱা বুলিও অভিযোগ হব নোৱাৰে। এই ক্ষেত্ৰ Assam Tribune ত যি দুটি প্ৰবন্ধ প্ৰকাশিত হৈছে সেই প্ৰবন্ধ দুটা আমাৰ ৰাজ্যপাল মহোদয়ে ১৮ ফেব্ৰুৱাৰীত বোম্বেৰ Economic Research and Training Foundation ত দিয়া বক্তৃতাৰ উদ্ধৃতি আমি সকলোৱে জানো যে আমাৰ ৰাজ্যপাল মহোদয় এগৰাকী বিখ্যাত অৰ্থনীতিবিদ্। সেই প্ৰবন্ধ দুটাৰ প্ৰথম প্ৰবন্ধটোৰ ১ আৰু ৬ পেৰাগ্ৰাফত ৰাজ্যপালৰ সীমিত অধিকাৰৰ বিষয়ে উল্লেখ আছে। মোৰ বিশ্বাস আমাৰ মাননীয় সদস্য কেইগৰাকী মানে প্ৰবন্ধটো নপঢ়াকৈয়ে নাইবা প্ৰবন্ধটোৰ ভিতৰত কি আছে সেইটো নজনাকৈয়ে ৰাজ্যপাল মহোদয়ক সমালোচনা কৰিছে। মই মাথোন আশা কৰিছোঁ। আমি মৰ্য্যদা ৰাখি চলিবলৈ চেষ্টা কৰিম।

উপাধ্যক্ষ মহোদয় এই সংক্ৰান্তত ৯ মাৰ্চ্চৰ দিনা বিধান সভাত যিখিনি কথা আলোচনা হৈছিল সেই খিনি মই আগেয়ে উল্লেখ কৰি আহিছোঁ। বিধি বা সংবিধান সঙ্গত নহয় বুলি আমাৰ সদনৰ কাৰ্য্যবিৱৰনীৰ পৰা বাদ দিয়া উচিত হবনে নহয় মই এই বিষয়ে আপোনাক বিবেচনা কৰি চাবলৈ অনুৰোধ জনাইছোঁ।

মই এতিয়া আমাৰ সদস্য সকলৰ সমালোচনাৰ উত্তৰ দিবলৈ আহিছোঁ আমাৰ বিৰোধি দ'লৰ কেইগৰাকী মাননীয় সদস্যই ৰাজ্যপালৰ ভাষণত নিৰ্ব্বাচন শান্তিপূৰ্ণ ভাবে সম্পাদন হৈ গৈছে আৰু নিৰ্ব্বাচনৰ ফলাফলে

আমাৰ দেশৰ গনতন্ত্ৰক শক্তিশালী কৰা উক্তিত কিছুমানে অস্বস্তি বোধ কৰিছে। মধ্যকালীন লোকসভাৰ নিৰ্ব্বাচনত কংগ্ৰেছ দলৰ কৃতকাৰ্য্যতাই প্ৰধান মন্ত্ৰীৰ ঘোষিত হোৱা নীতি আৰু কাৰ্য্যক্ৰমৰ প্ৰতি সমৰ্থন কৰাকে সূচাইছে। প্ৰকৃত গণতন্ত্ৰ বিশ্বাসী লোক হিচাবে আমি অসমৰ নিৰ্ব্বাচক মণ্ডলীৰ ৰায় শান্তভাৱে মানি লব লাগে। মই আটাই কেইখনতে কংগ্ৰেছ প্ৰাৰ্থীক জয়যুক্ত কৰাৰ বাবে নিৰ্ব্বাচক মণ্ডলীৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। আমি অতি বিনয় আৰু সন্মানেৰে আমাৰ নিৰ্ব্বাচক মণ্ডলীক আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ। নিৰ্ব্বাচনৰ কৃতকাৰ্য্যতাই শাসনত অধিস্থিত দ'লৰ দায়িত্ব বহু পৰিমানে বৃদ্ধি কৰিছে। নিৰ্ব্বাচনত ৰাইজক যি বিলাক প্ৰতিশ্ৰুতি দিয়া হ'ল সেইবিলাক কাৰ্য্যকৰী কৰি তোলাৰ বাবে ৰাইজে আশা পোশন কৰিছে। কেইগৰাকীমান মাননীয় সদস্যই কংগ্ৰেছ দলৰ প্ৰতিশ্ৰুতি সমুহ ভোট সংগ্ৰহ কৰা ফাণ্ডি বুলি মন্তব্য প্ৰকাশ কৰিছে। কংগ্ৰেছ দলে সেইবিলাক প্ৰতিশ্ৰুতিৰ মৰ্য্যদা ৰক্ষা নকৰে। মই দৃঢ় ভাবে কব খুজিছোঁ যে আমাৰ মাননীয় সদস্য সকলে জানি লব যে যিবিলাক প্ৰতিশ্ৰুতি কংগ্ৰেছৰ নিৰ্ব্বাচনী ঘোষণাত ডাঙি ধৰিছে সেই বিলাক কাৰ্য্যকৰী কৰি তুলিবলৈ কোনো প্ৰচেষ্টাকে ডাঙৰ বুলি গন্য নকৰিব আৰু সেই বিলাক কাৰ্য্যকৰী কৰি তুলিবৰ বাবে অহোপুৰুষাৰ্থ কৰিব।

আমাৰ মাননীয় সদস্য শ্ৰীদেবেশ্বৰ শৰ্ম্মা ডাঙৰীয়াই চিৰাচৰিত ভাবে চলি থকা পাকিস্তানী অনুপ্ৰবেশৰ কথাটো ৰাজ্যপালৰ ভাষনৰ পৰা বাদ পৰি যোৱাত আসোঁৱাহ উত্থাপন কৰিছে। ১৯৭০ চনৰ বছৰটোত পাকিস্তানী অনুপ্ৰবেশ বন্ধ কৰিবলৈ যৎপৰোনাস্তি চেষ্টা চলোৱা হৈছে। এই সময় ছোৱাত ২৪৪৪ জন পাকিস্তান আমাৰ ৰাজ্যত অনুপ্ৰবেশ কৰিছিল। এই কালছোৱাত ২২২৯ জন অনুপ্ৰবেশ কাৰীক বহিস্কাৰ কৰা হৈছে। ইয়াৰ ভিতৰত ইয়াৰ আগৰ কেই বছৰত অনুপ্ৰবেশ কৰা আগেয়ে মোকৰ্দমা আদি চলি থকাৰ কাৰনে বহিস্কাৰ কৰিবা নোৱাৰা কিছুমান সংখ্যাও সোমাই আছে। অস্বাভাবিক ভাবে অনু প্ৰবেশ এই কাল ছোৱাৰ ভিতৰত সিমান্ত হোৱা নাই আৰু যি সকলে অনুপ্ৰবেশ কৰিছে সেই সকলেও আমাৰ য'ত চকী নাই সেই ফালৰ

পৰাহে হৈছে। অনু প্ৰবেশকাৰী সকলক আমাৰ ৰাজ্যত বে আইনী ভাবে সোমোৱা প্ৰতিবন্ধক কৰাৰ ক্ষেত্ৰত আমাৰ প্ৰহৰী চকী সমূহৰ লোক সকলে বিশেষ দক্ষতাৰে কাম কৰিছে ১৮৯ জন অনুপ্ৰবেশ কাৰীক এই সকলে ধৰা পেলাব পৰা নাছিল ; কিন্তু সেই সকলক ধৰা পেলোৱাৰ লগে লগে ততাতৈয়াকৈ বহিস্কাৰ কৰি দিয়া হৈছিল।

আমাৰ দেশৰ নিবনুৱা সমস্যা ক্ৰমে ক্ৰমে বৃদ্ধি পাই গৈ আছে। এই সংক্ৰান্তত মাননীয় সদস্য সকলে প্ৰকাশ কৰা উদ্বেগ প্ৰনিধান যোগ্য এই সমস্যাক্ৰমে ক্ৰমে জতিল হৈ উথিছে। এই প্ৰশ্নটোৰ সমাধানৰ কোনো চুটি ৰাস্তা নাই। আমি ক্ৰমাগত ভাবে এই সমস্যা সমাধানৰ বাবে প্ৰচো চলাব লাগিব। আমাৰ পৰিকল্পনাক নতুনকৈ ৰূপ দিব লাগিব যাতে এই সমস্যা সমাধানৰ ক্ষেত্ৰত আমি আগবাঢ়ি যাব পাৰোঁ।

নতুনকৈ যিবিলাক শিল্পাযোগ আমাৰ ৰাজ্যত হোৱাৰ সম্ভাৱনা দেখা গৈছে, তাৰ পৰা আমি কিছু পৰিমান এই সমস্যা সমাধান কৰাত কৃতকাৰ্য্য হব পাৰিম।

সদনৰ কেইগৰাকীমান মাননীয় সদস্যই ব্ৰহ্মপুত্ৰ বান নিয়ন্ত্ৰন সম্পৰ্কত কেন্দ্ৰীয় চৰকাৰৰ পৰা যি পৰিমানে অনুদান পাব লাগিছিল, সেইপৰিমানৰ অনুদান নোপোৱাত অসন্তুষ্টি প্ৰকাশ কৰিছে। তেখেত সকলৰ অসন্তুষ্টিত ময়ো কিছু পৰিমানে অংশিদাৰ। কাৰণ আমি আশা কৰিছিলো এই কেই বছৰৰ ভিতৰত আমি কেন্দ্ৰীয় চৰকাৰৰ পৰা বাননিয়ন্ত্ৰণৰ ক্ষেত্ৰত অধিক পৰিমানৰ সাহায্য পাব পাৰিম। কিন্তু দুৰ্ভাগ্যবশতঃ সেইটো হৈ নুঠিল। তাৰ বাবে আমি কেৱল কেন্দ্ৰীয় চৰকাৰকেই দোষী কৰিব খোজা নাই এই ক্ষেত্ৰত আমাৰো কিছু দোষ নথকা নহয়। কাৰণ আমি যি বিলাক আচনি ব্ৰহ্মপুত্ৰ বান নিয়ন্ত্ৰনৰ কাৰণে কৰিব লাগিছিল আৰু যি ভাবে আঁচনি তৈয়াৰ কৰিব লাগিছিল সময়মতে সেই বিলাক কৰিব নোৱাৰাৰ কাৰণে আমি যথাযথ ভাবে সেই পৰিকল্পনা কেন্দ্ৰীয় চৰকাৰৰ আগত দাঙি ধৰিব নোৱাৰিলোঁ ফলত এইবিলাক তেখেত সকলে পৰীক্ষা কৰি অনুমোদন কৰিব নোৱাৰিলে ; তথাপিও তেখেত সকলৰ ফালৰ পৰা আমি সাহাজ্য নোপোৱা নহওঁ। আমাৰ ৰাজ্যৰ বিত্তীয় পৰিস্থিতি

এনেকুৱা হৈছিল যে এই বছৰ বাননিয়ন্ত্ৰনৰ কাম কৰিবৰ কাৰণে আমাৰ যথেষ্ঠ পৰিমানে অৰ্থ সম্বল নাছিল, এইটো অৱস্থাত পৰি আমাক ৰক্ষা কৰিবৰ কাৰনে আৰু আমাৰ দেশৰ মথাউৰি বিলাক মেৰামতি কৰাৰ সম্পৰ্কত নাইবা যি বিলাক মথাউৰী গৰা খহনীয়াই উঠাই লৈ গৈছে সেই বিলাক পুনৰ নিৰ্ম্মান কৰাৰ সংক্ৰান্তত কেন্দ্ৰীয় চৰকাৰৰ পৰা আমি ৩ কোটি টকা ধাৰ হিচাবে পাইছোঁ ।

মঠাউৰী মেৰামতি কৰাৰ কাৰণে ১½ কোটি টকা পাইছো। এই খিনি টকা লৈ আমি এই বছৰত যি বিলাক ঠাইত মঠাউৰী ভাঙিছে আৰু যিবিলাক ঠাইত গড়াখহনীয়াই মঠাউৰি নষ্ট কৰিছে সেইখিনি মেৰামতি আৰু পুনৰ উদ্ধাৰ কৰিব পাৰিম বুলি আমি আশা কৰিছো।

আমাৰ মাননীয় সদস্য শ্ৰীদুলাল বৰুৱাই মোৰ বিৰুদ্ধে ( এটা ) যি বিশেষাধিকাৰ ভংগৰ প্ৰস্তাৱ আনিছিল সেই প্ৰস্তাৱটো আছিল যে মই কেইদিনমান আগতে দিল্লীলৈ যোৱাৰ সময়ত কেন্দ্ৰীয় চৰকাৰৰ বিত্ত-মন্ত্ৰী আৰু প্ৰধান মন্ত্ৰী ডাঙৰীয়ানীৰ লগত এই বিষয়ত যি কথা বতৰা হৈছিলো সেইখিনি কথা বতৰা সাৰাংশ কাগজত প্ৰকাশ কৰাৰ কাৰণে। মই সেইটোকে পুনৰোক্তি কৰিব খুজিছো যে, আজি আমাক কেন্দ্ৰীয় চৰকাৰৰ ফালৰ পৰা নিৰ্দেশ দিয়া হৈছে যে, আমি সোনকালে ব্ৰহ্মপূত্ৰ নিয়ন্ত্ৰণৰ কাৰনে এটা ডাঙৰ পৰিকল্পনা প্ৰস্তুত কৰিব লাগে আৰু সেই পৰিকল্পনা প্ৰস্তুত কৰি যি বিলাক বিষয়ত আমি আগভাগ দিব লাগে সেইবিলাক বিষয়ত কাম কৰিবৰ কাৰণে যিমান খিনি টকাৰ প্ৰয়োজন হব সেইখিনি টকা তেখেত সকলে আমাক দিবৰ কাৰণে আশ্বাস দিছে। পৰিকল্পনাৰ ফালৰ পৰা যি খিনি টকা দিব নোৱাৰে সেই খিনি টকা non-plan fund ৰ পৰা দিবলৈ চেষ্টা কৰিব বুলি আমাক আশ্বাস দিছে। সেই কাৰণে আমি বিশেষভাৱে আশ্বস্ত হৈছো আৰু আমাৰ ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈ সমুহক নিয়ন্ত্ৰন কৰিবৰ কাৰনে এখন ব্যাপক আৰু বৃহত্তৰ আঁচনি তৈয়াৰ কৰিবলৈ সিদ্ধান্ত কৰিছো। এই আচনিত তিনিখন উপনৈৰ সম্পুৰ্ণ নিয়ন্ত্ৰনৰ ব্যৱস্থা আছে। তাৰ ভিতৰত পাগলাদিয়াৰ সংৰক্ষন কৰি তাত Dam প্ৰস্তুত কৰা হব। সোৱনশিৰী আৰু দিহীংঙতা তেনেকুৱা

দুটা Dam তৈয়াৰ কৰিবৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। মাননীয় সদস্যসকলে জানে যে, তৈয়াৰ কৰিবলৈ হলে বহুতো বিষয় তথ্য আদি সংগ্ৰহ কৰিব লাগে আৰু কেইবা বছৰো ধৰি এই তথ্য সংগ্ৰহ কৰা প্ৰয়োজন। সেই কাৰণে মই দাঠি কব পৰা নাই যে অহা বছৰ ভিতৰত আমি এই Dam নিৰ্ম্মানৰ কামত আগবাঢ়িব পাবোনে নোৱাৰো। কিন্তু এই খিনি আশা কৰিব পাৰো যদি আমি ঠিক ভাৱে আমাৰ বানপানী নিয়ন্ত্ৰনৰ পৰিকল্পনা সমুহ ঠিকমতে কৰিব পাৰো। সেই বিলাকৰ কাৰনে আমাৰ Technical কমিটি আছে। সেই কমিটিয়ে যদি এইবিলাক অনু-মোদন জনায় তেনেহলে অহা বছৰৰ ভিতৰতে আমি কিছু দেখনিয়াৰ কাম হাতত লব পাৰিম। আমাৰ বিশেষকৈ প্ৰয়োজন হৈছে ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈৰ মঠাউৰি বিলাক বহল আৰু শক্তিশালী কৰা। সেই বিষয়ত আমাৰ প্ৰায় ৫০ কোটি টকাৰ প্ৰয়োজন। এই বিষয়ত আমি কেন্দ্ৰীয় চৰকাৰক মোৰ বেচি অৰ্থ সাহায্য পোৱাত কৃতকাৰ্য্য হওঁ তেতিয়া হলে ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈ সমূহৰ মঠাউৰি বিলাক বহল আৰু শক্তিশালী কৰাৰ কাম হাতত লব পাৰিম। ব্ৰহ্মপুত্ৰ কমিচনৰ লগত আমাৰ নিবনুৱা সমস্যাৰ কথাটোত জৰিত আছে। আমাৰ ব্ৰহ্মপুত্ৰ কমিচনৰ কাম আমি যি পৰিকল্পনাৰে হাতত লৈছো সেই পৰিকল্পনাৰে যদি কৰিব পৰা যায় তেনেহলে আমাৰ Technical আৰু Non-Technical বহুতো মানুহৰ কৰ্ম্মসংস্থানৰ সুবিধা হব। আমাৰ ৰাজ্যত বহুতো Engineer আৰু Sub-Engineer কাম নোহোৱাকৈয়ে বহি থাকিবলগা হৈছে। সেইবিলাকক কাম দিবৰ কাৰণে আমি বিশেষ-ভাৱে উদবিগ্ন প্ৰকাশ কৰিছো। আমি যদি ব্ৰহ্মপুত্ৰ কমিচনৰ পৰিকল্পনা অনুসৰি কামত আগবাঢ়িব পাৰো তেনেহলে সেইবিলাকত তেখেত সকলক নিযুক্ত কৰাৰ সম্ভৱপৰ হব। তাৰ বাহিৰে Non-Technical মানুহ লোৱাৰো সম্ভাৱনা আছে। আমি_সেই আশাতে আমাৰ যি বিলাক work charge মানুহ আছে তেওঁলোকক অব্যাহতি দিব খোজা নাই। আশাকৰো ১।২ মাহৰ ভিতৰতে যদি এই নতুন কাম হাতত লব পাৰো তেতিয়াহলে এই মানুহখিনিক কামত বাহাল ৰাখিব পৰা হব। ইয়াৰোপৰি আমাৰ কৃষিবিভাগে যি আঁচনি কৰিছে তাৰ পৰাও বহুতৰ নিবনুৱা সমস্যাৰ

সমাধান হব। আমি Marginal Agricultural Labour form ৰ উন্নতি কৰি Artisian সকলৰ যোগেদি আমি কৰ্ম্মসংস্থান কৰিবলৈ আঁচনি লৈছো। এইবিলাক আঁচনি যদি আমি নিষ্ঠাৰে সৈতে কাম কৰিব পাৰো তেনেহলে কৃষি বিভাগে বহুত মানুহক নতুনকৈ কৰ্ম্মসংস্থান দিব পাৰিব। আমি যোৱা ২ বছৰে যি খিনি আঁচনি হাতত লৈছিলো তাৰ আশানুৰূপ Response নোপোৱাৰ কাৰণে কাৰ্যকৰী কৰিব পৰা নাই। সেইখিনি হৈছে আমাৰ শিক্ষিত নিবনুৱা ডেকা বিলাক। তেওঁলোকক ডাঙৰ ডাঙৰ farm বিলাকৰ লগত খেতিকৰিবলৈ সুবিধা দিয়াৰ যোগেদি নিবনুৱা সমস্যাসমাধানৰ প্ৰচেষ্টা চলোৱা হৈছে। চৰকাৰৰ ফালৰপৰা বৰপেটা, মঙ্গলদৈ, গোলাঘাট আদিত নিবনুৱা শিক্ষিত ডেকা সকলক কৃষিত সংস্থাপন কৰিবৰ কাৰণে ১ হাজাৰ বিঘাকৈ মাটি দিয়া হৈছিল কিন্তু সেইবিলাক বিষয়ত আমি শিক্ষিত নিবনুৱা ডেকা সকলৰ পৰা যি পৰিমাণে Response পাব লাগিছিল সেই পৰিমানে পোৱা নাই আৰু নোপোৱাৰ ফলত আমাৰ এই আঁচনি কৃতকাৰ্য্যতা হোৱা নাই। আমি আশা কৰিছো যে, সকলোৰে সহযোগত আমি আমাৰ শিক্ষিত যুৱক সকলক আগ্ৰহী কৰি তুলিবৰ কাৰণে চেষ্টা কৰিম আৰু সেই প্ৰস্তাৱৰ জৰীয়তে যাতে আমাৰ দেশৰ শিক্ষিত নিবনুৱা সকলে কৃষিৰ উন্নয়ন সাধন কৰি তেওঁলোকৰ নিবনুৱা সমস্যাৰ সমাধান কৰিব আৰু লগতে আমাৰ দেশৰ সম্পদ বৃদ্ধি কৰাৰ ক্ষেত্ৰত তেওঁলোকে উচিত বৰঙনি আগবঢ়াব।

চাৰ, আমাৰ এটা অভিযোগ হ'ল যে, আমাৰ দেশত যিবিলাক Private Industry আছে সেই Private Industry বিলাকত আমাৰ থলুৱা মানুহে যি পৰিমানে সংস্থাপিত হব লাগিছিল সেই পৰিমানে হোৱা নাই। আমাৰ যি "Employment Advisory Committee" হৈছিল সেই Committee ৰ প্ৰতিবেদনৰ পৰাও এই কথাটো প্ৰকাশ পাইছে।

আমাৰ ঐকান্তিক ইচ্ছা যে, আজি যি বিলাকে আমাৰ দেশত ব্যক্তিগত ভাৱে উদ্যোগস্থাপন কৰিছে সেই সকলে আমাৰ থলুৱা লোকক নিযুক্তি দিয়াৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিবলাগে। এইটো আমাৰ দেশৰ শান্তি আৰু শৃঙ্খলাৰ কাৰণে প্ৰয়োজন আৰু তাৰ লগে লগে উদ্যোগৰ ভৱিষ্যত

উন্নতিৰ কাৰণেও এইটো প্ৰয়োজন। যি ঠাইত উদ্যোগ আদি হয়, সেই ঠাইত যদি লোকসকলে সেই উদ্যোগবিলাকৰ প্ৰতি সহায়-সহানুভূতি আৰু সহযোগ প্ৰদান নকৰে তেনেহলে সেই উদ্যোগ বিলাকে সেইবিলাক ঠাইত কৃতকাৰ্য্যতাৰে কাম কৰিব নোৱাৰে। সেই কাৰণে যদি আমাৰ দেশৰ ব্যক্তিগত উদ্যোগ পতি বা ব্যৱসায়ী সকলে তেওঁলোকৰ ব্যৱসায়ৰ উন্নতি, শান্তি আৰু নিৰাপত্তা অটুট ৰাখিবলৈ চেষ্টা কৰে তেনেহলে তেওঁলোকে এই সুযোগ আগবঢ়াব বুলি চৰকাৰে বিবেচনা কৰে।

আজি আমাৰ দেশত যি উদ্যোগ হব সেই উদ্যোগত আমাৰ প্ৰকৃত যি সকল থলুৱা লোক আছে আৰু থলুৱা নিবনুৱা আছে সেই সকলক যিমান দূৰ সম্ভৱ সংস্থাপন কৰিবৰ কাৰণে তেখেত সকলে কৈছে; সেই চেষ্টা চৰকাৰৰ নিশ্চয় হব লাগে। কেৱল আমাৰ ব্যক্তিগত উদ্যোগৰ ক্ষেত্ৰতেই নহয় আমাৰ ইয়াত যি বিলাক কেন্দ্ৰৰ উদ্যোগ হৈছে বা হব আৰু ইতিমধ্যে আমাৰ ৰাজ্যত যিবিলাক কেন্দ্ৰীয় অনুষ্ঠান আছে যেনে Bank বিলাক Railway আৰু P. & T. deptt. ইত্যাদিত থলুৱা লোকে যি পৰিমাণে প্ৰতিনিধিত্ব পাব লাগিছিল সেই পৰিমাণে পোৱা নাই। সেই প্ৰতিনিধিত্ব সোনকালে পোৱাৰ ব্যৱস্থা হব লাগে ইতিমধ্যে এই বিষয়ে আমি কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰিছো আৰু যোগাযোগ কৰাৰ কামত আমি বহু খিনি আশ্বাস পাইছো। শতকৰা ৮০ ভাগ থলুৱা লোকক ৫০০ টকা কমৰ চাকৰিত নিযুক্ত কৰিবৰ কাৰণে চেষ্টা কৰা হৈছে। এইটো মুখৰ আশ্বাসৰে সন্তুষ্ট কৰা কথা নহয়, কাৰ্য্যতঃ এই আশ্বাস যাতে পৰিণত হয় সেই উদ্দেশ্যেও প্ৰধান মন্ত্ৰীৰ দৃষ্টি আকৰ্ষন কৰা হৈছে। সেই বিষয়ে আমি প্ৰধান মন্ত্ৰীৰ পৰা সহাৰি পাম বুলি আশা কৰিছো।

আজি আমাৰ দেশৰ ভূমিহীন কৃষকৰ সমস্যাই দেখা দিছে, সেই সমস্যা সম্পৰ্কে সদনত বাৰে বাৰে আলোচনা বিলাকৰ পৰিপ্ৰেক্ষিতত চৰকাৰৰ ফালৰ পৰা এটা মাটি পট্টন নীতি গ্ৰহণ কৰা হৈছে। সেই নীতি অনুসৰি আমি এতিয়ালৈকে যথেষ্ঠ সংখ্যক মাটি নোহোৱা মানুহক মাটি দিব পাৰিছো। কিন্তু মাটি দিয়াৰ ক্ষেত্ৰত এটা বেমেজালিয়ে দেখা

দিয়ে, কাৰণ যিবিলাক মানুহক মাটি দিয়াৰ কাৰণে মাটি পট্টা দিয়া হয় সেই ঠাইৰ বেদখল হৈ থাকে গতিকে পট্টা দিয়া অলপ অসুবিধা হয়, সেই অৱস্থা দূৰ কৰিবলৈ চেষ্টা কৰা হৈছে। বেদখল কৰি উচ্ছেদ কৰি হলেও সেই সকলক মাটি পট্টন দিয়াৰ কাৰণে ব্যৱস্থা কৰা হৈছে।

আমাৰ যিমান খিনি পৰিমানৰ খাচ পতিত মাটি আছিল সেই মাটি ইতিমধ্যে বিলাই দিয়া হ'ল এতিয়া আমাৰ দেশত আমাৰ ৰাজ্যত খাচ পতিত মাটি নাই বুলি কলে অত্যুক্তি কৰা নহব। তাৰ বাহিৰেও যি বিলাক ব্যৱসায়িক চৰণীয়া পথাৰ আছে আৰু গাৱলীয়া বস্তি আছে সেই বিলাকত ইতিমধ্যে মাটিহীন গাৱলীয়া মানুহক পট্টন দিয়া হৈ গ'ল।

এতিয়াও আমাৰ সমস্যা সমাধান হোৱা নাই বাকী যি খিনি ভূমি-হীন মানুহ আছে সেই খিনি মানুহক কেনে ভাৱে সংস্থাপন কৰা হয় সেই বিষয়ে আমি কিছুমান উপায় উদ্ভাৱন কৰিছো এই মৰ্ম্মে কিছুমান অঞ্চলত আমি সংৰক্ষিত বনাঞ্চল খুলি দিয়াৰ কাৰণে সীদ্ধান্ত কৰিছো। ইতিমধ্যে প্ৰায় ২ই লাখ বিঘা মাটি সংৰক্ষিত বনাঞ্চলৰ পৰা খুলি দিয়া হৈছে আৰু তাত ভূমিহীন কৃষকৰ আৰু ভূমিহীন মানুহক সংস্থাপন কৰিবৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ভূমিহীন খেতিয়কক সংস্থাপন কৰাৰ ক্ষেত্ৰত অনুসূচিত সম্প্ৰদায় আৰু অনুসূচিত জনজাতিয় লোক যি সকল আছে সেই সকলক অগ্ৰাধিকাৰ দিয়াৰ কাৰণে সীদ্ধান্ত গ্ৰহণ কৰা হৈছে। আৰু ইতিমধ্যে আমাৰ বহু ঠাইত বৰপেটা, মঙ্গলদৈ লক্ষমপুৰ যোৰহাট আদি ঠাইত অনুসূচিত সম্প্ৰদায়ৰ যিসকল ভূমিহীন মানুহ আছে সেই মানুহবিলাকক মাটি পট্টন দিব পৰা হৈছে। অনুসূচিত সম্প্ৰদায়ৰ লোক-সকলক মাটি পট্টন দিয়াৰ ক্ষেত্ৰত এটা আসোঁৱাহ দেখা যায় কাৰণ যি ঠাইত মাটি পট্টন দিয়া হয় সেইবিলাক ঠাইত তেওঁলোকে হাবি জঙ্গল ভাঙি চিঙি খেতিৰ কাৰণে উলিয়াই লয় কাৰণ খৰচ তেওঁলোকে বহন কৰিব নোৱাৰে। সেই কাৰণে যদিও অনুসূচিত সম্প্ৰদায়ৰ লোকসকলক মাটি দিয়া হ'ল কিন্তু অৰ্থৰ অভাৱত তেওঁলোকে সেইবিলাক ঠাইলৈ যাব নোৱাৰে। গতিকেই ১১০ ঘৰ অনুসূচিত সম্প্ৰদায়ৰ পৰিয়ালক ওচৰৰে Reserve ত মাটি দিয়াৰ বন্দোৱস্তী কৰা হৈছে আৰু তাত গাওঁ পাতি বসবাস

কৰিবৰ কাৰণে ঘৰতুৱাৰ বান্ধিবৰ বাবে তেখেত সকলক ৬৫০ টকাকৈ সাহার্য্য আৰু ১৫০ টকাকৈ ঋন দিয়াহৈছে কাৰণ ঘৰ-তুৱাৰ বান্ধিৱৰ বাবে খৰচ তেওঁ-লোকে বহণ কৰিব নোৱাৰে। যদি এই সাহার্য্য আৰু ঋন-আনবোৰৰ কোনটো দিব পৰা হয় আৰু এই ঋন আৰু সাহায্য ঘৰ তুৱাৰ বন্ধোৱা কামত খৰচ কৰে তেতিয়াহলে অনুসূচিত সম্প্ৰদায়ৰ লোকক বিশেষ ভাৱে সং-স্থাপন কৰাৰ ক্ষেত্ৰত কৃতকাৰ্য্য হব পাৰিম।

আমাৰ মাটিত যি ঋন সৰ্ব্বোচ্চ পৰিমান সিদ্ধান্ত আইনৰ এই সদনত সংশোধনী বিল এখন পাচ কৰা হৈছিল সেই Bill অনুসৰি আমি এতিয়াও কাম হাতত লব পৰা নাই। এই বিলখনে এতিয়াও ৰাষ্ট্ৰপতিৰ সন্মতি পোৱা নাই আমি আশা কৰিছো এই আইন খনে ৰাষ্ট্ৰপতিৰ সন্মতি সোনকালেই পাব আৰু আমি এই ঋন কাৰ্য্যকৰী কৰিবৰ কাৰনে চেষ্টা কৰিছো। আমাৰ বিশেষকৈ উজনী অসমত কাছাৰ জিলাত পট্টা দিয়াৰ কাৰনে কোনো মাটি নাই আমি আশাকৰিছো এই ঋণ আইন বলবৎ কৰি লৈ যি খিনি উদ্বত্তি মাটি পাম তাৰ দ্বাৰা কাছাৰ আৰু উজনীত ভূমিহীন মানুহক মাটি পট্টা দিবৰ কাৰনে সক্ষম হম। ইয়াৰ উপৰিও আমাৰ মৌজাদাৰৰ বাগিছাৰ পৰা ওলাই অহা যি বিলাক মাটিহীন মানুহ আছে সেই সকলেও মাটিৰ অভাৱত সং-স্থাপিত হব পৰা নাই। এই বিষয়েও আমি ব্যৱস্থা কৰিম।

আমাৰ দেশত যিমান বিলাক প্ৰাইমাৰী প্ৰাথমিক স্কুল আছে আৰু যিবিলাক স্কুলে চৰকাৰৰ মঞ্জুৰী পোৱা নাই সেই বিলাক স্কুলে মঞ্জুৰী পাবৰ কাৰনে চৰকাৰৰ ওচৰত দাবী জনাইছে সেই দাবীত যথেষ্ঠ যুক্তি আছে।

আমি প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত শিক্ষাৰ পৰিসৰ বৃদ্ধি কৰাতো মানি লৈছো, আৰু যাতে এই বিলাক ঠাইত সকলো লৰা ছোৱালীয়ে শিক্ষা লাভ কৰিব পাৰে তাৰ কাৰনে চেষ্টা কৰিছো। সেই উদ্দেশ্যে ৰাজ্যত বৰ্ত্তমানৰ যিবিলাক Venture School আছে তাৰে প্ৰায় ১২০০ খন Venture School এই বিত্তিয় বছৰটোতে চাবৰ কাৰণে সিদ্ধান্ত গ্ৰহণ কৰিছো।

এটা কথাক লৈ আমাৰ সদনত মাননীয় সদস্য সকলে বৰ উদ্বিগ্ন প্ৰকাশ কৰিছে সেইটো হ'ল নগাৰাজ্যৰ সীমা লৈ অসম আৰু নগাৰাজ্য মাজত যি সীমা বিবাদ চলি আ'ছ সেই বিষয়ে আমাৰ সদনত প্ৰায় বিলাক সদস্যই প্ৰতিদিনে কিবাএটা চেলু লৈ হলেও উল্লেখ কৰিছে। এই সংক্ৰান্তত কেন্দ্ৰীয় চৰকাৰে হস্তক্ষেপ ক'ৰলে অতি সোনকালে সমস্যা-টোৰ সমাধান হৈ যাব। নগালেণ্ডত যি সকল লোক আৰু আমাৰ দেশৰ লোক সকলৰ মাজত যাতে এটা সংভাৱৰ সৃষ্টি হয় আৰু যিমান পৰা যায় মিলা প্ৰীতিৰে যাতে সমস্যাটোৰ সমাধান কৰিব পৰা যায় তাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰক বিশেষ ভাৱে অনুৰোধ জনাইছো। এই সীমা বিবাদৰ ক্ষেত্ৰত আমি আশা কৰিছো সদনৰ সকলো কামৰ সদস্যৰ পৰা সহায় সহযোগ পাম।

ৰাজধানী স্থানান্তৰ সম্পৰ্কত বহুতদিন ধৰি সদনত আলোচনা কৰি আহিছে এই বিষয়টোত সোকালে নিষ্পত্তি কৰিব পাৰিলে সকলোৰে মঙ্গল।

আমি আশা কৰিছো যিমান সোনকালে পৰা যায় ইয়াৰ এটা সিদ্ধান্ত গ্ৰহণ কৰিব পাৰিম। কেন্দ্ৰীয় চৰকাৰৰ পৰা ৰাজধানী স্থানান্তৰ কৰা কাৰণে যিমান টকাৰ প্ৰয়োজন সেইখিনি মঞ্জুৰ হোৱাৰ লগে লগে ততাতয়াকৈ ৰাজধানী স্থানান্তৰৰ কাম কৰিম।

আমাৰ মাননীয় সদস্য শ্ৰীদুলাল বৰুৱা দেৱে মধ্যকালীন নিৰ্ব্বাচন শান্তি পূৰ্ণ হোৱা নাই বুলি অভিযোগ আনিছে। মই সদনক জ্ঞাতাৰ্থে জনাব খুজিছো যে যোৰহাতৰ বাহিৰে আন কোনো ঠাইত অপ্ৰীতিকৰ ঘটনা ঘটা নাছিল। যোৰহাটত কিছু ঘটনা ঘটিছিল। তাতে ১৪টা মকৰ্দ্দমা পুলিছে ৰজু কৰিছে আৰু এই মকৰ্দ্দমা সমূহ বৰ্ত্তমান বিচাৰধীন হৈ আছে। গতিকে এই মকৰ্দ্দমা সমূহৰ Merit সম্পৰ্কে অলোচনা কৰা উচিত নহব। কিন্তু যিবিলাক লোকৰ দ্বাৰা এনেকুৱা অপ্ৰীটিকৰ ঘটনা ঘটালে তেওঁলোকে আত্ম বিশ্লেষণ কৰি ভবিস্যতে যাতে তেনেকুৱা ঘটনা ঘটাবলৈ সুবিধা নাপায় তাৰ কাৰনে চেষ্টা কৰিব।

আজি আমাৰ মাননীয় সদস্য দুলাল বৰুৱাই উদ্যোগ মন্ত্ৰীৰ বক্তৃতা প্ৰসঙ্গত প্ৰশ্ন তুলিছিল যে আমাৰ পৰা ভাৰত চৰকাৰবে ৪ কোটি টকা

আদায় কৰে নানা Head ত আৰু তাৰ বিনিময়ত তেওঁলোকৰ পৰা কোনো সাহায্য নাপাও। এইটো তেখেতে ভূলকৈছে। মই সদায় জ্ঞাতাৰ্থে জনাওঁ যে Central Excise Revenue revised under 11 union Excise Duty is as follows.

| | | |
|---|---|---|
| ১৯৬৭-৬৮ চনত | — | ৪১,০২,৪৪,০০০.০০ |
| ১৯৬৮ ৬৯ চনত | — | ৪২,৭৫,৩৪,০০০.০০ |
| ১৯৬৯-৭০ চনত | — | ৪৩,৬২,১৮০০.০০ |

আয়কৰ আদায় হৈছিল অসমৰ পৰা

| | | |
|---|---|---|
| ১৯৬৭-৬৮ | —— | ৪৬৪ |
| ১৯৬৮-৬৯ | —— | ৫৪৬ |
| ১৯৬৯-৭০ | —— | ৫২৭ |

Central Assistance on State Plan Schemes.

| | |
|---|---|
| Grant | ১২৯৪·২০ |
| Loan | ১৯৮৯·৮০ |
| | ৩২৮৪·০০ |

Central assistance for Centrally sponsored chemes.

| | |
|---|---|
| Grant | ২২৫·০০ |
| Loan | ৪২.৯২ |
| | ২৬৭.৯২ |

Share of Central Taxes & Grants under Finance Commission award.

| | |
|---|---|
| Income Tax | ৮৯৪·৫১ |
| Estate Duty | ১৭·৫৩ |
| Union Excise Duty | ৭২৫·৮২ |
| Addl. Excise in lieu of Sales Tax on | ১৫৬·০৪ |
| Sugar, Tobaco & Textile | ৪৬·৮০ |
| Grant in lieu of tax on railway passenger fares | ১৭·৬০ |
| Grant under article 275 (1) (substantive portion) | |
| Total | ৩৬০০·৭০ |

Grants from Govt. of India for no-plan purposes.

| | |
|---|---|
| Grant under clause (a) of the second groviso to Art. 275 | ২০·০০ |
| For checking Pak infiltration | ২·৪৯ |
| For compilation of National register of records | ০·০৩ |
| State's colloaboration with National Sample Survey | ১·১৮ |
| Post Matric Scholarship | ১৫·০০ |
| Sanaskrit scholarship | ০·১২ |
| Financial assistance to the children of displaced Goldsmith | ১·০০ |
| Financial assistance to displaced students | ০·২০ |
| Education facilities to the new refugee students | ২ ৬৫ |
| Improvement of pay scales of aided College Teachers | ১৫·০০ |
| National Scholarship | ৪·৭৫ |
| Merit scholarships to the children of Primary School teachers | ০·৫৬ |
| Cash doles to the displaced persons | ০·৭৬ |
| Small savings schemes | ১ ০৭ |
| Maintenance of Central Destitute Home | ১০ ০০ |
| Road of stratagic importance Border road | ১০৮·০০ |
| Subventionfrom Central Road fund (ordinary) | ২৩৫·৭৩ |
| Subventionfrom Central Road fund (reserved) | ১·০০ |
| | ৭·৭৫ |

| | |
|---|---|
| Research on Fundamental & Basic problems | ·৩৬ |
| Displaced persons | ১৫০·০৯ |
| Minerity Commission | ০·০৭ |
| Expenditure on Police | ১২৬·১০ |
| Disturbances in Mizo Hills | ১৮৬·১৯ |
| Total— | ২৯৫১·১৩ |

Loan from Govt. of India for non plan purposes

| | |
|---|---|
| Small Savings scheme | ২৭৫·০০ |
| Police Housing scheme | ৫·০০ |
| Loans for displaced persons | ৫০·০০ |
| Loans for restoration of flood damages | ৪৪৬·০০ |
| Loan for grant of house building advances to All India Service personnel | ২·০০ |
| Total— | ৭৭৮·০০ লাখ |

টকা কেন্দ্ৰীয় চৰকাৰে আমাৰ পৰা আদায় কৰিছিল।

ইয়াৰ পৰা আমাৰ State plan লৈ দিছে। আমি ৪১,৪৪,৬২ হাজাৰ পাইছো Central Custom & Exeise duty হিচাবে।